ASSAM LEGISLATIVE ASSEMBLY DEBATES



OFFICIAL REPORT

TENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

No. 17

The 10th April, 1995

Price—23.75

Debates of the Assam Legislative Assembly

MONDAY, THE 10TH APRIL 1995.

The House met at 9 A. M. of the Clock in the Assembly Chamber at Dispur with Prof. Debesh Chakravorty, Speaker in the Chair.

STARRED QUESTIONS & ANSWERS

(To which oral replies were given)

Mr. Speaker—I inform the Hon'ble Members of the House that Hon'ble Chief Minister could not attend the House today due to viral fever at New Delhi as intimated to me over telephone on yesterday night. As such the question standing in his name today could not be called upon. However, deferred questions will be listed tomorrow subject to the attendance of the Hon'ble Chief Minister in the House.

Now question No. 301 Hon'ble Member Shri Dhruba Kumar Sen.

বিষয় ঃ কর্ম্মচাৰীৰ সংখ্যা ।

শ্ৰীধ্ৰুৱ কুমাৰ সেনে সুধিছে ঃ

★ ৩০১। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ধুবুৰী পৌৰ সভাৰ অধীনত সৰ্ব্বমুঠ অফিচ কৰ্ম্মচাৰী Field Staff আৰু কৰ আদায়কাৰীৰ সংখ্যা কিমান ?

খ) উক্ত অফিচৰ অধীনত স্থায়ী "হৰিজনৰ" সংখ্যা কিমান ?

শ্রীদেবানন্দ কোঁৱৰ (পৌৰ প্রশাসন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে :

ক) ধুবুৰী পৌৰ সভাৰ অফিচ কৰ্ম্মচাৰীৰ মুঠ সংখ্যা ৬০ জন, Field Staff ১৭ জন, কৰ আদায়কাৰীৰ সংখ্যা ৬ জন ।

খ) উক্ত অফিচৰ অধীনত "হৰিজনৰ" সংখ্যা মুঠ—৭৬ জন ।

★ শ্রীধ্রুব কুমাৰ সেন : মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী জিলাৰ পৌৰ সভা নিৰ্ব্বাচনী বোৰ্ডৰ মৰ্য্যদা শেষ হোৱাৰ পিচত আজিলৈকে কিমানজন একজিকিউটিভ অফিচাৰ আৰু ষ্টাফ দিলে জনাব নেকি ?

★ শ্রীদেবানন্দ কোঁৱৰ (পৌৰ প্রশাসন মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, প্রশ্নটো বেলেগ ধৰণে কৰা হৈছে । একজিকিউটিভ অফিচাৰ কোনে দিছে মই নেজানো কিন্তু মই কৈছোৱেই যে হৰিজনৰ সংখ্যা ৭৬ ।

★ শ্রীধ্রুব কুমাৰ সেন : মাননীয় অধ্যক্ষ মহোদয়, মই জানো ২০ বছৰৰ ভিতৰত পৌৰ সভাৰ বিষয়া ধুবুৰী এটক বোৰ্ডে একজিকিউটিভ অফিচাৰ কিমানক নিযুক্তি দিছে । এই ক্ষেত্রত হৰিজন আৰু অফিচৰ ষ্টাফৰ সংখ্যা জনাব নেকি ?

★ শ্রীদেবানন্দ কোঁৱৰ (পৌৰ প্রশাসন মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, আচল প্রশ্নটো অৱশ্যে তেনেধৰণে কোৱা নাছিল । ধুবুৰীত কেতিয়াও এটক বোৰ্ড কৰা নাই । নিৰ্ব্বাচনৰ কথা ইতিমধ্যে মাননীয় সদস্য সকলক জনাওঁ যে নিৰ্বাচনী প্রক্রিয়া চলি আছে । ষ্টেট ইলেকচন কমিচনাৰে নিৰ্বাচন পাতিব যেতিয়া, ধুবুৰীটো পাতিব ।

(Starred Question Nos. 302 to 310, 312 to 315 were deferred and 311 was postponed.)

★ Speech not corrected.

Mr. Speaker : Now Starred Question No. 316 Hon'ble Questioner Shri Chandan Kumar Sarkar.

বিষয় ঃ নগৰ সমিতিৰ অনুদান মঞ্জুৰী।

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে ঃ

★ ৩১৬/ মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অভয়াপুৰী নগৰ সমিতি উন্নয়নৰ বাবে চৰকাৰে ১৯৯০ চনৰ পৰা ১৯৯৪ ইং চনলৈ কিমান টকা অনুদান মঞ্জুৰী দিছে, জনাব নেকি ?

খ) বঙাইগাওঁ নগৰ সমিতি আৰু অভয়াপুৰী নগৰ সমিতিত বিভিন্ন ৰাষ্টা আৰু উন্নয়নমূলক কাম কৰাৰ বাবে চৰকাৰে আৰ্থিক মঞ্জুৰী দিয়াৰ ব্যৱস্থা লৈছে নেকি ?

★ শ্ৰীদেবানন্দ কোঁৱৰ (মন্ত্ৰী, পৌৰ প্ৰশাসন বিভাগ) য়ে উত্তৰ দিছে ঃ

ক) অভয়াপুৰী নগৰ সমিতি উন্নয়নৰ বাবে চৰকাৰে ১৯৯০ চনৰ পৰা ১৯৯৪ চনলৈকে আৰ্থিক মঞ্জুৰী তলত উল্লেখ কৰা মতে দিয়া হৈছে :

চন	মুঠ অনুদান
১৯৯০-৯১	১,৩৪,৪১৪·০০ টকা
১৯৯১-৯২	১,২৭,৭৪২·০০ „
১৯৯২-৯৩	৩২,৭২৮·১৭ „
১৯৯৩-৯৪	৪৪,৯৬৭·০০ „
১৯৯৪-৯৫	৩,০০,০০০·০০ „

খ) বৰ্ত্তমান বছৰৰ বাবে চৰকাৰে উন্নয়নমূলক কাম-কাজৰ বাবে এতিয়ালৈকে কোনো আৰ্থিক অনুদান দিয়া নাই।

★ শ্ৰীচন্দন কুমাৰ সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এটা কথাৰ এচুৰেঞ্চ দিব নেকি বঙাইগাওঁ আৰু অভয়াপুৰীৰ পপুলেচন ভিত্তিত ৰাষ্টা-ঘাট দিব নেকি ? যিহেতু ইয়াৰ ৰাষ্টা-ঘাট যিখিনি আছে

অতি বেয়া সেই কাৰণে মেৰামতিৰ কাৰণে এই বিত্তীয় বছৰতে কিবা এমাউণ্ট দিব নেকি ?

★ শ্রীদেবানন্দ কোঁৱৰ (পৌৰ প্রশাসন মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰ দিছোৱেই যে বর্ত্তমান চলিত বছৰত ১৯৯৫-৯৬ চনত এতিয়ালৈকে কোনো আর্থিক অনুদান দিয়া নাই আৰু এই বছৰত নিশ্চয় কিছু দিয়া হব। যোৱা বছৰ ৰেভিনিউ ডিপজিত কৰি ৰাখিছিল। যোৱা মার্চ মাহত অভয়াপুৰী নগৰত ৩ লাখ টকা আৰু বঙাইগাৱত ৬ লাখ টকা বিভিন্ন উন্নয়নৰ বাবে ইতিমধ্যে মোকলাই দিয়া হৈছে। এই বছৰত যেতিয়া দিয়া হব নিশ্চয় তাত কিছু টকা দিয়াৰ ব্যৱস্থা কৰা হব।

(Starred Question Nos 317 to 320 were deferred)

★ ডাঃ কমলা কলিতা : পইণ্ট অৱ অর্ডাৰ চাৰ, মাননীয় মুখ্যমন্ত্রী মহোদয়ে অসুস্থতাৰ কাৰণে আজি বিধান সভালৈ আহিব পৰা নাই কিন্তু আমি দেখিছো ক্রীড়া আৰু যুৱ কল্যাণ মন্ত্রীৰ কুৱেচন আছে তেখেত আজি অহা নাই তাৰ ওপৰত আপুনি একো ৰুলিং দিয়া নাই। কি কাৰণত অহা নাই আপুনি জনাব নেকি ?

মাননীয় অধ্যক্ষ : মন্ত্রী সকল যেতিয়া বাহিৰলৈ যায় মোক জনায় যায়। তেতিয়া মই কুৱেচন ডেফাৰ কৰো। তেখেত সকলে মোৰ পৰা পাৰমিচন লব নেলাগে। কিন্তু তেখেত সকলৰ এটা ৰেচপনচিবিলিটি থাকিব লাগে। বিশেষকৈ এচেন্সলি কুৱেচনৰ সময়ত।

★ ডঃ জয়নাথ শর্মা : মাননীয় অধ্যক্ষ মহোদয়, হাউচত কুৱেচন থকাৰ সময়ত আনএভইডেবুল চাৰকামচ্‌টেনচেছ কিবা হলে অনুপস্থিত থাকিব পাৰে। এতিয়া হাউচত যেতিয়া যুৱ আৰু ক্রীড়া কল্যাণ মন্ত্রী উপস্থিত নাই তেখেতে কি কাৰণত আজি উপস্থিত থাকিব পৰা নাই সেইটো যুক্তি সহকাৰে প্রমাণ কৰি জনাব লাগিব। নহলে হাউচত ব্রিচ অৱ প্রিভেলেইজ হয়। নহলে এইটো হাউচত অনাধিকাৰ ভংগ কৰা হৈছে।

★ Speech not corrected

মাননীয় অধ্যক্ষ : মই এইটো একজামিন কৰিম ।

★ ডঃ জয়নাথ শর্মা : মাননীয় অধ্যক্ষ মহোদয়, আজি ৰাতৰি কাকতত এটা গুৰুত্বপূর্ণ বিষয় দেখিবলৈ পাইছো যে কোনো এটা চৰকাৰী সিদ্ধান্ত ললে প্রথমতে হাউচত অৱগত কৰিব লাগে কিন্তু আমাৰ পঞ্চায়ত মন্ত্রীয়ে এখন ৰাজহুৱা সভাত চৰকাৰী সিদ্ধান্ত প্রকাশ কৰিছে । এইটো কি ভাৱে কি কাৰণত কি পৰিবেশত পঞ্চায়ত মন্ত্রীয়ে ষ্টেটমেণ্ট দিছে সেইটো জনাব লাগে । অন্য এটা কথা কবলৈ গৈছো যে মাননীয় মন্ত্রী মহোদয়ে ৰাজ্যিক আচৰণ বিধি গুৱাহাটী মিউনিচিপাল ক'ৰপৰেচনত বিভিন্ন পলিটিকেল পার্টিক দিছে । এই আচৰণ বিধি বিলাক ৰাজহুৱা ভাৱে ঘোষণা কৰিব নেলাগিছিল ।

★ ডঃ ভূমিধৰ বর্মন (পঞ্চায়ত মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যিটো কথা কৈছে তেখেতে কাগজখনৰ ভিতৰফালে পঢ়িলে ভালকৈ বুজি পাব । আচলতে মই কৈছিলো যে এইটো বিবেচনাহে কৰি থকা হৈছে কার্যকৰী কৰা হৈছে বুলি কোৱা নাই ।

★ ডঃ জয়নাথ শর্মা : মাননীয় অধ্যক্ষ মহোদয়, যদি এইটো কৰি থকা হৈছে তেনেহলে হাউচক জনাইহে কৰিব লাগে ।

★ ডাঃ ভূমিধৰ বর্মন (পঞ্চায়ত মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, হয় হাউচক নজনোৱাকৈ কৰিব নোৱাৰো । কি কৰা হব নিয়মটো কোৱা হৈছে ।

★ Shri Samarendra Nath Sen : Sir, the other day I raised a matter under 301 on which the Honourable Minister incharge employment is to make a statement in the House, but till to-day he has not made any statement.

★ Shri Silvius Condpan (Minister) : I am already ready and after the question hour, I will make a statement.

★ Speech not corrected,

(Unstarred Questions Nos 707 to 711 were deferred. Unstarred Question No. 712 and 716 were not raised as the Questioners were not present in the House when called for. Unstarred Question No. 713 to 715, 717 to 721, 723 to 726, 728 and 729 were deferred and 722 and 727 were postpond)

Re :— Market Complex.

Shri Sahidul Alam Choudhury asked :

730. Will the Minister of Municipal Administration be pleased to State :

a) Whether any market complex named "Gautom Roy Market" opened under Katlicherra Town Committee recently by Shri Gautom Roy, Hon'ble Minister of State for Municipal Administration Department, Assam ?

b) Who is the owner of the land of the said Market and who bore expenditure for construction of the same ?

c) What is the total amount of expenditure incurred by the Government for inaguration ceremony of the said Market including the said Hon'ble Minister's allowances and travelling expenditure ?

Shri Devananda Konwar (Minister, Municipal Administration) replied :

a) There is no official record that a market complex is opened at Katlicherra in the name of Hon'ble

Minister of State, Gautom Roy and there is no Town Committee as such at Katlicherra.

b) No market complex has been constructed by the Municipal Administration Department at Katlicherra.

c) Does not arise.

Mr. Speaker : Now Short Notice Question No. 7 Hon'ble Questioner Shri Jew Ram Boro.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন জাননী ।

শ্ৰীজীউৰাম বড়োই সুধিছে :

৭। মাননীয় ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে : দৰং জিলাৰ মঙ্গলদৈ মহকুমাৰ কিমানখন মধ্য ইংৰাজী বিদ্যালয় আৰু মধ্য ইংৰাজী মাদ্ৰাছাৰ বাবে অঙ্ক সহ বিজ্ঞান শিক্ষক পদ বড়ো মাধ্যমৰ কিমানটা আৰু অসমীয়া মাধ্যমৰ কিমানটা আৰু কোন কোন মধ্য ইংৰাজী মাদ্ৰাছাত আৰবী শিক্ষক পদ মঞ্জুৰী হোৱা নাই আৰু এই পদ সমূহ আৰু যিবোৰ চকীদাৰ পদ মঞ্জুৰী হোৱা নাই লগতে প্ৰাদেশীকৰণ বিদ্যালয় (প্ৰাথমিক) সমূহৰ প্ৰতিস্থাপক সহকাৰী পদ সমূহ মঞ্জুৰী কৰাৰ কি কি ব্যৱস্থা লোৱা হৈছে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীগৌতম ৰায় (ৰাজ্যিক শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

প্ৰাপ্ত তথ্য মতে ২৪ খন অসমীয়া আৰু ১৬ খন বড়ো মাধ্যমৰ বিদ্যালয়ত অঙ্ক সহ বিজ্ঞান পদ সমূহ মঞ্জুৰী দিয়া হোৱা নাই । মঙ্গলদৈ মহকুমাৰ সকলো মধ্য ইংৰাজী মাদ্ৰাছাতে আৰবী শিক্ষক পদ মঞ্জুৰী দিয়া আছে । বৰ্ত্তমানলৈকে চকীদাৰ পদ মঞ্জুৰী দিয়া হোৱা নাই । প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী ২য় প্ৰতিস্থাপক শিক্ষকৰ পদ সমূহ ইতিমধ্যে মঞ্জুৰী দিয়া হৈছে ।

★ শ্রীজীউৰাম বড়ো : মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগত এই যিবিলাক হৈছে এইটো 'ডিচক্রিমিনেশ্যন' হৈছে। 'চকীদাৰ'ৰ নিচিনা এটা পদ দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

★ শ্রীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, ১২৫৫ খন মধ্য ইংৰাজী বিদ্যালয় আছিল। ৭৫৫ খনত পুজিৰ অভাৱত মঞ্জুৰী দিব পৰা হোৱা নাই। ১৯৯৪-৯৫ চনত দিয়া হৈছে। ১৯৯৫-৯৬ চনৰ বাজেটত পদ মঞ্জুৰীৰ বাবে ধৰা হৈছে।

★ শ্রীজীউৰাম বড়ো : মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ প্রায়বিলাক প্রশ্নৰ উত্তৰত আমি তথ্য বিচৰা হৈছে বুলি পাওঁ। এই তথ্য বিলাক মাননীয় মন্ত্রীয়ে কেতিয়া দিব।

★ শ্রীনকুল দাস : মাননীয় অধ্যক্ষ মহোদয়, বি. এচ, চি, শিক্ষক সকল কম্পালচৰি কৰা হৈছে। কিন্তু আমি দেখিবলৈ পাইছো দৰং জিলাত গণিত শিক্ষক নিয়োগ কৰা হোৱা নাই। মাননীয় মন্ত্রীয়ে ইয়াৰ ব্যৱস্থা কৰিব নেকি ?

★ শ্রীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মধ্য ইংৰাজী বিদ্যালয় বিলাকত দিয়া হৈছে। একেখন বিদ্যালয়তে দুটা মাধ্যমত পাঠদান কৰা বিদ্যালয়ত এজনকৈ বিজ্ঞান শিক্ষকৰ পদ মঞ্জুৰী দিয়া হৈছে।

★ শ্রীজীউৰাম বড়ো : মাননীয় অধ্যক্ষ মহোদয়, এইটো 'এফেক্ট' হব কেতিয়াৰ পৰা।

★ শ্রীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, যেতিয়াৰ পৰা 'চেংশ্যন' হব তেতিয়াৰ পৰা দিয়া হব।

★ শ্রীচন্দন কুমাৰ সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে এই কথাটো জনাব নেকি যে— এই চতুর্থ শ্রেণীৰ পদ সমূহ 'লৱাৰ আচাম'ত কম দি 'আপাৰ আচাম'লৈ লৈ গৈছে ? কথাটো সঁচা নেকি ?

★ শ্রীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো সঁচা নহয়।

★ Speech not corrected

(Short Notice Question No. 8 was not raised as the Hon'ble Questioner was not present in the House when called for.)

Mr. Speaker : Now, Short Notice Question No. 9

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী ।

শ্ৰীজীউৰাম বড়োই সুধিছে ঃ

৯। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) দৰং জিলাৰ কালাইগাওঁ বিধান সভা সমষ্টিৰ অন্তৰ্গত গাওঁ পঞ্চায়ত সমূহলৈ ইং ১৯৯০ চনৰ পৰা এতিয়ালৈকে কোন কোন গাওঁ পঞ্চায়ত কোন বছৰত কিমান পৰিমাণৰ ধন এই বিভাগে মঞ্জুৰী দিছে ?

খ) এই মঞ্জুৰী ধনেৰে কি কি শিতানত কিমানবোৰ আঁচনি গ্ৰহণ কৰা হৈছে ।

গ) এই আঁচনি সমূহ সম্পূৰ্ণভাবে সম্পাদনা কৰা হৈছেনে ? যদি হোৱা নাই কোন কেইটা আঁচনি সম্পাদন কৰা হোৱা নাই অনুগ্ৰহ কৰি জনাবনে ?

ঘ) আৰু এই আঁচনি সমূহ দ্ৰুতগতিৰে কৰিবলৈ গাওঁ উন্নয়ন খণ্ডত স্থায়ী খণ্ড উন্নয়ন বিষয়া, Staff নিয়োগ কৰিবনে ?

ডাঃ ভূমিধৰ বৰ্মণ (পঞ্চায়ত বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) পৰিশিষ্ট 'ক'ত চাওঁক ।

খ) মঞ্জুৰী ধনেৰে জৰাহৰ ৰোজগাৰ আৰু অন্যান্য আঁচনিৰ অধীনত লোৱা আঁচনি সমূহৰ হিচাব গাওঁ পঞ্চায়ত অনুযায়ী পৰিশিষ্ট 'খ'ত দিয়া হল ।

গ) তলত উল্লেখ কৰা আঁচনিৰ বাহিৰে বাকীবোৰ সম্পাদন কৰা হৈছে ।

নিযুত কুৰা আঁচনি

বাণীপুখুৰী গাওঁ পঞ্চায়ত ঃ (১) ১নং বাৰগাওঁ বান্ধ দোং
(২) ভেৰভেৰী গাওঁৰ বান্ধ দোং
(৩) কদমতোলা বাৰগাওঁ বান্ধ ।

খৈৰাবাৰী উন্নয়ন খণ্ডৰ অধীনত : (১) ধোপগুৰী হাইস্কুল
(২) দেৱান পুখুৰী এল, পি, স্কুল
(৩) শপ্তাব্দী ক্লাৱ ঘৰ নির্ম্মাণ।

আত্ম সাহায্যমূলক আঁচনি ১৯৯১-৯২

ক) দক্ষিণ গুৱাহাটী গাৱলীয়া বাষ্টী খৈৰাবাৰী গাওঁ পঞ্চায়ত— ৩১,৩৬·০০
খ) লাকাৰীবাৰী মাজগাওঁ বাষ্টী খৈৰাবাৰী গাওঁ পঞ্চায়ত— ৩১,৩৬·০০

গ্রাম্য উন্নয়ন আঁচনি ১৯৯০-৯১

ক) শিলপোটা গাওঁ পঞ্চায়ত— ১০,০০০·০০
খ) লক্ষীমপুৰ গাওঁ পঞ্চায়ত— ১০,০০০·০০

অনুসূচিত জনজাতি আঁচনি ১৯৯২-৯৩

ক) ৰৰবালিসিঠা গাওঁৰ নলী নাদ— খৈৰাবাৰী গাওঁ পঞ্চায়ত— ৭,৪৫৪·০০
খ) কালজুৰী গাওঁৰ নলী নাদ—ঝাৰগাওঁ গাওঁ পঞ্চায়ত — ৭,৪৫৪·০০
গ) জালুকৰাৰী গাওঁৰ নলী নাদ—তাম্রেশ্বৰী গাওঁ পঞ্চায়ত— ৭,৪৫৪ ০০
ঘ) মাহাৰা গাওঁৰ নলীনাদ—নামখলা গাওঁ পঞ্চায়ত— ৭,৪৫৪·০০
ঙ) দেৱান পুখুৰ গাওঁৰ নলী নাদ—কুঁহিয়াৰ কুছি গাওঁ পঞ্চায়ত— ৭,৪৫৪·০০
চ) মহলীয়া পাৰা গাওঁৰ নলী নাদ—ধোপগুৰী গাওঁ পঞ্চায়ত— ৭,৪৫৪·০০
ছ) বটীয়ামাৰী গাওঁৰ বান্ধ দোং—কালাইগাওঁ গাওঁ পঞ্চায়ত— ১৫,৩০১·০০
জ) তাতীপুখুৰী দোং—ভূঞাখাট গাওঁ পঞ্চায়ত— ১৫,৩০১·০০
ঝ) বালিপাৰা ভোকেলীকান্দা দোং ভোকেলীকান্দা গাওঁ পঞ্চায়ত— ১৫,৩০১·০০
ঞ) পুথিমাৰী বান্ধ দোং—ৰৰনগৰী গাওঁ পঞ্চায়ত— ১৫,৩০১·০০
ট) দলৈপাৰা বান্ধ দোং—ভূঞাখাট গাওঁ পঞ্চায়ত— ১৫,৩০১·০০
ঠ) পুথিয়াখাট বড়ো চুবা বাষ্টী—বাজাপুখুৰী গাওঁ পঞ্চায়ত— ১২,০৮৯ ০০

(ঘ) পদসমূহ সৃষ্টি কৰা হলে স্থায়ীভাবে নিযুক্তিৰ ব্যৱস্থা কৰা হব।

★ শ্রীনগেন শর্মা : অধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অৱ অর্ডাৰ আছে। মন্ত্রী মহোদয়ে এই প্রশ্নটোৰ সংক্রান্তত পৰিশিষ্ট 'ক' চাওক বুলি কৈছে। এতিয়া পৰিশিষ্ট 'ক'ত কি আছে কোনেও নাজানে। আনকি প্রশ্ন-কর্ত্তায়ো নাজানে। এইটো সদনত উত্তৰ দিয়া নিয়ম নহয়।

★ ডাঃ ভূমিধৰ বর্মন (পঞ্চায়ত মন্ত্রী) : অধ্যক্ষ মহোদয়, আমি সদনক গোটেইখিনি বস্তু দি দিও।

★ শ্রীজীউৰাম বড়ো : অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ক এটা কথা জনাব খোজো যে লক্ষীপুৰ গাওঁ পঞ্চায়তৰ অধীনত টি, এচ, পি, টকাৰে দুটা স্কীমৰ কাম কৰা দেখুৱাইছে আৰু তাত ৬২ হাজাৰ টকা খৰছ কৰা দেখুৱাইছে। কিন্তু আমি জনাত এই ৬২ হাজাৰ টকাৰ এক পইচাও খৰচ নকৰাকৈ আদায় দিয়া হৈছে। গতিকে এই বিষয়টো মন্ত্রী মহোদয়ে এনকুৱেৰী কৰি ব্যৱস্থা লব নেকি ?

★ ডাঃ ভূমিধৰ বর্মন (পঞ্চায়ত মন্ত্রী) : অধ্যক্ষ মহোদয়, তেনেকুৱা অভি-যোগ থাকিলে মই আজিয়েই ব্যৱস্থা লম।

★ শ্রীনিজামুদ্দিন খান : অধ্যক্ষ মহোদয়, এই প্রশ্নটোৰ উত্তৰত মাননীয় মন্ত্রী মহোদয়ে ডি, আৰ, ডি, এ, টি, এচ, পি, আদিৰ পৰা টকা দিয়া হৈছে বুলি কৈছে। এইবোৰ বেলেগ আঁচনিৰ টকা। পঞ্চায়ত বিভাগৰ ফালৰ পৰা কিমান টকা দিয়া সেইটো কোৱা নাই।

★ ডাঃ ভূমিধৰ বর্মন (পঞ্চায়ত মন্ত্রী) : অধ্যক্ষ মহোদয়, পঞ্চায়ত বিভাগৰ অধীনত তেনে আঁচনি নাই। এই আঁচনিবোৰ পঞ্চায়ত আৰু ৰুৰেল ডেভলপমেণ্ট বিভাগেই কৰে।

মাননীয় অধ্যক্ষ : মাননীয় সদস্য সকলৰ জ্ঞাতার্থে মই এটা কওঁ যে আপোনালোকে যেতিয়া প্রশ্নবোৰ দিয়ে তেতিয়া আমি লগে লগে 'কুৱেশ্যন ব্রাঞ্চত' দি দিও। তাকৰীয়া সময়ৰ প্রশ্নৰ ক্ষেত্রত যি উত্তৰ দিয়া হয় সেইবোৰ সদনত ভগাই দিয়া নহয়। গতিকে এই ব্যৱস্থাটো আগৰ পৰা যি ধৰণে চলি আহিছে সেই ধৰণেই কৰা হৈছে। এই ক্ষেত্রত

★ Speech not corrected

মন্ত্রী মহোদয় দায়ী নহয় ।

★ ডঃ জয়নাথ শর্মা : অধ্যক্ষ মহোদয়, এই প্রশ্নটো যিহেতু দৰং জিলাৰ সংক্রান্তত আছিল সেই কাৰণে মই এটা কথা মাননীয় মন্ত্রী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব খুজিছো যে মঙ্গলদৈ মহকুমা পৰিষদৰ অধীনত 'কমন পুলৰ' বাবে কেইখনমান বিশেষ পঞ্চায়তক টকা দিয়া হৈছিল আৰু সেই টকাৰে তেওঁলোকে কিছু কাম কৰিছিল । কিন্তু প্রশ্ন হ'ল তাত যি টকা দিয়া হ'ল প্রকৃতার্থত এচেচমেণ্ট মতে কাম হোৱা নাই । এই ক্ষেত্রত মন্ত্রী মহোদয়ে এনকুৱেৰী কৰি বিহিত ব্যৱস্থা লব নেকি ? যদি ব্যৱস্থা লয় তেনেহলে কিমান দিনৰ ভিতৰত লব সেইটো জনাব নে ?

★ ডাঃ ভূমিধৰ বর্মন (পঞ্চায়ত মন্ত্রী) : অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ক্ষেত্রত মই আজিয়েই অর্ডাৰ দিম । সম্ভৱ হলে এমাহ মানৰ ভিতৰত এনকুৱেৰী কৰিব পৰা হব ।

মাননীয় সদস্য শ্রীজীউৰাম বড়ো ডাঙৰীয়াই যি ৬২ হাজাৰ টকাৰ কথা কৈছে সেই ক্ষেত্রটো মই এনকুৱেৰী কৰি ব্যৱস্থা লম ।

Mr. Speaker : Now Short Notice Question No. 10 Hon'ble Questioner Shri Mahendra Bora.

বিষয় : যোৰহাট পৌৰ সভা ।

শ্রীমহেন্দ্র বৰাই সুধিছে :

১০। মাননীয় পৌৰ প্রশাসন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) যোৰহাটৰ পৌৰ সভাই জৱাহৰ ৰোজগাৰ আঁচনি আৰু আন আন আঁচনিৰ পৰা মুঠ কিমান টকা আনে আৰু ক'ত কেনেকৈ এই টকা খৰছ কৰিলে ?

খ) যোৰহাটত চ'কবজাৰ আদি বজাৰ সমূহ আৰু আন আন ষ্টেট সমূহ প্রচলিত প্রথা বা ডাক প্রথাৰে বন্দোবস্তী কৰা হৈছে নে অসম চৰকাৰে দিছপুৰৰ পৰা বন্দোবস্তী কৰিছে । এই বিভিন্ন বন্দোবস্তী

★ Speech not corrected.

বোৰৰ পৰা আয় কিমান আৰু কোন কোন লোকক এই বন্দোবস্তী দিয়া হৈছে। এই বন্দোবস্তীবোৰ এজন মধ্যস্থতাকাৰীৰ দ্বাৰা হোৱা কথাটো সত্য নে ?

শ্রীদেবানন্দ কোঁৱৰ (পৌৰ প্রশাসন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে :

(ক) জৰাহৰ ৰোজগাৰ আঁচনি চহৰ অঞ্চলৰ কাৰণে প্রযোজ্য নহয়। ১৯৯০-৯১ বিত্তীয় বৰ্ষৰ পৰা ১৯৯৪-৯৫ বিত্তীয় বৰ্ষলৈকে বিভিন্ন আঁচনিৰ যোগেদি যোৰহাট পৌৰ সভাই মুঠ ২৮'১৯ লাখ টকা সংগ্রহ কৰে। অৱশ্যে ১৯৯৪-৯৫ বৰ্ষত মঞ্জুৰী পোৱা মুঠ ৪'৩৮ লাখ টকা বৰ্ত্তমান ৰেভিনিউ ডিপজিটত ৰখা হৈছে।

১৯৯০-৯১ বছৰত ক্ষুদ্র আৰু মজলীয়া একীভূত আঁচনিত (আই, ডি. এছ, এম, টি) মঞ্জুৰী পোৱা ৭'৬১ লাখ টকাৰে যোৰহাট পৌৰ সভাৰ অন্তর্গত এখন বজাৰ নির্মান কৰা হয়।

বস্তি অঞ্চলৰ পৰিবেশ উন্নয়ন (ই, আই, ইউ, এছ) আঁচনিৰ অন্তর্গত ১৯৯০-৯১ চনৰ পৰা ১৯৯৪-৯৫ চনলৈ সর্বমুঠ ১৩'২০ লাখ টকাৰ অনুদান মঞ্জুৰ কৰা হয়। উক্ত টকা পৌৰ সভাৰ এলেকাৰ ৫৮৯ মিটাৰ নলা (ড্রেইন), ১৪৮৪ মিটাৰ পথ উন্নয়নৰ কামৰ বাবে দিয়া হয়। ১৯৯০-৯১ আৰু ১৯৯১-৯২ চনত মঞ্জুৰ হোৱা টকাৰ কাম সম্পূর্ণ হৈছে। ১৯৯২-৯৩ চনত মঞ্জুৰ হোৱা টকাৰ কাম সম্পূর্ণকৰণৰ প্রতিবেদন এতিয়ালৈকে পোৱা হোৱা নাই।

(খ) যোৰহাটৰ চ'কবজাৰৰ লগতে অন্য বজাৰ আৰু ষ্টেণ্ডসমূহ প্রচলিত প্রথা আৰু ১৯৫৬ চনৰ অসম পৌৰ আইনৰ অধীনত বনোৱা ''খোৱাৰ আৰু বজাৰৰ বিধি'' অনুযায়ী বন্দোবস্তী দিয়া হৈছে। ইয়াৰ পৰবর্ত্তী পর্য্যায়ত প্রচলিত খোৱাৰ আৰু বজাৰৰ বিধি অনুযায়ী এই বজাৰ আৰু ষ্টেণ্ড সমূহৰ বন্দোবস্তীৰ ম্যাদ চৰকাৰে ১৯৯৫-৯৬ চনৰ বাবে বৃদ্ধি কৰিছে। এই বন্দোবস্তীবোৰৰ জৰিয়তে পৌৰ সভাৰ আয় হৈছে সর্বমুঠ ৩,৫৪,২৬১'০০ টকা। বন্দোবস্তী দিয়া লোক সকলৰ নাম তালিকা 'ক'ত দেখুওৱা হৈছে। মধ্যস্থতাকাৰীৰ যোগেদি বন্দোবস্তী দিয়াৰ প্রশ্ন নুঠে।

তালিকা "ক"

১৯৯৫-৯৬ চনৰ বাবে যোৰহাট পৌৰ সভাই বন্দোবস্তী দিয়া বজাৰ আৰু ষ্টেণ্ড সমূহৰ নাম :

বজাৰ / ষ্টেণ্ডৰ নাম	১৯৯৫-৯৬ চনৰ বাবে বন্দোবস্তী পোৱা ব্যক্তিৰ নাম
১। চ'কবজাৰ	শ্রীহৰেণ মুখতিয়াৰ
২। ফাঁচী আলি বজাৰ	শ্রীদিগন্ত দাস
৩। ষ্টেচন বজাৰ	শ্রীভাইটি দাস
৪। বি, বি, হল বজাৰ	শ্রীবকুল চন্দ্র দাস

ষ্টেণ্ড সমূহ :

১। বিক্সা-ঠেলা ষ্টেণ্ড	শ্রীপ্রসিদ্ধ দাস
২। ট্রাক ষ্টেণ্ড	শ্রীবণজিৎ শইকীয়া
৩। এ. টি, বোড পার্কিং জ'ন	শ্রীপ্রবীণ চন্দ্র দাস
৪। টেক্সী-মেটাড'ৰ ষ্টেণ্ড	শ্রীসুভাস দাস
৫। পাব্লিক বাছ ষ্টেণ্ড	শ্রীবিণ্টুমনী দত্ত
৬। চাইকেল ষ্টেণ্ড	শ্রীদীপক চন্দ্র দাস

★ শ্রীহিতেন্দ্র নাথ গোস্বামী : অধ্যক্ষ মহোদয়, এই প্রশ্নটোৰ সংক্রান্তত মোৰ এটা পৰিপূৰক প্রশ্ন আছে। এই বিষয়টো মই মন্ত্রী মহোদয়ক সুধিবলৈ বেয়া লাগে যদিও নুসুধি নোৱাৰো, বিষয়টো বৰ জৰুৰী। যোৰহাটত আজি তিনি বছৰে মার্কেট, ষ্টেণ্ড আদি এক্‌ষ্টেন্‌চন দি থকা হৈছে। এই সংক্রান্তত মই এটা প্রশ্ন আগতেও আনিছিলো আৰু মুখ্যমন্ত্রী মহোদয়েও আমাক আশ্বাস দিছিল যে এইবোৰৰ ক্ষেত্রত এক্‌ষ্টেন্‌চন হব নালাগে। কিন্তু আপোনালোকে ১৪ ফেব্রুৱাৰীত যোৰহাটৰ এখন বজাৰৰ ক্ষেত্রত হায়েষ্ট বিডাৰ জনক ৫,৮৭,০০০'০০ টকাত বন্দোবস্তী দিয়াৰ পিচত আৰু তেওঁ প্রায় ডেৰ লাখ টকা জমা দিয়াৰ পিচত ৩১ মার্চৰ ভিতৰত কেনেকৈ আগৰ লেচিজনকে ১,৯৪,৮৮৮'০০ টকাত এক্সষ্টেন্‌চন দিলে ? এই সম্পর্কত

★ Speech not corrected.

মই যোৰহাটৰ পৰা কেইবাবাৰো টেলিফোন পায় আছো—এইটো কেনেকৈ হ'ল বুলি। আমি এটা কথা দেখিছো যে যোৱা ৩ বছৰৰ ভিতৰত যোৰহাটৰ বজাৰ, ষ্টেণ্ড আদিবোৰ আগৰ লেচিবোৰকে এক্সষ্টেন্চন দি থকা হৈছে। এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যিহেতু এই বজাৰখন অপেন টেণ্ডাৰ কল কৰি ৬ লাখ টকা পোৱাৰ সুবিধা আছিল তেনে ক্ষেত্ৰত আগৰ লেচি জনকে কি কাৰণে এক্সষ্টেন্চন দি থকা হৈছে সেইটো জনাবনে ?

★ শ্ৰীদেৱানন্দ কোঁৰৰ (পৌৰ প্ৰশাসন মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা উত্থাপন কৰিছে সেই ক্ষেত্ৰত মই কওঁ যে সেইটো বিধিসম্মত ভাবে দিয়া হৈছে। এজন লেচিক এখন বজাৰ বা ষ্টেণ্ড এবছৰৰ কাৰণে দিয়া হয় যদিও তেওঁ তিনি বছৰৰ কাৰণে এক্সষ্টেন্চন পাব পাৰে। কিন্তু সেইটো সংশোধন কৰি এতিয়া দুই বছৰ কৰা হৈছে। এই ক্ষেত্ৰত তেওঁলোকে যিখন আবেদন দিয়ে তাত কিছুমান কাৰণ দৰ্শায় আৰু সেই কাৰণবোৰ আমি চোৱা চিতা কৰি তেওঁ যদি বিধিগত ভাৱে এক্সষ্টেন্চন পাবলগীয়া থাকে তেনেহলে সেইটো আমি নুই কৰিব নোৱাৰো। এই ক্ষেত্ৰত আমি তেওঁলোকক কেন্সেল কৰা নাই। আমি এইটো ষ্টে কৰি ৰিপোৰ্ট কল কৰিছো আৰু ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰি বিধি সম্মত ভাবে এক্সষ্টেন্চন দিছো। এনে ধৰণে এক্সষ্টেন্চন দিয়াৰ সময়ত তেওঁলোকক আমি কম বেটত দিয়া নাই। আগৰ বছৰ যিটো বেটত দিয়া হৈছিল তাৰ ওপৰত ১০,২০,৩০ পাৰচেণ্ট বৃদ্ধি কৰিহে এক্সষ্টেন্চন দিয়া হৈছে। আমি এক্সষ্টেন্চন দিয়াৰ সময়ত এই কথাটোও লক্ষ্য ৰাখিছো যাতে পৌৰ সভাৰ লোকচান নহয়। গতিকে মাননীয় সদস্য গৰাকীয়ে এই ক্ষেত্ৰত যিখিনি কথা কৈছে সেইটো সঁচা নহয়। যদি প্ৰয়োজন হয় তেনেহলে সবিশেষ তথ্য পাতি আনি মই কাইলৈ সদনক জনাম।

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, যিখন বজাৰ সেইখন বজাৰক মিউনিচিপালিটিয়ে চেটেলমেণ্ট দিব নোৱাৰে। ১৪ ফেব্ৰুৱাৰীত ৬ লাখত চেটেলমেণ্ট দিছিল। এতিয়া বেক ডেটত এক্সষ্টেন্চনৰ কাৰণে

★ Speech not corrected.

পিটিচন লৈছে। এইটো কিয় কৰা হৈছে আপুনিও জানে কাৰণ আপুনিও উকিল মইও উকিল। অসমৰ বাজহুৱা স্বাৰ্থৰ কাৰণে দেশৰ স্বাৰ্থৰ কাৰণে এক্সষ্টেন্চন কেঞ্চেল কৰিব লাগে। মাননীয় মুখ্যমন্ত্রীয়ে যোৱা ২৭ তাৰিখে এই পবিত্র সদনত কৈছিল বজাৰ চেটেলমেণ্টৰ এক্সষ্টেন্চনৰ পইচা দিব নোৱাৰি। যোৱা তিনি বছৰে এই ঘটনা যোৰহাটত হৈ আছে। মাননীয় মন্ত্রী মহোদয়ে পিচত কম বুলি কৈছে। কিন্তু কালি এচেম্বলি শেষ হব সেই কাৰণে আমি এইটো স্পষ্টকৈ জানিব বিচাৰিছো। এইটো এটা চিৰিয়াচ মেটাৰ। এই বিষয়ে নর্থ ইষ্ট টাইমচ্ বাতৰি কাকতৰ ফ্রণ্ট পেজত ওলাইছে। জেষ্ঠ চৰকাৰী বিষয়া সকলে মোক সুধিছে ফোন কৰিছে (তেখেতসকলৰ নাম নকও কাৰণ নাম কলে ট্রেনচফাৰ হব) এইটো কিয় হৈছে। এই ক্ষেত্রত শাসক দলৰ মাননীয় সদস্যই যিটো লিখিত প্রশ্ন আনিছে সেইটোৰ সত্যতা আছে। ৬ লাখৰ পৰিবর্ত্তে ২ লাখত কেনেকৈ দিছে। এই বিষয়ে মন্ত্রী মহোদয়ে কব নেকি ?

★ শ্রীদেৱানন্দ কোঁৱৰ (পৌৰ প্রশাসন মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, ৬ লাখৰ পৰিবর্ত্তে ২ লাখত কোনে চেটেলমেণ্ট দিছিল। মাননীয় সদস্য গৰাকীয়ে কৈছে সেইটো কেঞ্চেল কৰিব নেকি। যদি চেটেলমেণ্ট কোনোবাই পাইছে আৰু চেটেলমেণ্ট পোৱা যদি এগ্রি হয় এক্সষ্টেন্চন পাব পাৰে।

★ শ্রীহিতেন্দ্র নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, বেভিনিউ লোকচান হৈ আছে। এই ক্ষেত্রত মিউনিচিপাল কর্ত্তৃপক্ষই অপেন চেণ্টাৰ দিছে য'ত এক্সটেন্চন নাছিল। কিন্তু তাত টেণ্ডাৰ হ'ল। লেচিজনে ১ লাখ ৫৪ হাজাৰ টকা জমা দিছে। সেইটো কেঞ্চেল কৰিব নেকি।

★ শ্রীদেৱানন্দ কোঁৱৰ (পৌৰ প্রশাসন মন্ত্রী) : অধ্যক্ষ মহোদয়, যদি ইল্লিগেল হয় তেতিয়া কেঞ্চেল কৰিব পৰা যায়। যদি টকা জমা লৈছে এই ক্ষেত্রত আইন বন্ধা আছে। সেইটো এক্সটেন্চন সোনকালে কেঞ্চেল কৰিব পাৰে। কিন্তু উগ্রিভ হৈছে আৰু টকা জমা দিলে তেতিয়াহলে He can get the extension cancelled immediately. নিয়ম বন্ধা অনুযায়ী ব্যৱস্থা আছে সেইটো চৰকাৰে পাৰে আদালতেও কৰিব পাৰে।

★ Speech not corrected

মাননীয় অধ্যক্ষ : চর্ট´ নটিচ কুৱেচন বহুটো আছে—Hon'ble Ministers are not prepared to answer to all these supplementaries. Normally Ministers are not to answer to supplementary to Short Notice Questions. The Questioner puts the Question and replies are given to the Questioner. If the Questioner's satisfied, supplementary should not be raised. (গণ্ডোগোল) কিছুমান নিয়ম সদন পৰিচালনাৰ কাৰণে বান্ধি দিয়া আছে। সদন কেনেকৈ চলাব পাৰি সেইটো দিয়া আছে। আৰু সেই মতে মই চলাইছো।

★ ডঃ জয়নাথ শর্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে কৈছে যে এই ক্ষেত্রত তথ্য দিব। সংশ্লিষ্ট বজাৰখনত কেনেকৈ টকা দিছিল তাৰ বিতং ভাবে তথ্য দিব লাগে।

★ শ্রীহিতেন্দ্র নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, আমি প্রশ্ন কৰিছো আৰু মাননীয় মন্ত্রীয়ে উত্তৰ দিছে। আইনৰ সহায় লব লগা হলে এই সদনৰ একো কাম নাথাকিব। মাননীয় মুখ্য মহোদয়ে এই সদনত যিটো কৈছিল সেইটো ভায়োলেত কৰা হৈছে। এই কথাটোত মই আশ্চর্য্য প্রকাশ কৰিছো।

Mr. Speaker : Now Short Notice Question No. 11.

বিষয় : যোৰহাট পৌৰ সভা।

শ্রীমহেন্দ্র ববাই সুধিছে :

১১। মাননীয় পৌৰ প্রশাসন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) যোৰহাট যদিহে 'গ' শ্রেণীৰ মহানগৰী নহয় তেনেহলে কিয় ইয়াত "পৌৰ নিগম" গঠন নকৰি 'পৌৰ সভা' কৰি ৰখা হৈছে ?

(খ) যোৰহাট ষ্টেচনলৈ যোৱা ৰেলৰ বাস্তুটো পৌৰ সভাই বে-দখল কৰি বজাৰ পতাৰ ফলত যাতায়তৰ অসুবিধা হৈ পৰিছে। এই বজাৰ সুচল ঠাইলৈ নিব নোৱাৰিনে ?

★ Speech not corrected

(গ) যোৰহাট পৌৰ সভাৰ নিৰ্ব্বাচন পতাৰ সম্পৰ্কত কিবা ব্যৱস্থা কৰা হৈছেনে ? যদিহে কৰা হৈছে, কেতিয়া কৰিব ?

শ্রীদেবানন্দ কোঁৱৰ (পৌৰ প্রশাসন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে :

(ক) যোৰহাট 'গ' শ্রেণীৰ মহানগৰী নহয় যদিও পৌৰ নিগম গঠনৰ বিধেয় (Expedient) হোৱা নাই ।

(খ) যোৰহাটৰ ষ্টেচন ধজাৰখন বেল বিভাগৰ সংৰক্ষিত ভূমি আৰু ৰাষ্টাৰ কাষৰ সংৰক্ষণ ভূমিত আছে । এই সন্দর্ভত যাতায়তৰ অসুবিধা হোৱাৰ কথা চৰকাৰৰ দৃষ্টি গোচৰ হোৱা নাই আৰু কোনো অভি-যোগো পোৱা নাই । উক্ত বজাৰখন অন্য ঠাইলৈ নিয়াৰ প্রস্তাৱো বৰ্ত্তমানে নাই ।

(গ) যোৰহাট পৌৰ সভাৰ নিৰ্ব্বাচন পতাৰ সম্পৰ্কত এতিয়া ৰাজ্যিক নিৰ্ব্বাচনী আয়োগে সিদ্ধান্ত লব ।

Mr. Speaker . Now, Short Notice Question No. 12 Hon'ble Questioner Shri Ramendra Narayan Kalita.

বিষয় : HIV Positive ***ৰোগ ।***

শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে :

১২। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) অসমৰ বৰ্ত্তমানলৈকে HIV Positive কিমান জনক চিনাক্ত কৰণ কৰা হ'ল জনাবনে ?

(খ) এই HIV Positiveত আক্রান্ত ব্যক্তি কেইজনক বৰ্ত্তমান ক'ত ৰখা হৈছে আৰু এতিয়ালৈকে কিমান জনৰ মৃত্যু হ'ল জনাবনে ?

(গ) এইড্‌ছ ৰোগৰ প্রতিৰোধৰ বাবে চৰকাৰে এতিয়ালৈকে কি ব্যৱস্থা গ্রহণ কৰিছে জনাবনে ?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে :

(ক) ১৭১ জন ।

(খ) HIV Positive ব্যক্তি সকলক নিজৰ নিজৰ কর্মস্থানত নাইবা নিজৰ ঘৰত স্বাভাৱিক জীৱন-যাপন কৰিবলৈ দিয়া হৈছে। অসমত এতিয়ালৈকে পোৱা ৩ (তিনি) জন এইড্‌ছ ৰোগীৰ ২ (দুই) জনৰ মৃত্যু হৈছে।

(গ) ১৯৯২ চনত স্বাস্থ্য সেৱা সঞ্চালকৰ কার্য্যালয়ত এটি এইড্‌ছ নিয়ন্ত্রণ কোষ লগতে তিনিওখন মেডিকেল কলেজত একোটাকৈ (Z B.T.C.) (Zonal blood testing centre) ৭ (সাত)টা S.T.D. ক্লিনিক আৰু গুৱাহাটী মেডিকেল কলেজত Survaillance Centre খোলা হৈছে। মহেন্দ্র মোহন চৌধুৰী চিকিৎসালয়ত এটা HIV/AIDS পৰামর্শ কেন্দ্রও খোলা হৈছে। চিকিৎসক সকলক পর্য্যায়ক্রমে প্রশিক্ষণ দি থকা হৈছে।

★ শ্রীৰমেন্দ্র নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, ৰাষ্ট্রীয় এইড্‌ছ ৰোগ নিয়ন্ত্রণ আঁচনিৰ অধীনত বিশ্ব বেংক আৰু বিশ্ব স্বাস্থ্য সংস্থাই কেন্দ্রীয় চৰকাৰৰ জৰিয়তে অসম চৰকাৰক কিমান টকা দিছে মন্ত্রী মহোদয়ে জনাব নেকি ?

★ ডাঃ ভূমিধৰ বর্মন (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, ১৯৯২-৯৩ চনত দিছিল ৩১.৮২ লাখ টকা। ১৯৯৩-৯৪ চনত দিছিল ১২.৪৩২ লাখ টকা, ১৯৯৪-৯৫ চনত ১৯.৩৭ লাখ টকা দিছিল।

★ শ্রীৰমেন্দ্র নাৰায়ণ কলিতা : অধ্যক্ষ মহোদয়, কেন্দ্রীয় চৰকাৰে যিখিনি টকা দিছিল সেই টকা খিনিৰ হিচাব নিদিয়া কাৰণে কেন্দ্রীয় চৰকাৰে এতিয়া এইড্‌ছ ৰোগী নিয়ন্ত্রণৰ ক্ষেত্রত টকা বন্ধ কৰি ৰাখিছে নেকি ?

★ ডাঃ ভূমিধৰ বর্মন (মন্ত্রী) : অধ্যক্ষ মহোদয়, তেনেকুৱা নহয় অলপ পলম হৈছিল। এতিয়া থিক হৈ গৈছে।

★ শ্রীৰমেন্দ্র নাৰায়ণ কলিতা : অধ্যক্ষ মহোদয়, অলপতে ডিব্রুগড়ত ৭ জন এইড্‌চ ৰোগী আৰু গোলাঘাটত ১ জন সৈনিকৰ মৃত্যু হোৱাটো মন্ত্রী মহোদয়ে জানেনে আৰু এই ক্ষেত্রত কি ব্যৱস্থা লৈছে ?

★ ডাঃ ভূমিধৰ বর্মন (মন্ত্রী) : অধ্যক্ষ মহোদয়, সেই খবৰটো মোৰ হাতত নাই।

★ Speech not corrected.

★ ডঃ জয়নাথ শর্মা : অধ্যক্ষ মহোদয়, আজি দৈনিক অসম কাগজত গুৱাহাটী মেডিকেল কলেজত যি সকল এইড্‌চ ৰোগীক চিকিৎসা কৰি আছে তেখেত সকলৰ ক্ষেত্রত মানৱ অধিকাৰ ভংগ কৰা বুলি বাতৰি কাকতত ওলাইছে। এই সম্পর্কত বিহিত ব্যৱস্থা লৈ জনাব নেকি ?

★ ডাঃ ভূমিধৰ বর্মন (মন্ত্রী) : অধ্যক্ষ মহোদয়, এই খবৰ মই পোৱাৰ লগে লগে টেলিফোন কৰিছো আৰু যিখিনি জানিব পাৰিছো সেইখিনি কৈ দিছো। এইটো সঁচা তেখেতৰ ডায়েৰীয়া কমপ্লেইন আছিল সেইকাৰণে তাত ৰখা হৈছিল। তাত ৰখাটো ভাল হৈছে। তাত ভালকৈ ৰখা হৈছে। তেখেতে আপত্তি কৰা নাই আৰু বেয়াও পোৱা নাই।

★ শ্রীৰমেন্দ্র নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী মেডিকেল কলেজ হস্পিতালত ৰখাৰ পিচত তেখেতক বিৰুবাৰী চিকিৎসালয়লৈ কিয় পঠোৱা হ'ল ? তেখেতক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত কিয় চিকিৎসা কৰা নহ'ল ?

★ ডাঃ ভূমিধৰ বর্মন (মন্ত্রী) : অধ্যক্ষ মহোদয়, মোক টেলিফোনত কোৱা মতে তেখেতৰ বেচি শৌচ হৈছিল। তেখেতক সেই কাৰণে তাত ভালকৈ ৰখা হৈছিল।

★ ডঃ জয়নাথ শর্মা : অধ্যক্ষ মহোদয়, এইটো অনুসন্ধান কৰি মানৱ অধিকাৰ যে খর্ব কৰা হোৱা নাই সদনক জানিবলৈ দিয়ক।

Mr. Speaker : Now Short Notice Question No. 13. Hon'ble Questioner Shri Dhruba Kumar Sen.

বিষয় : দলং নির্মাণৰ ঠিকা।

শ্রীধ্রুৱ কুমাৰ সেন :

১৩। মাননীয় গড়কাপ্তানী (Border) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) আগমনী Executive Engineer (Border) সীমান্ত বিভাগৰ অধীনত থকা বিষখোৱা, তোৰছা আৰু মাদাৰকুৰা এই তিনিখন দলঙৰ কাম কলিকতাৰ কোনো ঠিকাদাৰ বা কোনো কোম্পানীক দিয়া হৈছিল নেকি ?

★ Speech not corrected.

(খ) যদি দিয়া হৈছে, তেনেহলে দলঙৰ কাম সম্পূৰ্ণ হবলৈ কিমান বাকী আছে ?

(গ) উক্ত কামৰ সৰ্ব্বমুঠ টকাৰ পৰিমাণ কিমান ?

শ্রীশৰৎ বৰকটকী (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে :

(ক) হয়, হাই কণ্ট্রাকচন প্রাইভেট লিমিটেড, কলিকতা নামৰ এটা কোম্পানীক দিয়া হৈছিল ।

(খ) দলং তিনিখনৰ কাম সম্পূৰ্ণ হোৱা নাই । বিষখোৱাৰ ৪৪ শতাংশ, তোৰছাৰ ৪৮ শতাংশ আৰু মাদাৰকুৰাৰ ৪৭ শতাংশ কাম বাকী আছে ।

(গ) উক্ত কামৰ বাবে ১৯৩·৪৬ লাখ টকাৰ (সৰ্ব্বমুঠ) প্রাক কলনৰ অনুমোদন পোৱা হৈছে ।

★ শ্রীধ্রুব কুমাৰ সেন : মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই কামৰ যি হিচাব দিছে এই তিনিওখন দলঙৰ কাম এতিয়া চলি আছে নেকি ?

★ শ্রীশৰৎ বৰকটকী (ৰাজ্যিক মন্ত্রী) : অধ্যক্ষ মহোদয়, এই কামখিনি এতিয়া চলি থকা নাই । যি ফার্মক কাম দিয়া হৈছিল তেখেত সকলে কাম কৰিবলৈ অপাৰগ হৈছে । সেই কাৰণে ডিচেম্বৰত কাম উইদ্র কৰা হৈছে । ফেব্রুৱাৰীত টেণ্ডাৰ অনা হ'ল মার্চত কাম দিয়া হব । মার্চ, ১৯৯৬ চনত সম্পুর্ণ কৰিম ।

★ শ্রীধ্রুব কুমাৰ সেন : অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো কোন কোম্পানীক কামটো দিছিল । এই দলঙৰ কাম বন্ধ থাকোতে টকা দ্র কৰিছে নেকি । এই কামৰ কাৰণে অধিক টকা দিয়া হৈছে নেকি । মন্ত্রী মহোদয়ৰ হাতত তথ্য আছে নেকি ।

★ শ্রীশৰৎ বৰকটকী (ৰাজ্যিক মন্ত্রী) : অধ্যক্ষ মহোদয়, বিষখোৱা ব্রীজৰ কাৰণে ৪৯ ৪৭২ লাখ, মডাৰকুৰা ব্রীজৰ কাৰণে ৪২·৯১৫ লাখ আৰু টৰচা ব্রীজৰ কাৰণে ২৭·১০২ লাখ টকা দিয়া হৈছে ।

★ শ্রীধ্রুব কুমাৰ সেন : মাননীয় অধ্যক্ষ মহোদয়, সেইটো সীমান্ত অঞ্চল মই জনা মতে এই কোম্পানীটোৱে যিখিনি কাম কৰিছিল তাতকৈ অধিক

★ Speech not corrected.

টকা দ্র কৰিছিল। মাননীয় মন্ত্রী মহোদয়ে জনাবনে ?

★ শ্রীশৰৎ বৰকটকী (ৰাজ্যিক মন্ত্রী) : অধ্যক্ষ মহোদয়, এতিয়া দুই লাখ টকা তেওঁলোকক দিবলৈ বাকী আছে।

Mr. Speaker : Now Short Notice Question No. 14.

বিষয় : বাস্তা নির্মাণৰ বাবে টকা খৰছ।

শ্রীধ্রুব কুমাৰ সেনে সুধিছে :

১৪। মাননীয় P. W. D. (Road) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) যোৱা ১৯৯৪ ইং চনৰ ডিচেম্বৰ মাহৰ ধুবুৰীত অনুষ্ঠিত বঙ্গ সাহিত্য সভাৰ উপলক্ষে (P.W.D. (R) Ex. Engineer) বিভাগে ৰাষ্টা-ঘাট দলং ইত্যাদিৰ কাৰণে কোনো টকা পইচা চৰকাৰে খৰচ কৰিছে নেকি ?

(খ) যদি কৰিছে তেনেহলে টকাৰ পৰিমাণ কিমান ?

(গ) উক্ত টকা কোন কোন ৰাষ্টা আৰু দলঙত খৰচ কৰিছে অনুগ্রহ কৰি জনাবনে ?

শ্রীশৰৎ বৰকটকী (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে :

(ক) উক্ত সভা উপলক্ষে সম্পন্ন কৰা কাম-কাজবোৰৰ বিপৰীতে ধুবুৰী পথ সংমণ্ডললৈ এই পর্য্যন্ত কোনো ধনৰ আৱণ্টন চৰকাৰে দিব পৰা নাই।

(খ) প্রশ্ন নুঠে।

(গ) প্রশ্ন নুঠে।

★ শ্রীধ্রুব কুমাৰ সেন : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিভাগীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰো যে আজিলৈকে সাহিত্য সভাৰ নামত বা ৰাষ্টা-ঘাটৰ নামত কিমান টকা খৰছ হ'ল, মই স্পষ্টভাবে জানিব বিচাৰিছোঁ। ইয়াত আৱণ্টনৰ কথাটো অহা নাই।

মাননীয় অধ্যক্ষ ৰাষ্টাটো এতিয়া ভাললৈ আহিছে, এই প্রশ্নটো পিছত হ'ব।

★ ডঃ জয়নাথ শর্মা : মাননীয় অধ্যক্ষ মহোদয়, টকাটোৰ বিল হৈছে, কিন্তু দলং আদিৰ কাম একো হোৱা নাই। ৰাষ্টা-ঘাটৰ অৱস্থা ভাল হোৱা

নাই। মাননীয় অধ্যক্ষ মহোদয়, সাহিত্য সভাৰ নামত টকাটো এনেকৈয়ে খাই পেলাইছে। গতিকে প্ৰকৃত খৰছৰ হিচাবটো দিলে ভাল আছিল।

★ শ্ৰীঞ্ৰুব কুমাৰ সেন : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছিলো, আচলতে কিমান টকা খৰছ হ'ল এই ৰাষ্টা-ঘাট বা দলঙৰ নামত। আচলতে মন্ত্ৰী মহোদয়ে এই খৰছৰ কথা জানে।

★ শ্ৰীশৰৎ বৰকটকী (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বঙ্গ সাহিত্য সভাৰ কাম এজন কাৰ্য্যবাহী অভিযন্তাক দিয়া হৈছিল। কিন্তু এতিয়ালৈকে যদিও কাম কৰা হৈছিল, কোনো টকা পোৱা নাই বুলি জনাইছে আৰু চৰকাৰেও এতিয়ালৈকে আৱণ্টন দিব পৰা নাই।

★ শ্ৰীঞ্ৰুব কুমাৰ সেন : মাননীয় অধ্যক্ষ মহোদয়, আজি ৯ মাহ হৈ গ'ল, কিন্তু কাম সম্পূৰ্ণ নহ'ল, আৰু টকাটোও ক'ত কেনেকৈ খৰছ হ'ল ? ১/২ কোটি টকা খৰছ কৰাটো সঁচা। কিন্তু ক'ত খৰছ কৰিছে, মাননীয় মন্ত্ৰী মহোদয়ে জানেনে ?

★ শ্ৰীশৰৎ বৰকটকী (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো পিছত চাই-চিতি কৰ পাৰিম। কাৰণ বিভাগে দিয়া তথ্য মতে দলঙৰ কাম হোৱা বুলি উল্লেখ আছে।

বিষয় : এইড্‌চ ৰোগ।

শ্ৰীৰেণুপমা ৰাজখোৱাই সুধিছে :

১৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত এজন এইড্‌চ ৰোগত মৃত্যু হোৱা বুলি ইতিমধ্যে প্ৰকাশ পাইছেই এই সম্পৰ্কত চৰকাৰৰ মতামত কি ?

(খ) এইড্‌চ ৰোগ প্ৰতিৰোধৰ বাবে অসম চৰকাৰৰ স্বাস্থ্য বিভাগে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে ?

(গ) বৰ্ত্তমানে এই ৰোগত আক্ৰান্ত কোনো লোক চিকিৎসাধীন হৈ আছে নেকি ?

(ঘ) যদি আছে, কোন জিলাৰ কোন চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে।

★ Speech not corrected

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত এতিয়ালৈকে ৩ (তিনি) জন এইড্‌চ ৰোগী চিনাক্ত কৰা হৈছে। ইতিমধ্যে ইয়াৰে ২ (দুই) জন ব্যক্তিৰ মৃত্যু হৈছে। এজনৰ মৃত্যু হয় ১৯৯০ চনত আৰু আনজনৰ মৃত্যু হয় বৰ্ত্তমান চলিত ১৯৯৫ চনত।

(খ) ১৯৯২ চনত স্বাস্থ্য সেৱা সঞ্চালকৰ কার্য্যালয়ত এইড্‌চ নিয়ন্ত্রণ কোষ এটি লগতে তিনিওখন মেডিকেল কলেজত একোটাকৈ Z.B.T.C. (Zonal-Blood Testing Centre) ৭ (সাত)টা S.T.D. ক্লিনিক আৰু গুৱাহাটী মেডিকেল কলেজত এটা Survaillance Centre খোলা হৈছে। মহেন্দ্র মোহন চৌধুৰী চিকিৎসালয়ত এটা HIV/AIDS Counselling কেন্দ্রও খোলা হয়। বৰ্ত্তমান বাজ্যিক চিকিৎসক, কলেজৰ ছাত্র-ছাত্রী আৰু শিক্ষক-শিক্ষয়িত্রীক পর্য্যায়ক্রমে প্রশিক্ষণ দি থকা হৈছে।

(গ) হয়—আছে।

(ঘ) কামৰূপ জিলাৰ সংক্রামক ৰোগ চিকিৎসালয়ৰ ভাৰপ্রাপ্ত চিকিৎসকৰ (যি জন মহেন্দ্র মোহন চৌধুৰী চিকিৎসালয়ৰ প্রেৰণ কেন্দ্রৰো ভাৰপ্রাপ্ত চিকিৎসক) অধীনত এজন এইড্‌চ ৰোগী চিকিৎসাধীন হৈ আছে। বৰ্ত্তমান ৰোগী জন ঘৰত আছে।

DISCUSSION DURING ZERO HOUR

Mr. Speaker : I have received as many as 8 Zero Hour notices for 10.4.95 in the name of the following Hon'ble Members.

1. Shri Hiteswar Deka.
   Shri Ramendra Narayan Kalita.
   Shri Nagen Sarma.
2. Shri Ramendra Narayan Kalita.
3. Shri Abdul Jalil Ragibi.
4. Shri Mohibul Haque.
5. Shri Mohibul Haque.
6. Shri Hitendra Nath Goswami.

7. Shri Giasuddin Ahmed,
Shri Hitendra Nath Goswami,
Shri Nizamuddin Khan,
Dr. Zoii Nath Sarma,
Shri Karendra Basumatary.

8. Dr. Kamala Kalita.

As per Rule, I have selected only 3 Zero Hour Notices for raising before the House today.

I now, call upon the Hon'ble Member, Shri Abdul Jalil Ragibi to raise his Zero Hour Motion on the matter of—

"Not providing street lights on the road under the Chandmari Over Bridge, Guwahati". "আনন্দৰাম বৰুৱা সেতুত অন্ধকাৰ"

★ শ্রীআব্দুল জলিল ৰাগিবী : মাননীয় অধ্যক্ষ মহোদয়, আজি মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় পৌৰ নিগমৰ মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো এটা অতি গুৰুত্বপূর্ণ বিষয় বা ঘটনাৰ ওপৰত। সেইটো হৈছে, আমি সকলোৱে জানো যে গুৱাহাটী মহানগৰীত এখন ধুনীয়াকৈ অভাৰ ব্রীজ কৰা হৈছে। এই ব্রীজখন সঁচাকৈয়ে দেখিবলৈ বৰ ধুনীয়া। ইয়াৰ ওপৰেদি পাৰহৈ গলে ওচৰে-পাজৰে থকা দৃশ্যাবিলাক চাই বৰ ভাল লাগে। মাননীয় অধ্যক্ষ মহোদয়, এই ব্রীজৰ তলেদি যিটো যোগাযোগৰ ৰাস্তা, সেইটো বেচ ডাঙৰ, কিন্তু তাত পোহৰৰ কোনো ব্যৱস্থা নাই। গোটেই ৰাতি এই ঠাইখিনি অন্ধকাৰাছন্ন হৈ থাকে কাৰণে এই ঠাইখিনি এটি চ'চিয়েল একিউৱেভিটিজ, আড্ডা, জোৱা, মদখোৱা, তাচৰ আড্ডা আনকি বেশ্যা আদিৰ ব্যৱসায় চলি থাকে। ইয়াৰ ওচৰে-পাঁজৰে প্রায় চুৰি আদি হৈ থাকে আৰু এই দলঙৰ ওপৰেদি আহিলে বেচি ৰাতি হলে ডকাইটি, লুট-পাত আদি হৈ থাকে। গতিকে আমাৰ এতিয়া প্রশ্ন হ'ল যে পৌৰ নিগমে বিভিন্ন ধৰণে গুৱাহাটী মহানগৰীক লাইট আদিৰে সজ্জিত কৰি

★ Speech not corrected

তুলিছে, কিন্তু ফ্লাইঅভাৱখন গুৱাহাটী মহানগৰীৰ ভিতৰতে ধুনীয়া হোৱা স্বত্বেও ইয়াত পোহৰৰ অভাৱত দুষ্কৃতিকাৰীয়ে এনে ধৰণৰ দুষ্কার্য্য কৰি থাকিবলৈ সুবিধা পাইছে। আৰু যাৰ কাৰণে ৰাস্তাইদি যোৱা নিৰীহ মানুহকো আক্রমণ কৰিবলৈ কুণ্ঠাবোধ নকৰে, ভদ্রলোক আক্রমণৰ চিকাৰ হ'ব লগীয়া হয়। গতিকে মাননীয় অধ্যক্ষ মহোদয়, ইয়াত পোহৰৰ ব্যৱস্থা হোৱা নাই কিয়, মই মাননীয় বিভাগীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো। দ্বিতীয়তে, কিমান সোনকালে এই কামটো কৰা হ'ব মন্ত্রী মহোদয়ে জনাবনে?

★ শ্রীদেৱানন্দ কোঁৱৰ (পৌৰ প্রশাসন মন্ত্রী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ৰাগিৰী ডাঙৰীয়াই যিটো কথা অৱগত কৰিছে, সেইটো আনন্দ ৰাম বৰুৱা সেতুৰ ওপৰত যিটো পৰিবেশৰ কথা দাঙি ধৰিছে, আৰু ইয়াৰ কাৰণ পোহৰৰ অভাৱৰ কাৰণে হোৱা বুলি দোষাৰোপ কৰিছে, সেইটো আচলতে গুৱাহাটীৰ জি, এম, চিৰ অন্তর্গত। ইয়াত লাইটিং কৰি থকা বা পোহৰৰ বেমেজালি আদি ঘটিলে জি, এম, চিক এই সম্পর্কে জানিবলৈ দিব লাগে আৰু তেতিয়া জি, এম, চিয়ে এষ্টিমেট, খৰছ আদিৰ হিচাব বিদ্যুৎ বিভাগলৈ পঠাই দিয়ে। এতিয়া আমাৰ নাগৰিক সকলে যদি অসুবিধা পাই তেতিয়া হলে জি, এম, চি, বিভাগলৈ লিখিত ভাবে জনাব লাগে আৰু তেতিয়াহে বিদ্যুৎ বিভাগে এই ক্ষেত্রত ব্যৱস্থা লব পাৰে; বা লাইট সংযোগ কৰি দিয়ে। গতিকে এই ক্ষেত্রত মই কব বিচাৰো যে যদি এনেকুৱা সমাজ বিৰোধী কাম আমাৰ গুৱাহাটী মহানগৰীৰ ভিতৰত ঘটি আছে তেনেহলে সচেতন নাগৰিক বা অৰ্গেনাইজেচন বিলাকে গুৱাহাটী জি, এম, চি, বিভাগক জনাব লাগে আৰু এই বিভাগে যেতিয়া আমাৰ পাওৱাৰ বিভাগলৈ পোহৰ সংযোগৰ বাবে এষ্টিমেট আদি দাখিল কৰিব তেতিয়াই আমাৰ পৌৰ বিভাগে দায়িত্ব লৈ বিদ্যুৎ বিভাগলৈ নির্দ্দেশ দিব। কিন্তু আজি পর্য্যন্ত জি, এম, চিৰ পৰা আমাৰ বিভাগে কোনো লিখিত ভাবে পোৱা নাই। আৰু মই ভাবো এই নীতি সংশোধন কৰিব লাগে। এইটো কিয় হোৱা নাই মই নেজানো। গতিকে এই আনন্দৰাম বৰুৱা সেতুৰ সম্পর্কত পোহৰৰ অভাৱত যি সমাজ বিৰোধী কাম চলি আছে, বা এনে

★ Speech not corrected.

দুষ্কার্য্য কৰিবলৈ প্ৰয়াস পাইছে, মই বিভাগীয় কৰ্মকৰ্ত্তা সকলৰ লগত আলোচনা কৰি জি. এম. চিয়ে যাতে পাওৱাৰ বিভাগৰ লগত যোগাযোগ কৰে তাৰ ব্যৱস্থা কৰিম। অৱশ্যে জি, এম, চিৰ লগতে জড়িত হৈ আছে. গুৱাহাটী মহানগৰী ডেভেলপমেণ্ট অথৰিটি নামৰ এটা বিভাগো আছে। গতিকে এই ক্ষেত্ৰত যাতে সকলো বিভাগে অতি সোনকালে দায়িত্ব পালন কৰে তাৰ ব্যৱস্থা অতি সোনকালে কৰা হ'ব।

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : অধ্যক্ষ মহোদয়, এইটো গুৰুতৰ কথা এ. এছ. ই, বিৰ যিজন মন্ত্ৰী, তেখেত গুৱাহাটী পৌৰ প্ৰশাসন বিভাগৰো মন্ত্ৰী। আজি আনন্দৰাম বৰুৱা সেতুৰ ওপৰত ৯ মাহে লাইট নাই। অকল এইটোৱেই নহয়, গুৱাহাটী মহানগৰীৰ যিবিলাক পার্ক আছে আৰু বিভিন্ন অঞ্চলত লাইট নোহোৱাৰ বাবে প্ৰায় অন্ধকাৰত থাকিব লগীয়া হৈছে গতিকে ইয়াৰ এটা ব্যৱস্থা মন্ত্ৰী মহোদয়ে সোনকালে কৰিবনে ?

মাননীয় অধ্যক্ষ : তেখেতে এইটো ব্যৱস্থা কৰিব বুলি কৈছে।

★ শ্ৰীদেৱানন্দ কোঁৱৰ (পৌৰ প্ৰশাসন মন্ত্ৰী) : অধ্যক্ষ মহোদয়, যদিও এই বিষয়টো পৌৰ প্ৰশাসন বিভাগৰে আছিল, মাননীয় সদস্য সকলে জানে যে এতিয়া জি-দি-দিৰ আন্দাৰলৈ জি, এম, চি, কেপিটেল কন্সট্ৰাকচন—Geographical entity থকাৰ কাৰণে এইটো কৰা হৈছে। তৎস্বত্বেও মোৰ দৃষ্টিগোচৰ হোৱা বাবে আৰু মোৰ দায়িত্ব হিচাবেও এইটো সোনকালে কৰাৰ ব্যৱস্থা কৰিম বুলি মই কব বিচাৰিছো।

Mr. Speaker : I now call upon the Hon'ble Member Shri Hitendra Nath Goswami to raise his Zero Hour Motion.

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, আজি মই সদনৰ শূন্যকালৰ সময় ছোৱাত পার্টিকাম লিমিটেডৰ দুৰৱস্থাৰ সম্পৰ্কে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। এই ক্ষেত্ৰত তেখেতৰ পৰা এটা স্পষ্ট উত্তৰ পাম বুলি আশা কৰিছো। যোৱা ৫ এপ্ৰিল তাৰিখৰ আজিৰ অসম বাতৰি কাকতত এইটো দিটেইলচ দিছে। অডিটৰ ড্ৰাফট ৰিপোৰ্ট ১৭ জানুৱাৰী তাৰিখে পার্টিকাম লিমিটেডক দিছে য'ত ২৪ লাখ টকাৰ অবৈধ লেনদেনৰ কথা উল্লেখ কৰা হৈছে। কিন্তু আজি পৰ্য্যন্ত

★ Speech not corrected.

তেওঁলোকে উত্তৰ দিব পৰা নাই। ইয়াৰ আগতেও পি, এ, চিৰ জৰিয়তে পাৰ্টিকামত থকা দুৰ্নীতি সম্পৰ্কে আলোচনা কৰা হৈছে। তাত যিজন চিফ একজিকিউটিভ অফিচাৰ জড়িত হৈ আছে তেওঁৰ বাবে উত্তৰ দিয়া নাই। আজি পাৰ্টিকাম লিমিটেডৰ কৰ্ম্মচাৰী সকলে ৩ মাহ ধৰি দৰমহা পোৱা নাই। ভৱিষ্যনিধিৰ টকা কাটি থকাৰ পিচতো জমা দিয়া নাই। সকলোৱে কৈছে চিফ একজিকিউটিভ অফিচাৰ আৰু এতিয়াৰ যিজন এম, ডি, দি, চি, নাথ তেখেত সকলৰ দুৰ্নীতি চূড়ান্ত পৰ্য্যায় পাইছেগৈ। ফলত এই কোম্পানীটো মৃত্যুৰ মুখলৈ গৈছে। চৰকাৰক যদিও বিভিন্ন সময়ত এ, আই, ডি, চিক অনুৰোধ জনাইছো এই পাৰ্টিকাম লিমিটেড ৰক্ষা কৰাৰ বাবে আজি পৰ্য্যন্ত আপোনালোক নীৰৱে বহি আছে। এই কোম্পানীত ৪৯ শতাংশ এ, আই, ডি, চিৰ আৰু বাকীখিনি বাহিৰৰ। এই কোম্পানীয়ে অমৃত সাৰ উলিয়াইছিল। এই সাৰ ভাল আছিল কিন্তু এই এম, দি, জনৰ দুৰ্নীতিৰ বাবে আজি যিটো অৱস্থা হৈছে আপোনালোকে নীৰৱতা অৱলম্বন কৰিব নালাগে। নতুন এম, ডি জন ষ্ট্ৰীক্ট নোহোৱাৰ বাবে এইটো হবলৈ পাইছে। এম, ডি, আৰু এ, আই, ডি, চিৰ মাজত যোগসূত্ৰ আছে। আৰু এই পাৰ্টিকাম লিমিটেডটো ধ্বংস কৰাৰ চেষ্টা কৰিছে। অন্যান্য যিবিলাক প্ৰাইভেট কৰ্পোৰেচন আছে সেইবিলাক আপোনালোকে প্ৰাইভেটেনাইজেচন কৰাৰ কথা কৈছে। ১৯৯৩ চনৰ ফেব্ৰুৱাৰী মাহতে ত্ৰিপুৰা চৰকাৰৰ পৰা ৩ কোটি টকাৰ অমৃত সাৰৰ বাবে অৰ্ডাৰ পাইছে। টেণ্ডাৰ অৰ্ডাৰ পোৱাৰ পিচতো ৩১ জুলাই তাৰিখে চাৰ্কোলাৰ ওলাইছে যে কৰুণাময় পাল নামৰ এজনক ৩১/৭/৯৩ তাৰিখে ত্ৰিপুৰাত এজেণ্ট দিছে। ৩১/৭/৯৩ তাৰিখত এপইণ্টমেণ্ট দিয়াই নহয় তেওঁক ১ মে' তাৰিখৰ পৰা ৰেষ্ট্ৰস্পেকটিভ এফেক্ট দিয়াও হব। এই ক্ষেত্ৰত বিভাগীয় অনান্য বিষয়াও জড়িত আছে। ৩ কোটি টকাৰ পৰা ৪/৫ লাখ টকা আত্মসাৎ কৰাৰ চেষ্টা চলাইছে। এই ক্ষেত্ৰত আমাৰ চৰকাৰে কি বিহিত ব্যৱস্থা গ্ৰহণ কৰিব জনাব লাগে। আজি পাৰ্টিকাম লিমিটেডৰ অচল অৱস্থা হৈছে। নাথ নামৰ মানুহজন পাৰাৰফুল সেই

★ Speech not corrected

বাবে চৰকাৰে বিচাৰ কৰা নাই। গতিকে শূন্যকালৰ সময়ছোৱাত এই কথাটো উত্থাপন কৰা হৈছে এই দুৰ্নীতি বিলাক বন্ধ কৰি পাটি'কাম লিমিটেডক পুনৰ জীৱিত কৰি তুলিব লাগে। কি ব্যৱস্থা গ্ৰহণ কৰিব পাৰি মন্ত্ৰী মহোদয়ে জনাব লাগে।

★ শ্ৰীবিজিত শইকীয়া (মন্ত্ৰী, উদ্যোগ বিভাগ) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই শূন্যকালৰ সময় ছোৱাত যোৱা ৫ এপ্ৰিল তাৰিখৰ আজিৰ অসম বাতৰি কাকতত প্ৰকাশিত "ধ্বংসৰ মুখত পাটি'কাম লিমিটেড" নামৰ বাতৰিটো দৃষ্টিগোচৰ কৰাইছে। পাটি'কাম লিমিটেড নামৰ চৰকাৰী খণ্ডত থকা বৃহৎ সাৰ উৎপাদন কেন্দ্ৰটো ১৯৭৪ চনতে কৰা হৈছিল। তাৰ বাবে ব্যয় কৰা হৈছিল ৮০ লাখ টকা। কিন্তু এই উদ্যোগে কোনো সময়তে বা কোনো বছৰতে লাভ কৰিবলৈ সক্ষম হোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, ১৯৭৪ চনত এই উদ্যোগটো কমিশ্যন কৰা হৈছিল। প্ৰায় ৮০ লাখ টকা ইয়াৰ প্ৰজেক্ট কষ্ট্ আছিল। পিছে এই উদ্যোগটোৱে আজিলৈকে লাভ কৰিব পৰা নাই। এতিয়ালৈকে হোৱা একুমোলেটেড লচ হল প্ৰায় ১০ কোটি টকা। মুঠ এমপ্লই আছে ১৪৮ জন। এই উদ্যোগটোৱে ৩ হেজাৰ মেট্ৰিকটন প্ৰডাক্চন কৰি আছে যদিও ব্ৰেক আপ হল ১০ হেজাৰ মেট্ৰিকটন। সেই কাৰণে এই উদ্যোগটোৱে লোকচান ভৰি আছে। ইয়াৰ ওপৰি বৰ্ত্তমান উদ্যোগটোৱে কোনো ব্ৰেক আদিব পৰা ওৱাৰ্কিং কেপিটেল পোৱা নাই। উদ্যোগটোৰ লচৰ এটি কাৰণ হল একচেচ মেনপাৱাৰ। এই উদ্যোটোত ১৯৮৬ চনলৈকে ৮০ জন কৰ্মীয়ে কাম কৰিছিল পিছে ১৯৮৬ চনৰ পৰা ১৯৮৯-৯০ চনৰ ভিতৰত ইয়াৰ সংখ্যা বাঢ়ি ১৪৮ হয়গৈ। বৰ্ত্তমানে চৰকাৰে ভলেণ্টিয়াৰি ৰিটায়াৰমেণ্ট স্কীম হাতত লৈ ইতিমধ্যে ৪৪'০০ লাখ চেংচন কৰিছে। কৰ্ম্মচাৰীৰ দৰমহাৰ বাবে প্ৰপজেল পোৱা হৈছে আৰু ১৯৯৫-৯৬ বছৰত ইয়াক দিবলৈ চেষ্টা কৰা হব। ইতিমধ্যে আমি ৰেজিষ্ট্ৰেচন স্কীম এটা এ, আই, ডি চিৰ পৰা পাইছো। এইটো চৰকাৰৰ বিবেচনাধীন হৈ আছে। অডিট ৰিপোৰ্ট'

★ Speech not corrected.

বিষয়ে চৰকাৰৰ ফালৰ পৰা যথাবিহীত ব্যৱস্থা লোৱা হব। ত্রিপুৰাৰ পৰা পোৱা অর্ডাৰ সম্পূর্ণৰূপে চাপ্লাই কৰিব পৰা নাই। ওৱর্কিং কেপিটেলৰ অভাৱৰ বাবে। মাননীয় গোস্বামী ডাঙৰীয়াই যিটো কথা কৈছে সেইটো চেংচনৰ অভাৱত কৰা হোৱা নাই। ইয়াৰোপৰি মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই এ, আই, ডি; চিত কৰা পৰিচালন সঞ্চালক গৰাকী আৰু বর্ত্তমান জনৰ কথা কৈছে। বর্ত্তমান সঞ্চালক গৰাকী হৈছে জীতেন শর্মা। মাননীয় সদস্য গৰাকীয়ে উত্থাপন কৰা বিষয়বিলাক চালি-জাৰি চাই বিহীত ব্যৱস্থা লোৱাৰ কাৰণে আমি চেষ্টা কৰিম। যদি তেনেকুৱা অন্যায়মূলক কাম হৈছে তাৰ ব্যৱস্থা নিশ্চয় লোৱা হব। ধন্যবাদ!

★ শ্রীহিতেন্দ্র নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, এ, জি, ৰিপোর্টত ১৪টা ডিফেক্ট দেখুওৱা হৈছে। মেনেজমেণ্ট ক্ষেত্রত লোকচানৰ কাৰণ হৈছে, পৰিচালন সঞ্চালকে গাফিলটি কৰা। সেইকাৰণে আপোনালোকে পৰিচালন সঞ্চালক নাথক প্রটেকচন দিব বিচাৰিছে। গতিকে এইটো তদন্ত কৰিব নে নাই? এই বিষয়ে স্পষ্টকৈ সদনত জনাব লাগে।

★ শ্রীবিজিত শইকীয়া (উদ্যোগ মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এইটোৱে যদি যুক্তি হয় তেতিয়া হলে উচিত ব্যৱস্থা লোৱা হব।

Mr. Speaker : Now, I call upon Shri Mohibul Haque to raise his Zero Hour Motion in regard to a news item published in "Ajir Batori" under the caption "প্রদূষনে বিপদাপন্ন কৰিছে জন স্বাস্থ্য"।

★ শ্রীমহিবুল হক : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৮ এপ্রিল তাৰিখে আজিৰ বাতৰিত প্রকাশিত "প্রদূষণে বিপদাপন্ন কৰিছে জনস্বাস্থ্য" শীর্ষক বাতৰিটো বিভাগীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। এই প্রদূষণে গোটেই অসমৰ জনসাধাৰণক দিনক দিনে কৰাল গ্রাসলৈ ঠেলি নিছে। আমি লক্ষ্য কৰিছো যে—প্রদূষণ নিয়ন্ত্রণ বিভাগে নিষ্ক্রিয় ভূমিকা পালন কৰা আৰু কোনো ধৰণৰ ব্যৱস্থা হাতত নোলোৱা আৰু সেই

★ Speech not corrected

বিভাগৰ কৰ্ম্মচাৰী সকলৰ চিন্তা চৰ্চ্চাৰ অভাৱ হোৱাটো আমাৰ পৰিলক্ষিত হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা জলন্ত উদাহৰণ দাঙি ধৰিব বিচাৰিছো, গুৱাহাটী মহানগৰীৰ পৰা মাত্ৰ ১০ কিঃ মিঃ পশ্চিম দিশত অৱস্থিত ধাৰাপুৰ চাৰি আলিত স্থাপিত হোৱা গোৱেঙ্কা উলেন মিলছৰ ৰাসায়নিক মিশ্ৰণযুক্ত দুৰ্গন্ধময় প্ৰদূষণে আবাসী সকলৰ জীৱন বিপদাপন্ন কৰি তোলাৰ লগতে দীপৰ বিলৰ পানী আৰু জলবায়ু প্ৰদূষিত কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, অকল সেয়ে নহয় ওচৰতে যি ৮খন বিল আছে সেই বিলৰ পানীত গোৱেঙ্কা উলেন মিলছৰ ৰাসায়নিক দ্ৰব্য মিলিত হৈ যায় তেতিয়া দীপৰ বিলৰ এক বিস্তৃত অঞ্চলত সিচৰতি হৈ দ ঠাইসমূহত থকা জলচৰ প্ৰাণী, মাছ, হাঁহ, চৰাই আদিৰ বিভিন্ন ধৰণৰ বেমাৰ হয়। মাননীয় অধ্যক্ষ মহোদয়, গোৱেঙ্কা উলেন মিলছৰ ৰাসায়নিক মিশ্ৰণযুক্ত দ্ৰব্য পানীৰ ধাৰা ভূপৃষ্ঠৰ তলৈলৈ গৈ অঞ্চলটোৰ পুখুৰী, নাদ, নদী-নাদৰ খোৱা পানীত মিশ্ৰিত হৈছে ফলত বিভিন্ন ধৰণৰ বেমাৰত আক্ৰান্ত হৈছে। মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে বহুতবাৰ স্পষ্টভাবে আলোচনা কৰা হৈছে। আমি আচৰিত হৈছো যে ৰাইজে আপত্তি কৰা স্বত্বেও এতিয়ালৈকে গুৱাহাটী প্ৰদূষণ নিয়ন্ত্ৰণ বিভাগে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। ইতি-মধ্যে বাতৰি কাকত সমূহত উলেন মিলছৰ বিষয়ে বহুবাৰ প্ৰকাশিত হৈছে যদিও চৰকাৰ বা বিভাগীয় কৰ্তৃপক্ষই কোনো বিহিত ব্যৱস্থা কাৰ্য্যকৰী নকৰাত ৰাইজে আশ্চৰ্য্য প্ৰকাশ কৰিছে। গুৱাহাটী মিউনিচিপাল কৰ্পোৰেচনৰ লগত প্ৰদূষণ নিয়ন্ত্ৰণ বিভাগৰ কৰ্তৃপক্ষৰ লগত কিবা বুজা বুজি আছে নেকি ? আমি তেনেকুৱা এটা ধাৰণা কৰিছো। গতিকে মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে এই প্ৰদূষণ নিয়ন্ত্ৰণ বিভাগক সক্ৰিয় কৰি তোলাৰ কাৰণে এই পশ্চিম দিশত অৱস্থিত ধাৰাপুৰ চাৰিআলি আৰু আজাৰা অঞ্চলৰ ৰাইজে অনুৰোধ জনাইছে। বিশেষকৈ উজনি অসমৰ কেৰাখনো ৰাতৰি কাকততো উল্লেখ হৈছে। অ, এন, জি, জিৰ কল-কাৰখানাৰ পৰাও বায়ু-পানী প্ৰদূষণ হৈছে ফলত ৰাইজৰ যথেষ্ট ক্ষতি হৈছে। প্ৰদূষণ নিয়ন্ত্ৰণ বিভাগে সক্ৰিয় ভূমিকা

★ Speech not corrected.

গ্রহণ কৰি অসমৰ জনসাধাৰণক ৰক্ষা কৰিব। এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

★ শ্রীহৰেণ ভূমিজ (মন্ত্রী): মাননীয় অধ্যক্ষ মহোদয়, শ্রীহক ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে, আজিৰ বাতৰি কাকতত প্রকাশিত "প্রদূষণে বিপদাপন্ন কৰিছে জনস্বাস্থ্য" বাতৰিটোৰ প্রতি চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। বর্ত্তমান তথ্যপাতি মোৰ হাতত নাই। যিহেতুকে মাননীয় সদস্যই বহুখিনি কথা উল্লেখ কৰিছে, গোৱেস্কা উলেন মিল আদিৰ কথাও কৈছে গতিকে এই সকলো বিলাক তথ্য সংগ্রহ কৰি প্রদূষণৰ কি ব্যৱস্থা লৈছে এই সকলো বিলাক চাই চিতি মই সদনত লিখিত ষ্টেটমেণ্ট অৱগত কৰিম।

★ শ্রীৰমেন্দ্র নাৰায়ণ কলিতা: মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয় মন্ত্রী মহোদয়ক মই ইয়াৰ লগতে এটা অনুৰোধ কৰিব খোজো। বিড়ো গাওঁত থকা চি, আই, চিট লিমিটেডৰ কাৰণে যি পলিউচন হৈছে, ইয়াৰ বিষয়ে মন্ত্রী মহোদয়ে তেখেতৰ ষ্টেটমেণ্টৰ ভিতৰত অন্তর্ভুক্ত কৰিব লাগে।

★ শ্রীবুবুল দাস: মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ লগতে মই মাননীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব খোজো যে হিন্দুস্থান কাগজ নিগমৰ পৰা যি পলিউচন হৈছে তাৰ বাবত ইমান দুর্গন্ধ হৈছে যে, সেই অঞ্চলেৰে বাছ আদি অহা যোৱা কৰাটো টান হৈ পৰিছে। এই দুর্গন্ধৰ উপৰিও সেই অঞ্চলত থকা মানুহ বিলাকৰ চর্মৰোগ হৈছে। এই ক্ষেত্রত মাননীয় মন্ত্রী মহোদয়ে কি ধৰণৰ ব্যৱস্থা গ্রহণ কৰিছে সদনত জনাব লাগে। তাৰোপৰি নিগমৰ কর্তৃপক্ষই কি ব্যৱস্থা লৈছে বা ব্যৱস্থা লৈছে নে নাই এই বিষয়ে পৰীক্ষা কৰি জনাব লাগে।

★ শ্রীমহিবুল হক: মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী জুইশালাৰ প্রধান উপাদান হৈছে বাকদ। ইয়াৰ কিছুমান বস্তুৰ ফলত পলিউচন হৈছে। ইয়াৰ কি ব্যৱস্থা লোৱা হৈছে মন্ত্রী মহোদয়ৰ বিবৃতিত জনাব লাগে।

★ শ্রীযতীন মালী: মাননীয় অধ্যক্ষ মহোদয়, পলিউচন সম্পর্কে যিবিলাক

★ Speech not corrected.

তথ্য চৰকাৰৰ ফালৰ পৰা ঘোষণা কৰা হৈছে, সেইবিলাক তথ্য শুদ্ধ নহয় বুলি খবৰ ওলাইছে। গতিকে মন্ত্রী মহোদয়ক এই কথাবিলাক চাবলৈ অনুৰোধ কৰিলো।

★ শ্রীকালিৰঞ্জন দেৱ : মাননীয় অধ্যক্ষ মহোদয়, হিন্দুস্থান পেপাৰ মিলৰ বহুত পলিউচন হৈছে।

মাননীয় অধ্যক্ষ : এইটো উঠিছে। Now Hon'ble Minister, Employment will made a statement.

STATEMENT BY MINISTER

★ Shri Silvius Condpan (Minister, Employment) : Mr. Speaker Sir, attention of the Government has been drawn to the news item published in "Dainik Sonar Cachar" dated 14-1-95 under caption "আত্মঘাটী শ্রীকান্ত : সরকার বেকার সমস্যা সমাধানে সচেষ্ট হবেন কবে ?" was raised by the Hon'ble Member Shri Samarendra Nath Sen, in the current session of Assembly, under Rule 301 of the Rules of Procedure and Conduct of Business of Assam Legislative Assembly.

Sir, in this connection the Government's statement is that the employment department is always having its net-work for looking into the interest of the job-seekers. This department does not provide any job, but it arranges the opportunity to the unemployed youths for getting their employment opportunity.

The Government has been critisised that the employment problem has not been solved properly. This is why the boy has committed suicide. But this is not

★ Speech not corrected.

a fact. The fact is that the Government have been trying to solve the unemployment problem in the State through various employment generation schemes initiated by the Government through various programmes of employment, self employment like SEEUY (Self Employment to Educated Unemployed Youth), Prime Minister's Rojgar Yojana, 20-Point Programme, Rehabilitation of Misguided Youths, TRYSEM (Training for Rural Youth for Self Employment) etc., a total number of 8,29,751 persons got engagement from 1-7-91 to 31-12-94 in wage paid employment, self employment and man days were created. Further to bring some relief to the graduate unemployed youths the State Government initiated a scheme for granting of unemployment assistance to these graduates. As such, it will be evident that the Government is very much concerned about the problem of unemployment in the State and remedial measures have been taken to the best extent possible. However, it is really very unfortunate that a young man had to commit suicide for want of a job if the news report is based on fact. So far our information goes the boy was having qualification of B.A., B.T. So it was not very difficult for him to seek a job having those qualifications for a post of Teacher under Education Deptt. However, our sympathies are with the members of the bereaved family for the loss of the precious life of a qualified young man.

With regard to the question of employment it is very much bigger in dimension and Government is always very sympathetic towards the unemployed youths.

DISCUSSION UNDER RULE 49

Mr. Speaker: Under Rule 49 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I call upon Hon'ble Leader of Opposition Shri Prafulla Kumar Mahanta who has given notice to raise his matter on Karbi Longpi Project.

★ শ্রীপ্রফুল্ল কুমাৰ মহন্তঃ মাননীয় অধ্যক্ষ মহোদয়, মই আধা ঘণ্টা ডিচ-কাচনৰ ভাগ লোৱাৰ আগতে ১০৫, ১০৬, ১০৭ৰ আধাৰত এখন দৰ্খাস্ত দিব বিচাৰিছো। ১২/৫/৯৪ তাৰিখেই অৱনী চঞৰৱৰ্তীক কিডনেপ কৰা হয় আৰু সেই বিষয়ে চৰকাৰক জনোৱা হয়। কিন্তু আজিলৈকে কোনো ব্যৱস্থা লোৱা হোৱা নাই। আৰু এখন দৰ্খাস্ত তেওঁলোকৰ ফালৰ পৰা দাখিল কৰা হ'ল। তেওঁক উদ্ধাৰ কৰাৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা কি ব্যৱস্থা লৈছে আৰু যদি ব্যৱস্থা লোৱা নাই অতি সোনকালে চৰকাৰৰ ফালৰ পৰা বিভাগক ইয়াৰ ব্যৱস্থা লবলৈ নিৰ্দেশ দিবলৈ বুলি আবেদন কৰিছে।

যোৱা চাৰি এপ্ৰিল তাৰিখে শক্তি দপ্তৰৰ মন্ত্ৰীয়ে এটা প্ৰশ্নৰ উত্তৰত বিধান সভাত কৈছিল কাৰ্বি লংপি হাইড্ৰেল প্ৰজেক্টত ১৩ বছৰত এ, ই, চি, বিয়ে ১৭৫ কোটি টকা খৰছ কৰিছিল। কিন্তু ইয়াৰ শতকৰা ৪০ ভাগ কাম সম্পূৰ্ণ হৈছে। এইখিনি সম্পূৰ্ণ হোৱাৰ পাচত এম, ও, ইউ চাইন কৰা হৈছে। ইয়াত ১১৬ কোটি টকা এক্সপেনডিচাৰ দেখুৱা হৈছে। ১০০ মেগাৱাট পাৱাৰ প্ৰজেক্টত চেণ্টেল ইলেটি চিটি অথ'বিটি মতে ৫০০ কোটি টকাত সম্পূৰ্ণ হব লাগে। ভেলুৱেচন এইটো ৩০০ কোটি টকা কেনেকৈ হ'ল ? কি ধৰণে লৈছে ? ইয়াত ৫৯ কোটি টকা খৰছ

★ Speech not corrected

বঢ়াই দিয়া হ'ল। ইয়াৰ পাচত আকৌ ১১৬ কোটি টকালৈ ৱিডিউচ কৰা হ'ল। ইয়াৰ পাচত যিজন চেয়াৰমেন আছিল তেতিয়া এ, জিয়ে অৱজেকচন ধৰিছিল যে এইটো কেনেকৈ হ'ল? যি খন চিঠি এ, জিয়ে লিখিছিল তাত লিখা আছিল যে এই সঠিক খৰছ দিছিল ৫০ কোটি টকা। তেওঁলোকে তাত ধৰা নাই। বৰ্ত্তমান প্ৰশ্ন হ'ল ৫৯ কোটি টকা কি হ'ল? এম, ও, ইউৰ এষ্টিমেট ভেলু আছিল ৬০ কোটি টকাত প্ৰজেক্ট সম্পূৰ্ণ হ'ব বুলি কৈছিল। চেণ্ট্ৰেল ইলেকট্ৰিচিটি অথ'ৰিটিয়ে ১৫৪ কোটিলৈ বঢ়াব লগা হ'ল। এইটো কিয় কৰিব লগা হ'ল? কিন্তু ইয়াৰ টোটেল হৈছে ১৫৪ কোটি টকা। এই গোটেই বিষয়টো তদন্ত কৰিব লাগে। এইটো তদন্ত কৰা হ'ব নে নহয়, জনাব লাগে। হয় এইটো হাউচফেডক দিয়ক নহলে চি, বি, আইক দিয়ক। ইয়াৰ খৰছ কেনেকৈ বাঢ়িল? খৰছ কমাবলৈ গৈ কেনেকৈ খৰছ বাঢ়িল? এইটো কেনেকৈ হ'ল?

মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিটো ডিফাৰেন্স অব এমাউণ্ট দেখা গৈছে যেনে ৫০ কোটি যোগ ৫৪ কোটি সমান ১০৪ কোটিৰ ঠাইত ১৯৪ কোটি টকা, এই ডিফাৰেন্সটো মন কৰিবলগীয়া, গতিকে এই গোটেই বিষয়টো শক্তি বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই তদন্ত কৰি সদনত জনাব লাগে। ইয়াৰ উপৰিও পাওৱাৰ টেৰিফৰ কথাও আছে, তাত দেখুৱা মতে ৬০ পইচাৰ ঠাইত ১'৫০ পইচা আকৌ ১৯৪ কোটি টকা আদায় কৰাৰ বেলিকা ১'৫০ ৰ ঠাইত দুটকা হ'ব। হিচাবটো ১৩ বছৰৰ মূৰত দেখুৱাইছে গতিকে এই বিষয়েও শক্তি মন্ত্ৰীয়ে স্পষ্ট ভাবে জনাব লাগে। ইয়াৰ পাচত এ, এচ, ই, বিয়ে ষ্টে অব অবজেকশ্যন দিছিল আৰু কৈছিল এতিয়ালৈকে কি খৰচ কৰা হৈছে। ১২ কোটি টকা খৰচ কৰিছে, পানী উলিয়াই দিয়াৰ ক্ষেত্ৰত কোনো পইচা খৰচ কৰা হোৱা নাই। কিন্তু বিভিন্ন বিষয়া আৰু চোৰ্ৰ পৰা গম পোৱা গৈছে ইয়াত যিটো খৰচ দেখুৱাইছে সেইটো ফলচ্ বিল দাখিল কৰিছে, এই কথাটোও শক্তি মন্ত্ৰীয়ে তদন্ত কৰি চাব লাগে। শক্তি দপ্তৰৰ মন্ত্ৰী ডাঙৰীয়াই

সদনত কৈছিল যে এই পাওৱাৰ প্ৰজেক্টটো জুন, ১৯৯৬ চনত সম্পূৰ্ণ হ'ব। কিন্তু এ, এচ, ই, বিয়ে জনোৱা মতে লংপী প্ৰজেক্টটো ডিচেম্বৰ ১৯৯৬ চনতহে সম্পূৰ্ণ হোৱা সম্ভাৱনা আছে। আনহাতে এক্সপাৰ্টে জনোৱা মতে ১৯৯৭/৯৮ চনতহে সম্পূৰ্ণ হ'ব পাৰে, গতিকে সেই বিষয়েও স্পষ্টকৈ জনাব লাগে। তাৰোপৰি কোম্পানীৰ লগত যি খন 'ডীড' তৈয়াৰ কৰা হৈছে সেইখন বিনা ৰেজিষ্ট্ৰেশ্যন ফীজৰে তৈয়াৰ কৰিছে। ইমান বৃহৎ পৰিমাণৰ ৰাজহ কি কাৰণত ৰেহাই দিয়া হ'ল, ফলত চৰকাৰে এটা মোটা পৰিমাণৰ ৰাজহ হেকৰাব লগীয়া হৈছে। তাৰোপৰি জনামতে সুভাষ ট্ৰেডিং কোম্পানী বোলা যিটো কোম্পানীক দিয়া হৈছে সেই কোম্পানীটোয়ে নামটো সলনি কৰি এই কামটোৰ দায়িত্ব লৈছে। অকল সেয়ে নহয় এই কোম্পানীটোয়ে বেলেগ বেলেগ নামত উত্তৰ প্ৰদেশ বিহাৰ আদিতো চুক্তি কৰিছে, এই বিষয়ে আমাৰ খবৰ আছে। মই বৰ দীঘলীয়া কৰিব বিচৰা নাই। গতিকে এই গোটেই বিষয়টোৰ ওপৰত বিশেষকৈ এম, ও, ইউ ৰ ওপৰত যি খিনি বুজাপৰা হৈছে এই বিষয়টোৰ ওপৰত এটা ৰিপোৰ্ট সদনত দাখিল কৰিব লাগে আৰু ইতিমধ্যে কেনেধৰণৰ ব্যৱস্থা চৰকাৰৰ ফালৰ পৰা লোৱা হৈছে সেই বিষয়ে সদনত জনাব লাগে।

✱ শ্ৰীদেবানন্দ কোৱঁৰ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলৰ দলপতি মাননীয় সদস্য প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই যিটো কথা সদনত উল্লেখ কৰিছে কাৰ্বী লংপী প্ৰজেক্টৰ ওপৰত বহু কথাই আলোচনা কৰিছে, বিশেষ দুটা বিষয়ৰ ওপৰত তেখেতে কৈছে। তেখেতে যিটো এমাউণ্টৰ কথা কৈছে সেইটো এম, ও, ইউত দিয়া আছে আৰু তাত কিমান টকা খৰচ হ'ব আৰু সম্পূৰ্ণ কেতিয়া হ'ব সেইটোৰ ওপৰতহে দিয়া আছে কিন্তু আমাৰ ডি, পি, আৰত ডিটেইলচটো দেখুৱা হৈছে। Preliminary estimated amount is 60 crores -175 crores. This has been reduced to 116 crores whereas the estimated amount thought to be required for the completion of

✱ Speech not corrected

the projeet. এ, এচ, ই, বিৰ ফালৰ দুজন আৰু সুভাষ ট্রেডিংৰ ফালৰ পৰা ৪ জন, মুঠ ৬ জন বিষয়াই কামটো প্রিপিয়াৰ কৰিছে। ইতিমধ্যে ১১৬ কোটি টকা খৰছ দেখুৱাইছে। ইয়াত চৰকাৰে কৰিব লগীয়া একো নাই। ১৩ কোটি টকা এ, এচ, ই, বিয়ে দিছিল আৰু ডি, পি, আৰ দাখিল কৰিছিল চৰকাৰে এইটোৰ ক্লিয়াৰেন্সৰ কাৰণে চেণ্ট্রেল ইলেকট্রিচিটিলৈ পঠিয়াই দিছে, এতিয়া সেইটো 'স্কুটিনি' হৈ আছে। Estimated project has been increased from 94 crores to 160 crores. ASEB is the form of Government of Assam or Government of Assam itself.

তেওঁলোকে এইটো চাইছে আৰু পৰীক্ষা কৰিছে, ডি, পি, আৰ চহী কৰি চৰকাৰলৈ পঠাইছে। তেওঁলোকে অনুমোদন জনাইছে। শ্রীমহন্ত ডাঙৰীয়াই আৰু কেইটামান কথা কৈছিল। চেয়াৰমেনে কোৱা বুলি যিটো কথা কোৱা হৈছে চৰকাৰে এইখিনি এ, এচ, ই, বিক আপত্তি দিয়াৰ কাৰণে নির্দ্দেশ দিয়া নাই। এইটো কি কাৰণে কৰিছে সেইটো সঠিক ভাৱে এতিয়া ক'ব নোৱাৰো, এইটো আমাৰ দৃষ্টিগোচৰ হৈছে Even in respect of transaction by Government undertakings বুলি কৈছে এইটো প্রযোজ্য হয় নে নহয় সেইটো বিবেচনা কৰিব পৰা যাব। চৰকাৰে তেওঁলোকক ৩০ জুন ১৯৯৬ চনত সময় বান্ধি দিয়া নাই, দিছে ডিচেম্বৰ ৩১, ১৯৯৬। শ্রীমহন্তই চৰকাৰে জুনৰ পৰা সময়, বঢ়াই দিয়াৰ কথাটো কিয় কলে নেজানো। এ, এচ, ই, বিয়ে আলোচনা কৰি এম, ও, ইউ, চহী কৰিছে যোৱা ২৫ মার্চ, ১৯৯৩। ডি, পি, আৰ আৰু পি, পি, আৰ চাবমিট কৰিছে। cost aprisal বাঢ়ি যোৱা বুলি কৈছে। এইটো আমি বিবেচনা কৰি চাব লাগিব।

(ভইচ : বিবেচনা নহয় এইটো ৰি-একজামিন কৰিব লাগে)

এইটো ৰি-একজামিন কৰি চাব লাগিব।

★ শ্রীপ্রফুল্ল কুমাৰ মহন্ত : ডি, পি, আৰ সম্পর্কত উঠা অভিযোগ পৰীক্ষা কৰি কাৰেক্ট কৰিব লাগে আৰু গোটেইখিনি পৰীক্ষা কৰি আপুনি আমাক জনাব লাগে।

★ Speech not corrected.

★ শ্রীদেবানন্দ কোঁৱৰ (মন্ত্রী) : অধ্যক্ষ মহোদয়, এইটো ৰি-একজামিন কৰিব লাগিব এচ, পি, এম এল কোম্পানীৰ তলত আৰু বহুতো প্রজেক্ট আছে। যেনেকৈ বিৰলাৰ তলত বহুটো কোম্পানী আছে।

★ শ্রীপ্রমোদ গগৈ : অধ্যক্ষ মহোদয়, মন্ত্রীয়ে নেজানো বুলি কৈছে। কিন্তু এম, ডি, চেঠীয়ে কৈছে যে তেওঁলোকে অসমত যোৱা ৩৮ বছৰ ধৰি অসমৰ বিভিন্ন বিভাগত যেনে গড়কাপ্তানী, পি, এইচ, ই আদিত ঠিকা ঠুকলিৰ কাম কৰি আহিছে।

★ শ্রীদেবানন্দ কোঁৱৰ (মন্ত্রী) : অধ্যক্ষ মহোদয়, ৩৮ বছৰ মই এইখন মন্ত্রীসভাত নাছিলো। এচ. পি, এম, এল কোম্পানীয়েও বিভিন্ন নামত তেওঁলোকৰ তত্বাবধানত, ইয়াৰ বিভিন্ন কাম কৰিব পাৰে।

★ শ্রীপ্রমোদ গগৈ : অধ্যক্ষ মহোদয় এই কোম্পানীয়ে ৩৮ বছৰ অসমত কাম কৰিছে সুভাছ ট্রেডিং নামেৰে। তেখেত মন্ত্রী নেথাকিলেও চৰকাৰ সদায় চলি আহিছে। On behalf of the Government, they should know the facts.

★ Shri Debananda Konwar (Minister) : Yes, may be black listed but I have no information about this. If Hon, ble Member has any documents, it may be placed in this House. It is welcomed and I will be greatly benefitted if Hon'ble Member has any information with regard to the black-listing of the Company, viz., Subhash Project and Marketing Limited. Subhash Trading is another Company. I am speaking about Subhash Project and Marketing Limited with which only the Government of Assam and ASEB has formed a Joint Vanture Project i. e., Bharat Hydro- Power Corporation.

★ শ্রীৰমেন্দ্র নাৰায়ণ কলিতা : অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে এখন সদন কমিটি গঠন কৰাৰ কাৰণে টান পাইছে, গতিকে বিষয়টো তেখেতে চি, বি, আইক অনুসন্ধান কৰিবলৈ দিব পাৰে।

★ Speech not corrected.

★ শ্রীহলিৰাম টেৰাং : অধ্যক্ষ মহোদয়, ইয়াত যিখিনি কথা উত্থাপণ কৰা হৈছে সেইখিনি মন্ত্রী মহোদয়ে নিজে অস্বীকাৰ কৰা নাই। তেখেতে ডিনাই কৰা নাই। whether legally or morally Government. is responsible or not. ঠিকা কোনে কৰিব সেইটো বেলেগ কথা কিন্তু এটা ব্লেক লিষ্টেড কোম্পানীক চৰকাৰে কাম কৰিবলৈ দিয়াটো হয়নে নহয়? মন্ত্রী মহোদয়ে কৈছে যে এইটো কথাৰ ওপৰত একজামিন কৰি আছে। এই ক্ষেত্রত যথেষ্ট কণ্ট্রভাচি হৈছে। ইয়াৰ আগতেও এই বিষয়টো জিৰ' আৱাৰত ২-৩ ঘণ্টা ধৰি আলোচনা বিলোচনা কৰা হৈছিল, আজি পুনৰ উঠিছে।

মাননীয় অধ্যক্ষ : এতিয়াও এই বিষয়টোৰ ওপৰত আধাঘণ্টা সময় ধৰি আলোচনা কৰা হৈছে আৰু সময় দিব নোৱাৰি, আজি চেনচৰ মোচনো আছে।

★ শ্রীহলিৰাম টেৰাং : অধ্যক্ষ মহোদয়, মই বেছি নকও I am not taking time এচ, পি, এল, বা বি, এইচ, পি, চি সম্পর্কত যিমান তথ্যপাতি ওলাইছে Why not the house be allowed to re-examine it. হাউচ কমিটি এখন পাতি বিষয়টো অনুসন্ধান কৰি চাবলৈ দিব লাগে।

★ Shri Hitendra Nath Goswami : Mr. Speaker Sir, you can pass a rulling on that.

মাননীয় অধ্যক্ষ : মন্ত্রীয়ে বিষয়টোৰ ওপৰত উত্তৰ দিয়াৰ পিচত এনে কথা নাহে।

★ Shri Debananda Konwar (Minister) : The Govt. so more interested to complete the project. মাননীয় বিৰোধী দলৰ দলপতি শ্রীমহন্ত ডাঙৰীয়াই যিটো কৈছে সেইটো মই ৰি-একজামিন কৰি চাম। We will get it re-examined. At this stage we do not feet to setup a House committee.

★ Speech not corrected.

Mr. Speaker : I have received a notice of breach of privilege under Rule No. 158, 159 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly dated 10 th April, 1995 from Hon'ble Member, Shri Hitendra Nath Goswami. and Smti Renupoma Rajkhowa against the Hon'ble Minister, Higher Eduction. Now, I call upon Sri Hitendra Nath Goswami to move the notice.

✱ Sri Hitendra Nath Goswami : Mr. Speaker Sir, I read out the notice of Breach of Privilege Motion.

"To,

The Hon'ble Speaker,
Assam Legislative Assembly,
Dtd. Dispur the 10 th April/95.

Sub . Notice under Rule 158, 159 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly.

Sir,

The Hon'ble Minister, Higher Education in replying to the Zero Hour Notice in regard to the subject "Opening P. G. Classes in Jorhat science college" on the notice given jointly by the undersigned on 22. 3. 95 has sought your permission to lay a statement on the matter at a later date. Accordingly, the Hon'ble Minister laid a statement on the subject after one week which was circulated to all the Members.

It is clear that the Hon'ble Minister was not ready with facts and figures which are essential in giving reply to our notice on 22. 3. 95 and naturally we expected

✱ Speech not corrected.

a clear statement based on facts from the Minister on the subject when he was allowed to lay the statement at a later date.

However, the statement of the Minister subsequently given was not only wrong but the same was done deliberately made to mislead the House.

In his statement the Minister stated that.

1. The Science College authorities has given advice to open PG Classes in Mathematics along with permission to open undergraduate level courses in Statistics, Electrcnics, Computer, Zoology and Botany in the College and to implement the advice College authorities has been asked to seek permission from Dibrugarh University.
2. It is categorically mentioned that the College authorities is being asked to seek permission from the D. U to open P. G. Course in Mathematics.
3. The Government has earmarked an amount of Rs. 4 lakhs in the State Budget under P. W. D for construction of Hostel for students.

Sir, the answer is totally misleading and the same is made deliberately to mislead the House in as much as, in regard to the so-called "advice to open undergraduate classes. The college authorities has given reply to the same way back on 24.6.91 after getting reply from the University on the subject. Subsequent reminders were also sent by the College authorities

on 24.6.91, 4.8.93 and even of 7.3.95. All these letters, inter alia, clearly mentioned that to open the undergraduate courses the College was waiting to get required financial support from the Government, which was not coming and in regard to opening PG Classes in Mathematics the State is required to move the University authorities itself but the State Government did nothing for unknown reasons.

Again we have gone through carefully the State Budget proposal of both PWD and Education Department and we did not find any mention about the "4 Lakhs" proposal mentioned in the statement to construct Hostel specifically for Jorhat Science College.

As such, the Hon'ble Minister even after getting sufficient time to lay the statement on the subject has deliberately laid a wrong statement only with an intention to mislead the House which amount to breach of Privilege and therefore, a notice, accordingly, is given to you under Rule 158 and 159 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly for your immediate consideration and necessary action thereon.

Your's faithfully,
Sd/ Hitendra Nath Goswami.
Sd/ Renupoma Rajkhowa."

মাননীয় অধ্যক্ষ মহোদয়, মই ষ্টেটমেণ্ট তিনিটাৰ কথা কব খুজিছো। মন্ত্রী মহোদয়ে যোৰহাট বিজ্ঞান মহাবিদ্যালয়ৰ ক্ষেত্রত যি ষ্টেটমেণ্ট এক

সপ্তাহ পিছত লে' কৰিছে। প্ৰথমতে আণ্ডাৰ গ্ৰেজুৱেট কলেজ সম্পৰ্কে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে কৈছে। এই ক্ষেত্ৰত ১৯৯০ চনতে ইউনিভাৰচিটি অথৰিটিয়ে শিক্ষা বিভাগক দিছে। আৰু ১৯৯১ চনতে শিক্ষা বিভাগে জনাইছে। সেই বিষয়ৰ কাগজ মোৰ হাতত মজুত আছে। ২৮ চেপ্তেম্বৰ ১৯৯০ চনত আন্দাৰ গ্ৰেজুৱেট কলেজ ডিব্ৰুগড় ইউনিভাৰচিটিয়ে দিয়াৰ পিছত। তেখেতে যিটো কৈছে সেইটো অসত্য তথ্যৰ ওপৰত প্ৰতিষ্ঠিত। দ্বিতীয়তে, মেথমেটিকছত পোষ্ট গ্ৰেজুৱেট ক্লাছ খোলাৰ ক্ষেত্ৰত অথৰিটিয়ে ২৪-৬-৯১ তাৰিখে ডিব্ৰুগড় ইউনিভাৰচিটিয়ে কৈছে পোষ্ট গ্ৰেজুৱেট কলেজ খুলিব নোৱাৰে। চৰকাৰৰ শিক্ষা বিভাগে লিখিব লাগিব। এইটো ২৪-৬-৯১ তাৰিখত জনাইছে। তৃতীয়তে, ৪ লাখ টকা যোৰহাট বিজ্ঞান মহাবিদ্যালয়ৰ নিৰ্মাণৰ বাবে দিয়া হব বুলি কৈছে। আপোনালোকে বাজেট চাওক, বাজেটত বিজ্ঞান কলেজৰ কোনো কথা নাই। কনষ্ট্ৰাক ছনৰ কোনো কথা উল্লেখ নাই। মন্ত্ৰী মহোদয়ে ১৯৭১ চনতে স্থাপিত হোৱা এখন কলেজৰ ক্ষেত্ৰত কিবা কৰিব নোৱাৰে নাই। তেখেতে এই ক্ষেত্ৰত ভুল ষ্টেটমেণ্ট দি হাউচক মিছলিদ কৰাৰ অধিকাৰ নাই। কোনো ক্ষেত্ৰতে আভুৱা ভৱা দিয়া তথ্য দি সদনৰ মৰ্য্যদা ক্ষুন্ন কৰা উচিত নহয়। ইয়াৰ ফলত সদনৰ গুৰুতৰ হানি হব। ইতিমধ্যে এইটো প্ৰমাণ হৈছে। গতিকে মই ভাবো মন্ত্ৰী মহোদয় স্পষ্ট ভাবে জগৰীয়া। সেই কাৰণে মোচন এদমিট কৰিবলৈ আপুনি কব লাগে। সদনক মিছলিদ কৰিছে গতিকে এই ক্ষেত্ৰত ব্ৰিচ্ অব্ প্ৰিভিলাইজ আনিব লাগে।

Mr. Speaker : Now, Hon'ble Minister, Parliamentary Affairs to speak.

★ Shri Golok Rajbongshi (Minister, Parliamentary Affairs) : I am not going to the merit of the Privilege Motion. I am speaking about the procedure which the Hon'ble Member is well conversant with the Rules and Regulations. How, to bring a motion of breach of privileges against the

★ Speech not corrected

Member. It is clearly defined in our Rules 88. Rules :- Special Procedure relating to complaint against a Member. I am a Member. Rule 167 Special procedure relating to complaint against Members. Notice to Member complained against. 176. Rule

Where the complaint is to be made against a Member, the Member should be given prior notice by the complaint, petitioner or Secretary of the Committee as the case may be. In case no prior notice has been given, the House may adjourn the consideration of the matter till notice is given to the Member concerned or it may decline to entertain the complaint. The Member complained against shall attend the House in his place on the day fixed by the House or proposed by the complaint, as the case may be. If he is unable to attend, the House may further postpone the consideration of the matter, but if he is in the opinion of the House wilfully absents himself, the House may proceed with the matter in his absence.

★ শ্রীহিতেন্দ্র নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে যিটো কলৰ কথা উল্লেখ কৰিছে সেইটোত নোটিচ এখন গ্রহণ কৰাৰ ক্ষেত্রত তেখেতে কৈছে নোটিচ দিব লাগে। নোটিচ দিয়া হৈছে। তেখেতে বিচিপট নকৰিব পাৰে। আপোনাৰ তাৰৈ নিশ্চয় নোটিচ গৈছে।

★ Shri Golok Rajbongshi (Minister, Parliamentary affairs) : It is clear, I have not received any notice and so it should be dismissed.

★ Speech not corrected.

★ Shri Hitendra Nath Goswami : I complained against the minister. I have already given notice to him in his office. How can you know whether he received. আপুনি কল চাওক। তেখেতক নোটিচ দিয়া হৈছে। তেখেতে যদি সেই কথাটো উৱাই দিয়ে তেতিয়া কব লগা নাই। অধ্যক্ষ মহোদয় এই ক্ষেত্রত একজামিন কৰি কলিং দিব লাগে।

★ ডঃ জয়নাথ শর্মা : অধ্যক্ষ মহোদয় এইটো এটা ইম্পৰটেণ্ট্ বিষয় গতিকে কব দিব লাগে ।

মাননীয় অধ্যক্ষ : ইয়াত সকলো কথাই ইম্পৰটেণ্ট্।

★ ডঃ জয়নাথ শর্মা : অধ্যক্ষ মহোদয়, হাউচত ভুল উত্তৰ দিয়াত ব্রিচ্ অৱ প্রিভিলাইজ নহয় নেকি ?

★ Shri Hitendra Nath Goswami : I have given the notice and the same has been received by your office. I given a photocopy of the notice in the Minister's Chamber.

★ Shri Golok Rajbongshi (Minister, Parliamentary Affairs) : I have cited Rule 167 of the Rules of Procedure and Conduct of Business in Asssam Legislative Assembly.

Discussion on the Censure Motion

Mr. Speaker : With very attention I have heard the submission of Shri Goswami and the Minister of Parliamentary Affairs, so I reserve the ruling. I inform the House that the discussion on the Censure Motion will be held at 4 P. M. today positively. It will require enough time but one hour time will be given. এঘণ্টা সময় লাগিব। আপোনালোকে ঠিক কৰি লব।

Shri Prafulla Kumar Mahanta : Sir, How much time will be given for each party ?

★ Speech not corrected.

মাননীয় অধ্যক্ষ : আপোনালোকে সময়টো ঠিক কৰি লব। এটা এটা কৰি লব।

শ্রীপ্রফুল্ল কুমাৰ মহন্ত : মুখ্য মন্ত্রী নাই।

★ শ্রীনগেন শর্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, অসম মন্ত্রী সভাৰ তিনি গৰাকী মন্ত্রী যথাক্রমে বন বিভাগৰ মন্ত্রী, গড়কাপ্তানী বিভাগৰ মন্ত্রী আৰু ডব্লিও পি, টি এণ্ড বি চি মন্ত্রীৰ বিৰুদ্ধে ভৎর্সনা প্রস্তাৱ আজি উত্থাপন কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, অসমত চলা দুর্নীতি, বনাঞ্চল ধ্বংস যজ্ঞ, গড়কাপ্তানী বিভাগৰ অনিয়ম আৰু দুর্নীতিৰ পৰিপ্রেক্ষিতত আজি এই ভৎর্সনাৰ প্রস্তাৱ উৎথাপন কৰা হৈছে। প্রথমতে মই বনাঞ্চলৰ ধ্বংস যজ্ঞ, অবাধ দুর্নীতি, বন্য জন্তু ধ্বংস, অসমৰ পৰিৱেশ নষ্ট কৰা সম্পর্কত এখন স্মাৰক পত্রৰ কথা উল্লেখ কৰিব বিচাৰিছো। ইয়াৰ আগতে ফেণী কমিটিয়ে ৰিপোর্ট দিছিল। ৰিপোর্টত কোন কোন বিষয়াক দোষাৰোপ কৰা হৈছে সেই বিষয়ে বন বিভাগৰ মন্ত্রীয়ে নিশ্চয় ভালকৈ জানে। এইখন বন বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্রী আৰু ৰাজ্যিক মন্ত্রী হুদা ডাঙৰীয়াক দিছিল। মেঘালয়ৰ প্রাক্তন মুখ্য বন সংৰক্ষক, অসমৰ প্রাক্তন মুখ্য বন সংৰক্ষক হাজৰিকা আৰু পি, চি গোস্বামীয়ে দিছিল। এইখন কিয় দিছিল? বনাঞ্চলত চলা অবাধ ধ্বংস যজ্ঞ ৰোধ কৰিবৰ কাৰণে, অবৈধ গছ কটাৰ পৰিপ্রেক্ষিতত প্রায় ১১ টা দাবী সম্বলিত এখন স্মাৰক পত্র ১৭-৫-৯৩ তাৰিখে দিছিল। বন বিভাগ কি ধৰণে চলিছে তাৰ উদাহৰণ ইয়াত দাঙি ধৰিব বিচাৰিছো। সর্ব্বভাৰতীয় ভিত্তিত শতকৰা ৩৩ ভাগ বনাঞ্চল থাকিব লাগে। কিন্তু বন বিভাগৰ প্রতিবেদনত উল্লেখ আছে যে অসমত ২২ ভাগ বনাঞ্চল আছে আৰু ইয়াৰে ১২ ভাগ অবৈধ ভাৱে দখল কৰিছে। ১৯৯১-৯২ চনত গছ কাটিবলৈ দিয়া হৈছিল ১ কোটি ৭৫ লাখ ৩ হাজাৰ ৫০ টকা, ১৯৯২-৯৩ চনত দিয়া হৈছিল ১ কোটি ৯১ লাখ ১ হাজাৰ ৫৮ টকা, ১৯৯৩-৯৪ চনত ২ কোটি ২৬ লাখ ৯৫ হাজাৰ টকাৰ গছ কাটিবলৈ দিয়া হৈছিল। অকল সেয়ে নহয় বন বিভাগত ১৯৯১-৯২ চনত ৩ কোটি ২০ লাখ ৭৬ হাজাৰ ৪২৭ টকা ৰেলৰে বিভাগক শ্লীপাৰ আৰু লগ কাটিবলৈ দিয়া হৈছিল। ১৯৯২-৯৩ চনত ১২ কোটি ৯৭

★ Speech not corrected

লাখ ১৫ হাজাৰ ৬২৭ টকা শ্লীপাৰ আৰু লগ কাটিবলৈ দিয়া হৈছিল। ১৯৯৩-৯৪ চনত ২২ কোটি ৬২ লাখ ৭২ হাজাৰ টকাৰ আৰু ১৯৯৪-৯৫ চনত ৪৬ কোটি ৭ লাখ ৭৬ হাজাৰ ৭ শ টকাৰ গছ কাটিবলৈ দিয়া হৈছিল। ইয়াৰোপৰি বাবুল ডেকা নামৰ এগৰাকী লোকক বিশেষ ভাৱে ২ হাজাৰ ৫৪ কিউবিক মিটাৰ কাটিবলৈ দিয়া হৈছিল। এনে ধৰণে সমগ্ৰ বনাঞ্চল ধ্বংস কৰিবলৈ দিয়া হৈছে। সেই কাৰণে আমি দেখিবলৈ পাইছো ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈ অসমৰ সকলোবোৰ বাতৰি কাকতত প্ৰতি দিনে বিভিন্ন ধৰণৰ বনাঞ্চল ধ্বংসৰ বাতৰি আহি আছে। মই এটা উদাহৰণ দাঙি ধৰিছো। কোকৰাঝাৰত ৰেষ্টোৰেচন স্কীমত ১৯৯১ চনত ৬ কোটি টকা ধাৰ্য্য কৰা হৈছিল। সেই সময়ত থকা প্ৰিঞ্চিপাল চি, চি, এফে এই নিৰ্দ্দেশ ১৯৯০ চনত দিছিল। কি নিৰ্দ্দেশ দিছিল। কচুগাওঁ ফৰেষ্টত ৬ হাজাৰ হেক্টৰ নতুনকৈ প্লেনটেচন কৰা হ'ব আৰু পুৰণা গছবিলাক কটা হ'ব। আৰু ইয়াৰ বিনিময়ত তাত প্ৰায় ৬ হেজাৰ হেক্টৰৰ ভিতৰত ৬০ হাজাৰ ৬ শ হেক্টৰ মাটি বনাঞ্চল আছিল। এই বনাঞ্চল কাটিবলৈ দিয়া হৈছে এগৰাকী প্ৰখ্যাত ব্যৱসায়ীক। সেইজন হৈছে বেদ প্ৰকাশ লয়েল। তেতিয়াৰ চি, চি, এফ জনে কোকৰাঝাৰ জিলাত এটা চ'মিল আছে বুলি কৈছিল কিন্তু তাত চ'মিল নাছিল। ৫ হেজাৰ কিউবিক মিটাৰ হাৰিয়ানালৈ লৈ যোৱা হৈছিল। ইয়াৰ ফলত আমাৰ ১ কোটি ৯০ লাখ ৰাজহ হানি হৈছে। ইয়াৰ ৰিপোৰ্ট ইতিমধ্যে বিভাগীয় বিষয়াই নিশ্চয় পাইছে। উপাধ্যক্ষ মহোদয়, কেৱল সেয়ে নহয় ১৯৯৩ চনত কামৰূপ জিলাৰ ইষ্ট ডিভিজনত ২ হেজাৰ ৬ শ কিউবিকমিটাৰ গছ কাটিবলৈ দিয়া হৈছিল কিন্তু ইয়াৰ বিপৰীতে ৭ হেজাৰ ৩ শ কিউবিকমিটাৰ গছ কটা হৈছিল। সমগ্ৰ ৰাণী অঞ্চলতে গছ কাটি ধ্বংস কৰিছে। সেই এলেকাত এতিয়া এজোপাও গছ নাই। সেই গছ অবাধে ৰাণীৰ পৰা মেঘালয়লৈ লৈ গৈ আছে। যোৱাৰ সময়ত এখন মটৰ চাইকেলত দুজন যুৱক উঠি পাচত এখন এম্বেচেডৰত অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হৈ অবাধ গতিত ৰাণীৰ পৰা কাঠ লৈ গৈ আছে। সেইদৰে ওৱেষ্ট ডিভিজনটো

৬ শ ৪৫ কিউবিকমিটাৰৰ বিপৰীতে কাঠ কাটিবলৈ দিয়া হৈছিল ৭ শ ১০ কিউবিকমিটাৰ। কচু গাৱটো ৬ হাজাৰ ২ শ কিউবিক মিটাৰ গছ কাটিবলৈ দিয়া হৈছিল কিন্তু তাৰ বিপৰীতে কটা হল ৯ হেজাৰ ৩ শ কিউবিকমিটাৰ। (Mr. Speaker vacated the Chair and Mr. Deputy Speaker occupied it.)

উপাধ্যক্ষ মহোদয়, ডিব্রুগড় জিলাৰ চৰাইপুং এলেকাৰ কথা সকলোৱে জানে তাৰ পৰা অসংখ্য শাল গছ আৰু চেগুণ গছ কাটি লৈ গৈ আছে। তাত ৪ টা বেঞ্জ অফিচ আছিল। তাৰে ৩ টা বেঞ্জ অফিচ উঠাই দিয়া হৈছে। মাত্ৰ ১২ জন কৰ্মচাৰীয়েহে তাত কাম কৰি আছে। ইমান এটা বৰ্গ ফুট এলেকাত ১২ জন কৰ্মচাৰীয়ে ৰক্ষনা-বেক্ষন দিয়াটো সম্ভৱপৰ নহয়। কিন্তু তাত ওপৰৱালাৰ আশীৰ্বাদ পাইছিল কাৰণে অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হৈ সেই বনাঞ্চলৰ পৰা অবাধে গছ কাটি লৈ বনজ সম্পদ লুণ্ঠন কৰা হৈছে। উপাধ্যক্ষ মহোদয়, বাতৰি কাকতত প্ৰতি দিনে এই বিলাক কথা ওলাই আছে। গুৱাহাটীৰ মাজ-মজিয়াৰে পৰা ৭ লাখ টকাৰ চেগুন গছ কাটি লৈ যোৱা হৈছে সেইটো ফটো সহকাৰে ইয়াত প্ৰকাশ পাইছে। ৩-১-৯৫ তাৰিখে প্ৰকাশ পাইছে যে 'বনাঞ্চল ধ্বংশ যজ্ঞ' ইয়াৰ ফলত কেইবা কোটি টকাৰ গছ কাটি লৈ গৈছে। এইটো আজি আমি দুখেৰে কব লগীয়া হৈছে যে মাৰ্ঘেৰিটাত ৩ কোটি টকাৰ কাঠ জব্দ কৰা হৈছে আৰু তাৰ বিনিময়ত ৩ জন বিষয়াক নিলম্বিত কৰা হৈছে। এগৰাকী মহিলাই দুখেৰে এই কথা খিনি অসমবাণীলৈ লিখিছে আৰু সেইখিনি অসমবাণীৰ সম্পাদক ডাঙৰীয়াই নিজেই লিখিব লগীয়া হৈছে। কিন্তু আজি সেই বন বিভাগত মুখ্যমন্ত্ৰী নিজেই দায়িত্বত আছে। তথাপিটো তাৰ পৰা ৩ কোটি টকা অবৈধভাৱে জব্দ কৰা হৈছে আৰু অধিক পৰিমাণৰ কাঠ অবৈধ ভাৱে লৈ গৈ আছে। কেৱল সেয়ে নহয় উপাধ্যক্ষ মহোদয়, নলবাৰী জিলাটো চোৰাং কাঠৰ ব্যৱসায়ী বৃদ্ধি পাইছে। টিহুটো প্ৰায় ১৫ লাখ টকাৰ অধিক টকা জব্দ কৰা হৈছে। হাউলী অঞ্চলৰ নেচনেল হাইওৱেৰ কাষত আৰু ববপেটা ৰোড, বিজনী অঞ্চলৰ নেচনেল হাইওৱেৰ

কাষত বহুতো কোটি টকাৰ গছ পৰি আছে । সেই বিলাকৰ মেৰটো এক ফুট ডেৰ ফুট মান হব ।

উপাধ্যক্ষ মহোদয়, কেৱল সেয়ে নহয়, বৰাক অঞ্চলটো অবাধে বনাঞ্চল ধ্বংস যজ্ঞ আৰম্ভ হৈছে । যোৱা কালিৰ আজিৰ অসম বাতৰিটো কৰিমগঞ্জ জিলাত অবৈধ ভাৱে বনাঞ্চল ধ্বংস যজ্ঞ চলি আছে বুলি প্ৰকাশ পাইছে । ভোগৰজুলীটো ৩ কিলোমিটাৰ নিঃশেষ কৰা হৈছে । ১৩ কোটিতকৈয়ো অধিক পৰিমাণৰ কাঠ ইয়াৰ পৰা কাটি লৈ গৈ আছে । মাননীয় উপাধ্যক্ষ মহোদয়, আপোনালোকে জানেনে নেজানে অসমত এটা সময়ত মেহগনী কাঠ বহুত আছিল । ডিগৰৈ আৰু অৰুনাচল অঞ্চলৰ সীমা মুৰীয়া অঞ্চলত এই কাঠ পোৱা যায় । প্ৰায় ৭০ কোটি টকাৰ এই গছ কাটি লুণ্ঠন কৰা হৈছে । সেই কাঠ গয়েলে কাটি লৈ গৈছে । তাৰ কেইবা লাখ টকাৰ চোৰাং কাঠ জব্দ কৰা হৈছে । মই উল্লেখ কৰিছোৱেই যে ভোগৰজুলী অঞ্চলৰ পৰাও অবৈধভাৱে মূল্যবান গছ কাটি লুণ্ঠন কৰা হৈছে । কিছু দিন আগতে ঢেকীয়াজুলীটো কাঠৰ চোৰাং কাৰবাৰীক হত্যা কৰা হৈছিল বুলি এই বিধান সভাতে উত্থাপন কৰিছিল ।

মাননীয় উপাধ্যক্ষ মহোদয়, বঙিয়া অঞ্চলৰ পৰা গছ-গছনী কাটি নিয়াৰ কথা দৈনিক অসমত প্ৰকাশ পাইছে ৯-৩-৯৫ তাৰিখত । বঙিয়া অঞ্চলৰ পৰা বহু শাল আৰু চেগুন কাঠ অবৈধ ভাৱে কাটি লৈ গৈছে, বন বিভাগে চাই আছে । এই বিলাক অবাধে চলি আছে, বন বিভাগ শুই আছে আৰু বাইজে তেওঁলোকক ধৰি বন বিভাগক গটাই দিব লগা হৈছে । মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ নাগালেণ্ড সীমান্ত অঞ্চলৰ বিশেষকৈ নামৰৰ হাবিৰ বেংমা অঞ্চলৰ পৰা অবৈধ ভাৱে কাঠ কাটি নি আছে, ইয়াত ১৩ কোটিৰো অধিক টকাৰ কাঠ কাটি নিছে । আমি বিশেষকৈ দেখিবলৈ পাইছো এই চৰকাৰৰ দিনতে 'ভেনু মিল' কৰিবৰ কাৰণে গোলাঘাটৰ মালপানী ডাঙৰীয়াক স্থাপন কৰিবলৈ দিয়া হৈছে । হোজাই অঞ্চলটো অবৈধ ভাৱে বনজ সম্পদ লুণ্ঠন হৈছে । উপায়ুক্ত আৰু আৰক্ষীয়ে এনে ধৰণৰ চোৰাং কাঠ ধৰিবলৈ বাধ্য হৈছে

তথাপিটো বন বিভাগে কানসাৰ দিয়া নাই! ইয়াৰ মূল্য ২ কোটিৰ অধিক হব বুলি কৈছে। কার্বিআলং আৰু বোকাজানটো চোৱাং কাঠৰ কাৰবাৰ চলি আছে। দৈনিক অসম বাতৰি কাকতত ৫/৩/৯৫ তাৰিখে প্ৰকাশ পাইছে। এই চোৱাং কাঠৰ ব্যৱসায় বিলাক চেকগেট বিলাকত দেখা পোৱা গৈছে। উদাহৰণ স্বৰূপে, যোৱা ২৪/৩/৯৩ তাৰিখৰ টি, পি ক্ৰমিক নং ৪৬ সেই একে ধৰণৰ ক্ৰমিক নং ৪৬ দুখন পাৰ্মিট দিয়া হৈছে, কেৱল সেইয়ে নহয় কঠিয়াতলী চেকগেটত ১৯৯২ চনৰ নবেম্বৰ মাহৰ ১০ তাৰিখে ৪২ নং চালানৰ জৰিয়তে কাঠ নিয়াৰ পিছত আকৌ একে ধৰণৰ ৪২ নং চালানতে চোৱাং কাঠ নিয়া হৈছে। এই এটাই নহয় এনে ধৰণৰ বহু উদাহৰণ আছে। ১০৩ নং ক্ৰমিক নম্বৰটো 'ডুপ্লিকেট' কৰা হৈছে। ৰানী অঞ্চলৰ পৰা ১০০ জোপা অগৰু কাঠ অজমল চেঠ ডাঙৰীয়াই কাটি লৈ গৈছে, কোনো ধৰণৰ পাৰ্মিট নাই। মাননীয় উপাধ্যক্ষ মহোদয়, কাঠৰ চোৱাং ব্যৱসায়ত 'চালফা' জড়িত আছে বুলি দৈনিক অসম কাকতত প্ৰকাশ পাইছে। যোৱা ১৯/৩/৯৫ তাং দৈনিক অসমত প্ৰকাশ পাইছিল 'প্ৰাকৃতিক ভাৰসাম্যকালীন কথা'। প্ৰাকৃতিক পৰিবেশৰ কথাত ভাৰত চৰকাৰে বিশেষভাৱে গুৰুত্ব দিছে। আমাৰ বনাঞ্চল ৩৩ ভাগ থাকিব লাগে কিন্তু অসমত ২২ ভাগ আছে তাৰে ১২ ভাগ 'এনৰ্কচ' কৰিছে এতিয়া থকা ১০ ভাগো ধ্বংস কৰিছে। 'কামৰূপত বনাঞ্চল ধংস, বন বিভাগ নিষ্ক্ৰীয়' বাতৰি কাকতত প্ৰকাশ পাইছে। দৈনিক জনমভূমিত ওলাইছে ডিগৰু, জোনাই অঞ্চলৰ কথা। আমাৰ বেলষ্টেচনলৈ গলে দেখিবলৈ পাৰ 'পাৰ্মিট' নাই কাঠ পৰি আছে। অসমৰ প্ৰতিটো অঞ্চলতে বনাঞ্চল ধ্বংস হৈছে। বনাঞ্চল ধ্বংসৰ লগে লগে বন্যপ্ৰাণীৰ সুৰক্ষা নোহোৱা হৈছে। আগতে নতুন দৈনিক বাতৰি কাকতত প্ৰকাশ পাইছিল, মন্ত্ৰীয়ে পহুৰ মাংস খাই আছে। পহুৰ মাংসৰ কিলো ১০০ টকা। ই যদিও দুষ্প্ৰাপ্য তথাপি মন্ত্ৰীয়ে খাই আছে। এই প্ৰাণী বিলাক সুৰক্ষীত হৈ কিমান দিনলৈকে থাকিব। কাজিৰঙা অভয়াৰণ্যক 'নেশ্যনেল পাৰ্ক' হিচাবে স্বীকৃতি দিয়া হৈছে, কিন্তু এই কাজিৰঙাতে কেনে ভাবে গড় নিধন হৈছে। কাজিৰঙা অভয়াৰণ্যত ১৩২ টা গড় নিধন হৈছে। তাৰে

৫ টাৰ খৰ্গ চৰকাৰে পাইছে বাকী এতিয়ালৈকে ধৰিব পৰা নাই। কাজিৰঙা নেশ্যনেল পার্ক বঢ়াবৰ বাবে এক্সটেনশ্বন -১, এক্সটেনশ্বন -২ আৰু এক্সটেনশ্বন -৩ বাবে যি খিনি টকাৰ প্রয়োজন আছিল সেই গোটেই টকাখিনি দিয়া হল। প্রাক্‌কালীন ভাবে ৰাজহ বিভাগৰ লগত লগ লাগি কেন্দ্রীয় চৰকাৰক স্মাৰক পত্র দিয়া হৈছিল তাৰ টকা বিলাক পাইছিল কিন্তু বন বিভাগে এই এক্সটেনশ্বন -১, ২ আৰু ৩ বকাম এতিয়াও কৰিব পৰা নাই ৰাজনৈতিক হেচাৰ বাবে এইটো হোৱা নাই বুলি গম পাইছো। তাত 'এনর্কচাৰ' আছে কাৰণে ৰাজনৈতিক হেচাত কাম কৰিব পৰা নাই। কেৱল সেয়ে নহয়, এই নেশ্যনেল পার্কৰ এলিফেণ্ট প্রজেক্টৰ বাবে বহু লাখ টকা দিয়া হৈছিল ১৯৯১-৯২ চনত ১৭ লাখ, ১৯৯২-৯৩ চনত ১৯ লাখ আৰু ১৯৯৩-৯৪ চনত ৪০ লাখ টকা দিয়া হৈছিল। ১৯৯৪-৯৫ চনত টকা দিয়া নাই। এই টকাৰ এতিয়ালৈকে ২ লাখ টকাহে খৰচ কৰিছে। টকা গোটেইবিলাক ৰাখিছে খৰচ কৰিব পৰা নাই, সেইকাৰণে 'এলিফেণ্ট প্রজেক্টৰ টকা নাপালে।

উপাধ্যক্ষ মহোদয়, কেৱল সেয়ে নহয় আজি অসম চৰকাৰে ৰাইনো প্রজেক্টৰ কাৰণেও টকা পোৱা নাই। আজি অসমৰ এশিঙীয়া গড় পৃথিৱীৰ ভিতৰতে বিখ্যাত। এই বিখ্যাত গড় খিনিক বক্ষনা বেক্ষন দিয়াৰ কাৰণে ৰাজ্য চৰকাৰে যি ধৰণে ব্যৱস্থা ল'ব লাগিছিল তেনে ধৰণে নোলোৱাৰ ফলতে এই প্রজেক্টৰ কাৰণে কেন্দ্রীয় চৰকাৰৰ পৰা যি টকা পাব লাগিছিল সেই টকা পোৱা নাই। কিন্তু অসমৰ কাষতে লাগি থকা পশ্চিম বঙ্গত দুটামান এশিঙীয়া গড় থকা বুলি গম পায়েই পশ্চিম বঙ্গ চৰকাৰে এই ক্ষেত্রত ততাতৈয়া ব্যৱস্থা হাতত লৈ ৰাইনো প্রজেক্টৰ বাবে কেন্দ্রীয় চৰকাৰৰ পৰা টকা অনাৰ ব্যৱস্থা কৰিলে। তাৰ বাহি-ৰেও আমাৰ চৰকাৰক যোৱা পাচ বছৰে টাইগাৰ প্রজেক্টৰ বাবে কেন্দ্রীয় চৰকাৰে টকা দিয়া নাই। এই ক্ষেত্রত ৰাজ্য চৰকাৰে যি ধৰণে ব্যৱস্থা হাতত লব লাগিছিল তেনে ধৰণে লোৱা নাই। এই ক্ষেত্রত মই এটা কথা উল্লেখ কৰিব খুজিছো যে আজি কেনে ধৰণে বাঘ হত্যা কৰা হৈছে। আজি কিছুদিন আগতে গুৱাহাটী চহৰৰ মাজ মজিয়াতে এটা নাহৰফুটকী

বাঘ হত্যা কৰা হ'ল। এই বাঘটোৰ মূল্য ১৫ হাজাৰ মাৰ্কিন ডলাৰ হ'ব। কিন্তু এই ক্ষেত্ৰত চৰকাৰ নিমাত। কেৱল সেয়ে নহয় এইবাৰ ফাকুৱাৰ দিনাও গোলাঘাটত বনকৰ্ম্মী আৰু কিছুমান ৰাইজে মিলি এটা নাহৰফুটকী বাঘ হত্যা কৰে আৰু তাৰ মাংসৰে ভোজ খায়। এই বাঘটোৰো মূল্য ১৫ হাজাৰ মাৰ্কিন ডলাৰ হ'ব। গতিকে এনে ধৰণে যদি মানুহৰ হাততে বন্য প্ৰাণীবোৰ ধ্বংস হবলৈ হয় তেনেহলে অসমত আৰু বেছি দিন বন্য প্ৰাণী সমূহ জীয়াই থাকিব নোৱাৰিব। সেইদৰে পবিতৰা অভয়াৰণ্যতো আজি বন্য প্ৰাণী সমূহ বিপৰ্য্যস্ত হৈ পৰিছে। ১৩/৫/৯৪ তাৰিখৰ 'আজিৰ বাতৰি' 'কাকতত এই বিষয়ে প্ৰকাশ পাইছে। ইয়াৰ বাহিৰেও 'পবিতৰা অভয়াৰণ্যত বেদখল বন্ধ কৰক' শীৰ্ষক বাতৰি ১৪/৩/৯৫ তাৰিখৰ 'দৈনিক অসম' বাতৰি কাকতত প্ৰকাশ পাইছে। আজি চৰকাৰে পবিতৰা অভয়াৰণ্যত যি সকল বেদখলকাৰীয়ে বেদখল কৰি আছে সেই লোক সকলক উচ্ছেদ কৰাৰ পৰিবৰ্ত্তে স্থায়ী বন্দৰস্তী দিয়াৰহে ব্যৱস্থা কৰিছে। চৰকাৰে বনাঞ্চল সংকোচন নীতি হাতত লৈছে। সেই কাৰণে আজি আমি ভৎসনা প্ৰস্তাৱৰ যোগেদি এই কথাবোৰ চৰকাৰৰ দৃষ্টিগোচৰ কৰিব খুজিছো যাতে এইবোৰ বিষয়ত চৰকাৰে কঠোৰ ব্যৱস্থা হাতত লয়।

উপাধ্যক্ষ মহোদয়, কেৱল বন বিভাগেই নহয়, এই খিনিতে মই গড়কাপ্তানী বিভাগৰো কিছু কথা উল্লেখ কৰিব খুজিছো। আমাৰ গড়-কাপ্তানী বিভাগটোৰ এটা সময়ত ভাল নাম আছিল। কিন্তু আজি সেই বিভাগটোৱে ৰাজহুৱা স্বাৰ্থ ৰক্ষা কৰিব পৰা নাই। ১৯৯১ চনৰ পৰা ১৯৯৫ চনৰ ভিতৰত এই বিভাগটোৱে এনে কিছুমান কাম কৰিছে য'ত তেওঁলোকে মুষ্টিমেয় কেইজনমান মানুহৰ বাহিৰে কাৰো স্বাৰ্থৰ কথা চিন্তা কৰিব পৰা নাই। তেওঁলোকে বছৰটোৰ গোটেই দেনা পাওনা খিনি মুষ্টিমেয় দুজনমান ঠিকাদাৰৰ লগত কৰি আছে। ১৯৯১ চনৰ পৰা ১৯৯৪ চাৰ ভিতৰত পৰিকল্পনাৰ যিখিনি ধন মুকলি কৰি দিয়া হৈছিল তাৰ বেছিভাগ ধন দুজনমান ঠিকাদাৰক দি বাকী ৩০ শতাংশ টকাহে অসমৰ অন্যান্য ঠিকাদাৰ সকলক দিছিল যাৰ ফলত আজি সৰু সুৰা ঠিকাদাৰ সকলৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। তাৰোপৰি

আৰু এটা কথা হৈছে ১৯৯৩-৯৪ চনত গুৱাহাটী চিটি ডিভিজনৰ বাবে ৭ কোটি টকা মুকলি কৰি দিয়া হৈছিল আৰু এই টকাখিনি ২৮ মাৰ্চ তাৰিখে ৰিলিজ কৰা হৈছিল। এই টকা খিনি এক পইচাও কাম নকৰাকৈ বাতিটোৰ ভিতৰতে উলিয়াই নিয়াৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু তেতিয়া তাত থকা কাৰ্য্যবাহী অভিযন্তাজনৰ তৎপৰতাৰ কাৰণে সেই টকাখিনি উলিয়াই নিব নোৱাৰাত তেওঁ কাৰ্য্যালয়ৰ পৰা পলাই যাব লগা অৱস্থা হৈছিল আৰু বাতি তেওঁৰ ঘৰত কিছুমান মানুহে তেওঁক অস্ত্ৰ-শস্ত্ৰৰে আক্ৰমন কৰাৰো চেষ্টা কৰিছিল। এই ৭ কোটি টকা বিষয়াজনৰ তৎপৰতাৰ কাৰণে ৰক্ষা পৰিল। কিন্তু তাৰ লগে লগে আন এটা ঘটনা হ'ল— টেলিফোনৰ লাইনৰ কাৰণে, বিপেয়াৰ কৰিব লগা ৰাস্তাৰ কাৰণে ৩ কোটি টকা দিয়া হৈছিল। এই খিনিও কোনে ক'ত কেনেকৈ খৰচ কৰিলে তাৰ হিচাব নাই। তাৰ বাহিৰেও 'আজিৰ বাতৰি' কাকতত গড়কাপ্তানী বিভাগৰ কেলেংকাৰী '৪০ কোটি টকা উধাও' শীৰ্ষক বাতৰি প্ৰকাশ পাইছে। এই টকাখিনিও কাম নকৰাকৈ কোনোবাই উলিয়াই নিছে। আজি আপোনালোক সকলোৱে দেখিছে এই কেইবছৰৰ ভিতৰত আমাৰ কোনো কাঠৰ দলং, ৰাস্তা ঘাটৰ কাম হোৱা নাই। অথচ ৪০ কোটি টকাৰ ভুৱা বিল দি টকা নিয়া হৈছে। আৰু এটা ঘটনা হ'ল ১৯৯৩ ৯৪ চনত এই বিভাগৰ বিল্ডিং ডিভিজনে কিছুমান টিনপাত, চিমেণ্ট আৰু লোহা কিনিছিল। টিনপাতবোৰ কোনোবা 'কামৰূপ ৰূফিং' নামৰ প্ৰতিষ্ঠানৰ পৰা কিনা হৈছিল। এই ইণ্ডাষ্ট্ৰীটোৰ পৰা কম দামৰ টিন-পাত অধিক দাম দি কিনা হৈছিল। তাৰ বাহিৰেও চিমেণ্ট আৰু লোহা প্ৰয়োজনতকৈ বেছি কিনা হৈছিল যিবোৰৰ কাম এতিয়াও হোৱা নাই।

উপাধ্যক্ষ মহোদয়, এই খিনিতে মই ডব্লিও, পি, টি, বিভাগৰ সম্পৰ্কতো দুষাৰমান কব খুজিছো। আমাৰ ৰাজ্যখনৰ ভৈয়াম অঞ্চলৰ জনজাতীয় আৰু অনুসূচীত জাতিৰ লোক সকলৰ উন্নয়নৰ কাৰণে এই বিভাগটো কৰা হৈছে। আমিও এই লোক সকলৰ উন্নতি বিচাৰো। কিন্তু এই বিভাগৰ নলবাৰীত যিগৰাকী চেয়াৰমেন আছে তেওঁ ১২ লাখ টকা ক'লৈ লৈ গ'ল সেইটো এতিয়ালৈকে জনা হোৱা নাই। এই বিভাগে ১৫ লাখ টকাৰ কেলেণ্ডাৰ বনাবলৈ দিছিল।

উপাধ্যক্ষ মহোদয়, এই বিভাগে ১৫ লাখ টকাৰ কেলেণ্ডাৰ বনাইছে। ৯ লাখ টকা ফ্লেট কৰিছে। এনে ধৰণে টকা বিলাক অপব্যয় কৰা হৈছে। কেৱল জনজাতীয় লোকৰ উন্নয়নত বাধা হৈছে। কি ধৰণে কামত আগ-বাঢ়িছে এইটো এটা নমুনা। স্কলাৰশ্বিপৰ টকা আজিও পোৱা নাই। জন জাতীয় উন্নয়ন নিগমে প্ৰতি বছৰে লোকচান ভৰিবলগীয়া হৈছে। এই নিগমে এতিয়ালৈকে এনে ধৰণে লষ্ট কৰিছে। ১৯৯২-৯৩ চনত তেখেত সকলে লষ্ট কৰিছে ৭ লাখ টকা, ১৯৯৩-৯৪ চনত ১১ লাখ টকা লষ্ট কৰিছে আৰু ১৯৯৪-৯৫ চনত লষ্ট কৰিছে ১৭ লাখ টকা। কেৱল সেয়াই নহয় যি বেনিফিচাৰী তেখেত সকলে চিলেক্ট কৰে এই বেনিফিচাৰীৰ ধনো আজিলৈকে পোৱা নাই। শতকৰা ৩০ ভাগেও পোৱা নাই। ট্ৰাইবেল ডেভলাপমেণ্ট এমল্লয় এচোছিয়েশ্বনে ২৭-১-৯৫ তাৰিখে দাবী কৰিছে।

উপাধ্যক্ষ মহোদয়, আমি যদি চাও এই বিভাগে লষ্ট দেখুৱাইছে ১৯৯০-৯১ চনত ৪৬ লাখ ৭৭ হাজাৰ, ১৯৯১-৯২ চনত ৪৩ হাজাৰ ৬ শ, ১৯৯২-৯৩ চনত ৩৪ হাজাৰ ৩০ টকা, ১৯৯৩-৯৪ চনত ৪৫ লাখ, মুঠ ৩ কোটি ৭২ লাখ এতিয়ালৈকে লষ্ট হৈছে। এনে ধৰণে বিভাগ চলিছে। কেলেণ্ডাৰ খিনি বোৰ্ডে এপ্ৰোভ নকৰাকৈ প্ৰকাশ কৰা হ'ল। এই তিনিটা বিভাগে অবাধ দুৰ্নীতিৰ আশ্ৰয় লৈছে। অবৈধভাবে বনাঞ্চল ধ্বংস কৰিছে, অসমৰ পাৰিপাৰ্শিকতা নষ্ট কৰিছে। বতৰ বিজ্ঞানী সকলৰ লগত যোগাযোগ কৰিলে দেখা যাব যে বতৰৰ তাৰতম্য ঘটিছে। এইদৰে তেওঁলোকে বনাঞ্চল ধ্বংস কৰাৰ আঁচনি লৈছে। কিন্তু এ,জি,পি, চৰকাৰৰ দিনত গছ কটা বন্ধ কৰিছিল, এই চৰকাৰে অবাধ গতিত লষ্ট কৰিছে। ইয়াৰ বাবে নিশ্চয় প্ৰতিক্ৰিয়া হ'ব। গতিকে ইয়াৰ জৰিয়তে মই চৰকাৰক ভৎৰ্সনা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় উপাধ্যক্ষ : এতিয়া মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈয়ে কব।

★ শ্ৰীপ্ৰমোদ গগৈ : মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ তিনিটা বিভাগৰ ওপৰত যি চেনচৰ মোচন উত্থাপন কৰা হৈছে, মই প্ৰথমতে বন বিভাগ সম্পৰ্কে কব বিচাৰিছো। আচলতে আমাৰ বন বিভাগটো আছে কিন্তু

★ Speech not corrected.

বনাঞ্চল নাই। যোৱা কেই বছৰে অসমৰ বন সম্পদ এনেকুৱা হিচাবে ধ্বংস কৰা হৈছে যাৰ ফলত অসমৰ বনাঞ্চল আছিল বা আমাৰ যিবিলাক মূল্যবান বন সম্পদ আছিল ১৯৯১ চনৰ পৰা ১৯৯৫ চনৰ ভিতৰত আমাৰ তথ্য মতে প্ৰায় শতকৰা ৫০ ভাগ বন সম্পদ নষ্ট কৰা হৈছে। ইতিমধ্যে এই ধ্বংস কাৰ্য্য কি ভাবে হৈছে সেই কথা আৰু অন্য ধৰণে প্ৰমাণিত হৈছে এনেকি চৰকাৰৰ বন বিভাগে বে-আইনী ভাবে কটা কাঠ জব্দ কৰাৰ যি হিচাব সেই হিচাবৰ পৰা দেখা যায় কিমান ব্যাপক ভাবে বন সম্পদ ধ্বংস কৰা হৈছে। বন বিভাগৰ হিচাবত ১৯৯১-৯২ চনত ১৮ হাজাৰ ৯ শ ৯৯ কিউবিক মিটাৰ কাঠ জব্দ কৰা হৈছে। যি বিলাক বে-আইনী ভাবে কাঠ কাটিছিল ১৯৯২-৯৩ চনত ১৮ হেজাৰ কিউবিক মিটাৰ, ১৯৯৩-৯৪ চনত ১৭ হেজাৰ কিউবিক মিটাৰ, ১৯৯৪-৯৫ চনত ১৬ হেজাৰ কিউবিক মিটাৰ কাঠ বে-আইনী ভাবে জব্দ কৰা হৈছে। এই খিনি অন্যায় ভাবে কটা কাঠ জব্দ কৰা হৈছে, বাকী যি বিলাক কাঠ নষ্ট কৰা হৈছে সেই বিলাক বন বিভাগে এতিয়াও ধৰিব পৰা নাই বা ধৰিলেও যি বিলাক জগৰীয়া সেই বিলাকৰ ওপৰত উপযুক্ত শাস্তি বা কোনো ব্যৱস্থা লব পৰা নাই।

উপাধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে চৰকাৰৰ দৃষ্টি আকৰ্ষণ হৈছে। আমাৰ এই সময় চোৱাৰ ভিতৰত গোটেই অসমৰ যিমান বিলাক বনাঞ্চল আছে তাৰ কেইটামান উল্লেখ কৰিছো। কামৰূপ ওৱেষ্ট ডিভিজনত যি শাল কাঠ আছে ব্যাপক ভাবে আৰু বে-আইনী ভাবে চৰকাৰে সেই বিলাক কাঠ ঠিকাদাৰ বিলাকৰ লগ লাগি ধ্বংস কৰিছে। নগাওঁ ফৰেষ্ট ডিভিজনৰ অধীনত যিমান অঞ্চল আছে শিলচাং আৰু ধৰমতুল অঞ্চলত বনাঞ্চল ধ্বংস কৰা হৈছে। এই কামত বন বিভাগৰ বিষয়া জড়িত আছে, সমাজ বিৰোধীলোকো বিষয়া সকলৰ লগত এই ধ্বংস কাৰ্য্যত জড়িত আছে। নগাওঁ ইষ্ট ডিভিজনৰ হোজাই, কাকী, নন্দনপুৰ, দৰকা আদি অঞ্চলৰ বনাঞ্চল নষ্ট কৰিছে। ডিগৰৈ আৰু ডিব্ৰুগড়ৰ বনাঞ্চলত যি বিলাক মূল্যবান বন সম্পদ আছিল সেই বিলাক নষ্ট কৰা হৈছে। ইতিমধ্যে

আগৰ বক্তাই এই বিষয়ে উল্লেখ কৰিছে, মই পুনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ১৯৯০ চনত ইকোন'মিক ৰেষ্টোৰেশ্বন স্কীমৰ নামত ভাৰত চৰকাৰে ৬ কোটি টকা দিছিল আৰু সেই ৬ কোটি টকাৰ আঁচনি কৰা হৈছিল। কোকোৰাঝাৰ ডিভিজনৰ হণ্টু গাওঁ আৰু গোসাইগাওঁ অঞ্চলত আমি পোৱা অভিযোগ মতে বন সম্পদৰ টকা আত্মসাৎ কৰা হৈছে। সেইটো কৰিবলৈ গৈ তেওঁলোকে সেই স্কীম মতে প্ৰথমে ৬ হাজাৰ হেক্টৰত যি বিলাক কাঠ আছিল সেই বিলাক কাটি পেলোৱা হ'ল। কেইজনমান ঠিকাদাৰক কম মূল্যত বিক্ৰী কৰা হৈছে, সেই ঠিকাদাৰ হ'ল শ্ৰীপি, গোৱেল, হাৰিয়ানাৰ বিখ্যাত ঠিকাদাৰ, যি জনৰ লগত অসম চৰকাৰৰ বহুত দিনৰ পৰাই সন্দেহ জনক সম্পৰ্ক আছিল, এতিয়াও আছে। সেই জন ঠিকাদাৰ জৰিত আছে, অসমৰ মূল্যবান কাঠ বিলাক বে-আইনী বা চোৰাং কৈ অসমৰ বাহিৰত নি পঠাই দিয়া হৈছে। কিন্তু এই গোটেই স্কীমত এই যে ৬ হাজাৰ কোটি টকা আত্মসাৎ কৰিছিল দুজন ডি, এফ, ও, জৰিত আছিল, এজন বি, কে, কৃষ্ণাই আৰু আন জন মিঃ পাণ্ডে। ইয়াৰ লগত জৰিত আছিল চি, চি, এফ, যি জন চৰকাৰৰ অতি বিশ্বাসী কৰ্ম্মচাৰী আছিল, অৱশ্যে তেখেত এতিয়া চাকৰিত নাই অৱসৰ পাইছে, শ্ৰী কে, কে, বৰুৱা। মাননীয় উপাধ্যক্ষ মহোদয়, সেই বিষয়া সকলৰ ওপৰত চৰকাৰে কোনো ব্যৱস্থা নললে। কাৰণ ইতিমধ্যে প্ৰথম দুজন বিষয়া হয়তো চাকৰীৰ পৰা অৱসৰ লৈছে নহলে অসমৰ বাহিৰলৈ গৈছে। আৰু যি জন চি, চি, এফ আছিল তেওঁ বিতায়াদ হৈছে। উপাধ্যক্ষ মহোদয়, কৰিমগঞ্জ অঞ্চলতো তদন্ত হৈছে। ১৯৯১-৯২, ১৯৯৪ ৯৫ জুলাই মাহলৈ কৰিমগঞ্জ ডিভিজনত ব্যাপক বনসম্পদ নষ্ট কৰা হৈছে। আৰু সেই বনসম্পদ নষ্ট কৰাৰ ক্ষেত্ৰত যি ডি, এফ, ও জৰিত, চৰকাৰে তেওঁ-লোকক ৰক্ষণাবেক্ষণ দিছে। আমি নাম নকওঁ আৰু অভিযোগ আছে যে এজন ঠিকাদাৰ আছে যি জন অসমৰ বাহিৰৰ মানুহ। তেওঁৰ লগত বন বিভাগৰ বিষয়া সকলৰ সম্পৰ্ক আছে। তেওঁৰ লগত সম্পৰ্ক ৰাখি

বনবিভাগৰ বিষয়া সকলে আমাৰ বন সম্পদ নষ্ট কৰিছে। সেইকাৰণে বন বিভাগ তথা চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে অসম ভাৰতবৰ্ষৰ এখন ৰাজ্য য'ত মূল্যবান বনসম্পদ আছিল আৰু সেই বন সম্পদ আমি নষ্ট কৰাই নহয় ই পাৰিপাৰ্শ্বিক অৱস্থাৰ ওপৰতো যথেষ্ট প্ৰভাৱ পেলাইছে। কিন্তু এনেকুৱা ধ্বংস কাৰ্য হোৱাৰ ফলত ৰাজ্যৰ ৰাজহ নষ্ট হোৱাটোৱে নহয় অন্যায় ভাৱে চোৰাংকৈ আৰু যি বিলাক ঠিকাদাৰ সেই বিলাকক চৰকাৰে ৰক্ষণাবেক্ষণ দিছে। সেই বিলাকৰ ফলত ৰাজ্যখনৰ ক্ষতি হবলৈ পাইছে। উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আৰু এটা কথা উল্লেখ কৰিব বিচাৰিছো চৰকাৰে কিছুমান কথাৰ তদন্ত কৰাৰ কাৰণে তেতিয়া এটা কমিটি নিয়োগ কৰিছিল। সেই কমিটি আছিল ফেণী কমিটি। সেই কমিটিয়ে তদন্ত কৰাৰ পিচত ৫১ জন বিভাগীয় বিষয়াক তাৰ কাৰণে জগৰীয়া কৰা হ'ল। কিন্তু আজিলৈকে কোনো এজন বন বিভাগৰ বিষয়াক যি সকলৰ নামত সেই ৰিপোৰ্টত উল্লেখ কৰা হৈছিল আজিলৈকে তেওঁলোকৰ কোনো ব্যৱস্থা লোৱা হোৱা নাই। এতিয়া চৰকাৰে ১৬ জনক চাচপেণ্ড কৰিছে। এই ১৬ জন যথেষ্ট নহয়। এই বনসম্পদ ধ্বংস কাৰ্য্যত নিয়োজিত সকলৰ ভিতৰত কিছুমানক চৰকাৰে এতিয়ালৈকে চিনাক্ত কৰা নাই বা শাস্তিমূলক ব্যৱস্থাও লোৱা নাই। বৰং অভিযোগ পাইছো সেই বিলাকক চৰকাৰে ৰক্ষণা-বেক্ষণ দিয়াৰ কাৰণেহে চিন্তা কৰিছে। উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো, এইটো কেৱল চৰকাৰ বা বিৰোধী পক্ষৰ কথাই নহয় আমাৰ অসমৰ সামগ্ৰীক স্বাৰ্থৰ কাৰণে বন-সম্পদ ৰক্ষা কৰিব লাগে। চৰকাৰে এই ক্ষেত্ৰত কিছুমান বিশেষ নীতি গ্ৰহণ কৰিব লাগিব। ক্ৰমাগত ভাবে বনসম্পদ নষ্ট কৰাৰ ক্ষেত্ৰত যি সকলক চিনাক্ত কৰিছে সেই সকলক চৰকাৰে বাধা দিয়া নাই বৰঞ্চ বিপৰীত নীতিহে লৈছে। চৰকাৰে সহযোগ কৰিছে আৰু তেওঁলোকক ধ্বংস কাৰ্য্য চলাবলৈ দিছে। উপাধ্যক্ষ মহোদয়, এটা কথা আমি চাবলৈ গলে আচৰিত হও যে ভাৰত স্বাধীন হ'ল। কিন্তু ফৰেষ্ট মেনুৱেলখন আজিলৈ সংশোধন হোৱা নাই। যিখন ফৰেষ্ট মেনুৱেল তাৰ কোনো

পৰিবৰ্ত্তন হোৱা নাই। ১৮৯১ চনৰে যিখন ফৰেষ্ট মেনুৱেল সেইখন বৃটিচৰ দিনতে তৈয়াৰ হৈছিল। আজিলৈকে তাৰ পৰিবৰ্ত্তন হোৱা নাই এই ফৰেষ্ট মেনুৱেল খন সংশোধন কৰাৰ কাৰণে স্বাধীনতাৰ পিচত কোনো চৰকাৰে এতিয়ালৈ বিহিত ব্যৱস্থা লব নোৱাৰিলে। এই ফৰেষ্ট মেনুৱেল মতে বন সম্পদ ৰক্ষা কৰিব নোৱাৰে। উপাধ্যক্ষ মহোদয়, ইয়াত এটা পেনাল্টী ক্লজ আছে। পেনাল্টী ক্লজত কোৱা কথাটো কাটি দিব নোৱাৰি। ইয়াত কোৱা ক্লজ নং-৭ Anyone nifringing of these rules shall be punished with a fine that may extend to Rs 50/ or where the damage resulting more than Rs 26/ then double the amount of damage. উপাধ্যক্ষ মহোদয়, এই পেনেল ক্লজত যি দি থাকে যিবিলাকে বনসম্পদ ধ্বংস কৰে তেওঁলোকৰ কাৰণে কিমান জৰিমনা কৰিব পাৰে। ৫০ টকা। বেছি হ'লে ইয়াৰ ডবল ১০০ টকা কৰিব পাৰে। এতিয়াও এই আইন প্ৰচলিত হৈ আছে। এই আইন ফৰেষ্ট মেনুৱেল সংশোধন কৰাৰ কাৰণে এটা কমিটি নিয়োগ কৰিছিল। এই কমিটিৰ চেয়াৰমেনজন আছিল আমাৰ প্ৰাক্তন উপাচাৰ্য্য জিতেন দাস। তেখেত এতিয়া দুকাল। সেই কাৰণে কমিটি কৰিছিল Assam Forest Manual (provision) Committee as constituted vide Forest Department Notification dated 7 th December 1986, সেই কমিটিয়ে গভৰ্ণমেণ্টৰ ওচৰত ৰিপোৰ্ট দাখিল কৰিছে ১৯৮৮ চনত। আজিলৈকে এই ৰিপোৰ্টৰ ওপৰত যত ১৮৯১ চনৰ ফৰেষ্ট মেনুৱেল সংশোধন কৰাৰ কাৰণে অনেক পৰামৰ্শ দিছিল আজিলৈকে ইয়াৰ ওপৰত চৰকাৰে কোনো ব্যৱস্থা লোৱা নাই। সেই কাৰণে আমাৰ বন সম্পদ ৰক্ষা কৰিবলৈ হলে পৰিবৰ্ত্তনৰ প্ৰয়োজন হৈছে। ১৮৯১ চনত যি অৱস্থা আছিল এতিয়া সেই অৱস্থা নাই। ১০০ বছৰ হ'ল। এতিয়া আমি ১৯৯৫ চনত আছো। এতিয়া আটাইতকৈ প্ৰয়োজনীয় কথা হৈছে ফৰেষ্ট মেনুৱেলৰ সংশোধনৰ কাম এনেকুৱা কিছুমান পেনাল্টী ক্লজ কৰিব লাগিব য'ত বনসম্পদ ৰক্ষা কৰিব পাৰি। যিসকলে বনসম্পদ নষ্ট কৰে তেওঁলোকৰ ওপৰত কঠোৰ শাস্তিমূলক ব্যৱস্থা লোৱা দৰকাৰ। বন বিভাগৰ কথা কবলৈ গলে বন বিভাগ কামৰ ক্ষেত্ৰত

নিষ্ক্রিয়। তেওঁলোকে কয় যে টকা নাই কাৰণে কাম কৰিব নোৱাৰে। কিন্তু বন সম্পদ নষ্ট কৰাৰ ক্ষেত্ৰত আৰু দুৰ্নীতি কৰাৰ ক্ষেত্ৰত বন বিভাগ সুকীয়া। বন বিভাগৰ ধন থাকিলেও খৰচ কৰিব নোৱাৰে। উপাধ্যক্ষ মহোদয়, ই এটা দৃষ্টান্ত। উজনি অসমৰ ও, এন, জি, চিয়ে যি বিলাক মাটি অধিগ্ৰহণ কৰিছে ভাৰত চৰকাৰে নিৰ্দ্দেশ দিছে যে যিমান মাটি অধিগ্ৰহণ কৰে তাত গছ পুলি ৰুব লাগে। ও, এন, জিচিয়ে ৰুম বুলি ভাবিলে। কিন্তু ৪ বছৰ ধৰি তেওঁলোকে গছ পুলি ক'ত ৰুব থিক কৰিব পৰা নাই। বন বিভাগে থিক কৰিছে গুৱাহাটীত গছ পুলি ৰুব। মাটি অধিগ্ৰহন কৰিব শিৱসাগৰত আৰু গছ পুলি ৰুব গুৱাহাটীত। এই কথাটোত আমি আপত্তি কৰোতে বন্ধ হ'ল।

মাননীয় উপাধ্যক্ষ মহোদয়, আজি ৪ বছৰ হৈ গ'ল গছ পুলি ক'ত ৰুব সেই কথা ঠিক কৰিব পৰা নাই। পিছত ঠিক কৰিলে মাটি অধিগ্ৰহণ কৰিব শিৱসাগৰত, গছ পুলি ৰুব গুৱাহাটীত। এই বাতৰি পাই আমি আলোচনা কৰি কাম বন্ধ কৰি দিলো। পিছত সিদ্ধান্ত হ'ল, শিৱসাগৰৰ যোৰহাটত গ্ৰাম্যাঞ্চলত ৰাষ্টাৰ কাষে কাষে গছ পুলি ৰোৱা হ'ব। তাৰ পিছত সোনাৰিলৈকে গছ পুলি ৰোৱা হ'ব বুলি আঁচনি যুগুত কৰা হ'ল। কিন্তু আজিলৈকে ফৰেষ্ট বিভাগে এষ্টিমেট আদি দাখিল কৰা নাই আৰু কামো আৰম্ভ কৰা নাই। কাৰণ, তেওঁলোকে এনে আঁচনি বিচাৰিছে, য'ত টকাটো এনেয়ে খৰচ দেখুৱাই, কোটি কোটি টকা আত্মসাৎ কৰিব পাৰে। সেই কাৰণে তেওঁলোকে এই আঁচনি বিলাক কাৰ্যকৰী কৰাত হেমাহি কৰি আছে। গতিকে অধ্যক্ষ মহোদয়, মই এই বিষয়ে মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যাতে আঁচনি বিলাকৰ কাম অতি সোনকালে কৰ্য্যকৰী কৰা হয়। মাননীয় উপাধ্যক্ষ মহোদয়, বন বিভাগৰ সম্পৰ্কে মই পুনৰ কব বিচাৰিছো। এইটো চৰকাৰৰ ওপৰত অনাস্থা বা চেনস'ৰ অনাৰ কথা নহয়। অসমৰ পৰিবেশ ৰক্ষা কৰিবলৈ বনাঞ্চলৰ ৰক্ষনাবেক্ষন কৰ হয় আৰু যিবিলাক বন বিষয়াই হওক বা অন্যকোনো গণ্য মান্য ব্যক্তিয়ে হওক, বা ব্যৱসায়ীয়েই হওক, যিবিলাকে অবৈধ ভাৱে গছ-গছনি কাটি নিয়ে তেওঁলোকৰ প্ৰতি কঠোৰ ব্যৱস্থা লব লাগে। কোনোবা শেঠী কোনোবা গোৱেল, আদিয়ে কোনোবা ফৰেষ্ট অফিচাৰৰ লগতে বনাঞ্চলৰ

প্রতি অন্যায় সাধন কৰিলে বা চৰকাৰৰ লগত বিশেষ ভাবে তদন্ত কৰি কঠোৰ ব্যৱস্থা লবলৈ আপোনালোকৰ দৃষ্টি আকৰ্ষণ কৰিলো । মাননীয় উপাধ্যক্ষ মহোদয়, মই এতিয়া গড়কাপ্তানী বিভাগৰ সম্পৰ্কত কেইটামান কথা আলোচনা কৰিব বিচাৰিছো এই বিষয়ে বেচিকৈ নকও । কিন্তু কেইটামান বিশেষ কৈ আমাৰ বিধান সভা চলি থকা সময়ত প্ৰশ্নৰ উত্তৰত কোৱা হৈছে যে তদন্তৰ ৰিপৰ্ট মতে তেখেতসকলে কৈছে যে ৮শ ৫২ টা পথৰ কাম হাতত লোৱা হৈছিল । কিন্তু টকাৰ নাটনি হোৱা কাৰণে পথ বন্ধা কাম বন্ধ কৰিব লগা হ'ল । গতিকে দেখা যায়, এই সম্পৰ্কত যে গড়কাপ্তানী বিভাগে কাম-কাজ বিলাক কেনেকৈ বেয়া কৰে । চৰকাৰৰ আগতে টকা নাছিল, কিন্তু আমি জানো চৰকাৰৰ টকা আছে নে নাই । আমি সেই কথা বিচাৰ কৰা নাই । আমি এইটোহে বিচাৰিছো যে চৰকাৰে যিবিলাক ৰাষ্টা-ঘাটৰ যোগাযোগ বিচিন্ন হৈ গৈছে, অন্তত সেই বিলাক ৰাষ্টা-ঘাট দলং আদি মেৰামতি কৰিবৰ কাৰণে নিশ্চয় পইছা পাইছে, সেই বিলাককে মেৰামতি কৰক । যদিও চৰকাৰে প্ৰতিশ্ৰুতি দিছিল যে জুন মাহৰ আগতে সকলোবোৰ দলং আৰু ভগা ৰাষ্টা মেৰামতি কৰিব, কিন্তু আজিলৈকে সেই বিলাক মেৰামতি কৰিবৰ কাৰণে যিমান পৰিমাণৰ টকা লাগে সিমান দিব পৰা নাই । গোটেইবিলাক মেৰামতি কৰিব নোৱাৰিলেও বেচি সংখ্যক ৰাষ্টা ঘাট মেৰামতি কৰাটো উচিত হ'ব । কাৰণ গোটেই বিলাক ৰাষ্টা মেৰামতি কৰিবলৈ হলে ৬৮ কোটি ৭১ লাখ টকা লাগে । টকা আহি পোৱালৈকে বাট চালে জুন মাহ আহি শেষ হৈ যাবগৈ । এই ক্ষেত্ৰত গড়কাপ্তানী বিভাগে পিছত কৰ বাৰিষা বতৰত কাম পিছুৱাই গ'ল বুলি । কিন্তু আমি জানো, টকা থাকিলেও গড়কাপ্তানি বিভাগে কেতিয়াও কাম কৰিব নোৱাৰে । আমাৰ শিৰসাগৰতে বহুতো স্কীম আছে । যিবোৰত অ' এন, জি, চিয়ে চেণ্ট পাৰ্চেণ্ট কাম কৰি আছে । অথচ চেণ্ট পাৰ্চেণ্ট ফান্দিং থকাৰ হেতেও গড়কাপ্তানী বিভাগে ৩ বছৰ ধৰি কাম আৰম্ভ কৰি টকাৰ অভাৱ দেখুৱাই আধৰুৱাকৈ কাম পেলাই থোৱা দেখা গৈছে । যিবিলাক ৰাষ্টা দলংৰ কাৰণে প্ৰি চেংচন আছে, সেই বিলাক উপযুক্ত সময়ত খৰছ নকৰে, তেতিয়া স্কেলাইচন হয় তেতিয়া অসুবিধা আহি পৰে । মোৰ সমষ্টি শিৰসাগৰৰ কথা চি, এ, জি, ৰিপৰ্টত আছিছে, সেইটো কাম ১৯৮৪ চনতে আৰম্ভ হ'ল

এখন হস্পিটেলৰ কাম। কিন্তু আজি ১৯৯৫ চন পালেহি, আজিলৈকে হস্পিটেলৰ কাম শেষ হোৱা নাই। এই কামটো কৰিবৰ কাৰণে টকা ধাৰ্য্য কৰা হৈছিল ২ কোটি টকা । ১৯৯১ চনত এই কামৰ কাৰণে এষ্টিমেট কৰা হৈছিল ২ কোটি ৫০ লাখ টকাৰ। আধা কাম কৰাৰ পিছত ৰিভাইজ এষ্টিমেচন হ'ল আৰু টকাৰ পৰিমাণ বাঢ়ি ৪ কোটিৰো বেচি হ'লহি। এনে হবলৈ পাইছে চৰকাৰৰ অবহেলাৰ কাৰণেই। যিমানেই দিন বাঢ়ি যাব সিমানেই প্ৰাইছৰ মূল্য বাঢ়ি যাব। চি, এ জি,ৰ ৰিপৰ্টত কৈছে, মই পঢ়ি দিছো —

"In August 1985 the work of construction of a 200-bedded civil hospital at Joisagar and operation theatre under Building Division, Sibsagar was awarded to a contractor. The agreement entered into with the contractor stipulated that the Division would supply cement at Rs. 60 per bag. When the work was in progress, the Division rescinded the contract at the request of the contractor in August 1991. During the execution of the work, the Contractor had received 4100 bags cement from the Division issued between June 1986 to July 1988. It was observed in the audit of March 1992 that in the last bill paid in March 1989 to the Contractor recovery of the value of 4100 bags of cement was effected at Rs. 35/- per bag. The department thus sustained a lost of Rs. 1 lakh 3000 due to short recovery towards the cost of cement at Rs. 25/- per bag. The Division Stated in December 1993 that recovery will be made from final bill of the contractor. The matter was reported to Government in September 1993. The reply is not received till April 1994."

যিহেতু অৱহেলাৰ কাৰণে কাম-কাজবোৰ পেলাই থয় আৰু দাম বাঢ়ি যায়। অন্যহাতে ঠিকাদাৰ সকলে বস্তু আদি যোগান ধৰে আৰু দাম বঢ়াই দিয়ে। সেই কাৰণে কি কাৰণত ডিভিজন বিলাকত এবছৰতকৈও বেছি দিন ধৰি কাম পৰি থাকে সেই কথা যাতে চৰকাৰে তদন্ত কৰে আৰু ইতিমধ্যে যিবিলাক দলং আৰু ৰাষ্টা মেৰামতিৰ কথা মন্ত্রী ডাঙৰীয়াই কৈছে, মই শিৱসাগৰৰ কথা কৈছো. ডি, চিলৈ টেলি-ফোন কৰিছিলোঁ, তেতিয়া তেখেতে কলে যে ইয়াৰ কাৰণে ১০ লাখ টকা দিয়া বুলি অর্ডাৰ পাইছিলোঁ, কিন্তু এক পইছাও মেৰামতিৰ নামত পোৱা নাই।

★ শ্রীশৰৎ ৰৰকটকী (মন্ত্রী):— এইটো ওৱৰ্ল্ড বেংকৰ পৰা যাব।

★ শ্রীপ্রমোদ গগৈ:— মাননীয় উপাধ্যক্ষ মহোদয়, ওৱৰ্লদ বেংকৰ পৰা টকা আহি পাই মানে জুন মাহ আহি পাবহি। টকাটো আহিব সন্দেহ নাই। ওৱৰ্ল্ড বেংকে তেনেকৈ জনাইছিল। গতিকে এতিয়া পলম নকৰি যাতে সোনকালে টকাখিনি দিয়ে তাকে আমি আশা কৰিলো।

মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, গড়কাপ্তানি বিভাগৰ ক্ষেত্রত মই এটা কথা অনুৰোধ কৰিম যে যিখিনি টকা ইয়াৰ পৰা মুকলি কৰি দিয়া হয় সেই টকা য'ত ত'ত ব্যৱহাৰ কৰা হয়। আজিকালি কিছুমানে কয় যে যে শতকৰা ৬০ ভাগ, ৪০ ভাগহে বিলিজ কৰে। এই বছৰত এল, অ, চি, শতকৰা ২০ ভাগ যাতে বিলিজ নহয় তাৰ কাৰণে চৰকাৰে মনোযোগ দিয়া দৰকাৰ। বিশেষকৈ আমাৰ অসমত প্লেইন ট্রাইবেল ডেভলপমেণ্টৰ বিষয়ে মই বেছি নকওঁ। মাননীয় সদস্য সকলে কৈছেই এইবোৰ বিষয়ে যিবিলাক অন্যায় হৈছে। সেইবিলাক যাতে ভবিষ্যতে কৰা দোষ-বিলাকৰ ওপৰত ব্যৱস্থা লোৱা হয়। চেয়াৰমেনৰ সম্পর্কে ওলাইছে। চেয়াৰমেনজন হৈছে প্রাক্তন সদস্য, মোৰ বন্ধু উপায় নাই। মেনেজিং ডিৰেক্টৰ আৰু অন্য কর্ত্তৃপক্ষক যিখিনি টকা দিয়া হয় সেইখনি যাতে বিলম্ব নকৰি মুকলি কৰি দিয়ে। অ, বি, চি ডেভলপমেণ্ট

★ Speech not corrected.

কপোৰেচনক চৰকাৰে যিমান টকা দিব লাগিছিল সিমান টকা দিয়া নাই। যিখিনিৰ কাৰণে কাম-কাজ অচল হৈ গৈছে। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, এই কেইটা বিষয় সদনত দৃষ্টি আকর্ষণ কৰিছো আৰু লগতে চেনচৰ কৰিব বিচাৰিছো। চৰকাৰী কাম-কাজৰ কাৰণে যি ধৰণে বাজেট পাছ কৰি দিয়া হৈছে সেই ধৰণে কাম হোৱা নাই। সেইকাৰণে মই চেনচৰ প্ৰস্তাৱটো উপস্থাপন কৰিছো।

★ শ্ৰীমিশন ৰঞ্জন দাস ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আসাম বিধান সভাৰ কাৰ্য্যৱলীৰ ১৩৩ নং নিয়ম অনুসাৰে আমৰা সদনে তিনিজন মন্ত্ৰীৰ বিৰুদ্ধে ভৎর্সনা প্ৰস্তাব উত্থাপন কৰেছি তাৰ উপৰ আলোচনা কৰতে গিয়ে প্ৰথমে আমি বন বিভাগ সম্পৰ্কে বলব। মহোদয়, সৰকাৰী সিদ্ধান্ত অনুযায়ী যে কোনও ৰাজ্যৰ মোট এলাকাৰ এক তৃতীয়াংশ বনাঞ্চল থাকা আবশ্যক। এই হিসাবে আমাদের ৰাজ্যে এক তৃতীয়াংশ বনাঞ্চল নেই। পত্ৰ পত্ৰিকা মাৰফৎ আমাৰ যতটুকু জানি আসামের বনাঞ্চল বড়জোৰ ২০ থেকে ২২ পাৰ্সেণ্ট। এই ব্যাপাৰে কেন্দ্ৰীয় সৰকাৰ অনেক বাৰ আসাম সৰকাৰকে হুশিয়াৰ কৰে দিয়েছেন যে আসামের বনাঞ্চল ধ্বংস হয়ে যাচ্ছে, তাকে ৰক্ষা কৰা দৰকাৰ। কাৰন আসাম ৰাজ্য প্ৰাকৃতিক ভাৰসাম্য হাৰিয়ে ফেলতে যাচ্ছে। ফলে ৰাজ্যে বৃষ্টিপাত অনেক কমে গেছে। গৰম অনেক বেড়ে গেছে। এই ব্যাপাৰে কেন্দ্ৰীয় সৰকাৰ আসামে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাৰ জন্য বিভিন্ন সময় বিভিন্ন স্কীমের মাধ্যমে অনেক টাকা দিয়েছেন। অথচ আসাম সৰকাৰ কেন্দ্ৰীয় সৰকাৰের এই কোটী কোটী টাকাৰ সদব্যবহাৰ কৰেনি। বৰং দুৰ্নীতিতে লিপ্ত হয়েছে সৰকাৰ। কোকৰাঝাৰে বনবিভাগের দুৰ্নীতি সৰকাৰের ব্যৰ্থতাৰ প্ৰমান। সেখানে ৬ হাজাৰ বিঘা নতুন বনাঞ্চল সৃষ্টি কৰাৰ জন্য কেন্দ্ৰীয় সৰকাৰ টাকা দিয়েছিল। আসাম সৰকাৰ তা কৰতে ব্যৰ্থ হয়েছে। বৰং এই ৬ হাজাৰ বিঘা নতুন বনাঞ্চল সৃষ্টিৰ পৰিবৰ্তে আসাম সৰকাৰ ৬ হাজাৰ বৰ্গমিটাৰ বনাঞ্চল ধ্বংস কৰেছে। গত এপ্ৰিল ৫ তাৰিখের আজিৰ বাতৰি পত্ৰিকায় এই খবৰ বেৰিয়েছে।

ৰাজ্যৰ এচাম দুৰ্নীতি পৰায়ণ বিষয়া আৰু চোৰাং ব্যবসায়ীৰ

★ Speech not corrected

তৎ্পরতাত বনাঞ্চল ধ্বংস যজ্ঞ অব্যাহত। সমগ্র রাজ্য জুরি বর্ত্তমানে বনাঞ্চল ধ্বংস হ'ব লাগিছে। উৎ্থাপিত অভিযোগ অনুসরি কেৱল যোৱা বছরটোতে রাজ্যখনত প্রায় ২৩৫ কোটি টকা মূল্যৰ বনাঞ্চল অবৈধভাৱে ধ্বংস করা হৈছে। উপাধ্যক্ষ মহোদয়, আমরা যখন রাজ্যৰ উন্নয়নের জন্য বিভিন্ন স্কীম নেওয়ার জন্য বিধানসভায় প্রশ্ন করি তখন সরকার থেকে উত্তর পাই যে টাকার অভাবে স্কীম গুলো হাতে নেওয়া যাচ্ছে না। অথচ এইভাবে, বেআইনীভাবে রাজহ সরকারের কোটী কোটী টাকা বাইরে চলে যাচ্ছে— সেদিকে সরকারের দৃষ্টি নাই। রাজ্য সরকারের অপারেশন ফরেষ্ট্রি এই স্কীমে কেবল দুর্নীতি হয়েছে. বনাঞ্চল ধ্বংস হয়েছে। উপাধ্যক্ষ মহোদয়, এই 'প্রতিদিন' পত্রিকায় গত ৯ এপ্রিল সংবাদ বেরিয়েছে যে "কুলচি বনাঞ্চলতো আরম্ভ হ'ল ধ্বংস যজ্ঞ আৰু চোরাং কাঠর কারবার কোকোরাঝারত। ১৩½ কিলোমিটার বনাঞ্চল ধ্বংস করিলে। এই পরিস্থিতির বাবে কোকোরাঝার বনাঞ্চলত সংঘর্ষ সৃষ্টি হয়। চোরাং বেপারীর কবলত পরি রানী বনাঞ্চলর ৪½ কিলোমিটার বনাঞ্চল ধ্বংস হ'ল।

উপাধ্যক্ষ মহোদয়, আসাম সরকারের এই ধ্বংস কার্য্য মিটারের হিসাবে মাপা সম্ভব নয়। দুর্নীতি কিলোমিটারের হিসাবে চলছে। সেখানে সাড়ে তেরো কিঃ মিঃ জুড়ে বন ধ্বংস লীলা চলছে। পত্রিকায় একটা আশ্চর্য্য-জনক কথা বেড়িয়েছে।

উপাধ্যক্ষ মহোদয়, আজির তারিখর 'আজির বাতরি' কাকতত প্রকাশিত "নেপথ্যর নায়ক আজিয়ো চরকারর বুকুর কুটুম, লেখাপানী বন বিভাগর কোটি টকীয়া কাঠর চোরাং কারবারর কাহিনী" এই সংবাদে এটা স্পষ্ট যে এই বনাঞ্চল ধ্বংস কার্য্য সরকারের সঙ্গতে চলেছে। আর এই কার্য্যে যারা লিপ্ত সরকারের বুকুর কুটুম। অথচ দোষী ব্যক্তিদের বিরুদ্ধে সরকার কোনও ব্যবস্থাই নিচ্ছেনা। ব্যবস্থা নিলে এরকম খবর প্রকাশিত হতনা। আকৌ আজির তারিখর 'নতুন দৈনিকত' প্রকাশ পোৱা মতে "বন বিভাগ এতিয়া সাক্ষী গোপাল, বনাঞ্চলত অবাধ ধ্বংস যজ্ঞ" পহু মাংসর প্রতি কিলোত ১০০ টকা। আকৌ ৯-৪ তারিখর বাতরিত প্রকাশ পোৱা মতে 'কুলচি বনাঞ্চলতো আরম্ভ হ'ল ধ্বংস যজ্ঞ। বাতরিত উল্লেখ করা মতে ঘগ্রাজুলি বনাঞ্চলত সংঘর্ষর সূত্রপাত হয়। চোরাং বেপারীর কবলত রাণী

বনাঞ্চলৰ চাৰে চাৰি কিলোমিটাৰ বনাঞ্চল ধ্বংস হ'ল। এইবাৰ কুলচি বনাঞ্চল চোৰাং বেপাৰীৰৰ ৰম্যভূমি হৈ পৰিছে। আকৌ আজিৰ বাতৰি ৫-৪-৯৫ তাৰিখৰ বাতৰিত প্ৰকাশ পোৱা মতে 'বন বিভাগত অবাধ দুৰ্নীতি অনিয়ম, দুৰ্নীতি পৰায়ণ বিষয়াক সুৰক্ষা দিয়াৰ অভিযোগ। বাতৰিত উল্লেখ কৰামতে ৰাজ্য খনত প্ৰায় ২৩৫ কোটি টকাৰ মূল্যৰ বনাঞ্চল অবৈধভাৱে ধ্বংস কৰা হৈছে আৰু সদ্য অৱসৰপ্ৰাপ্ত ৰাজ্যৰ প্ৰধান মুখ্য বন সংৰক্ষকৰ এক প্ৰতিবেদনত এই কথা স্বীকাৰ কৰি লোৱা হৈছে।' এই ডি, এফ,ও দুই বছৰ আগে আগষ্ট মাসে কৰিমগঞ্জে দায়িত্বভাৰ গ্ৰহণ কৰছেন। এৰেই মধ্যে অবৈধ ভাবে প্ৰচুৰ কাঠ কেটে নেওয়া হয়েছে। বাতৰিত উল্লেখ কৰামতে কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাত পৰিবেশ ৰক্ষা আঁচনিৰ অধীনত ১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ চনত কোকোৰাঝাৰ সংমণ্ডলৰ ৬ কোটি টকা ব্যয় সাপেক্ষে ৬০০০ হেক্টৰ মাটিত গছপুলি ৰোৱাৰ এক আঁচনি গ্ৰহণ কৰা হৈছিল আৰু পাৰম্ভিক কামত ১·২ কোটি টকা মুকলি কৰি দিয়া হৈছিল। সংবাদ আৰও লেখা ৰয়েছে। কিন্তু কোকোৰাঝাৰ বন সংমণ্ডল বিষয়াই আঁচনিৰ সম্পূৰ্ণ টকা মুকলি নোহোৱাকৈ প্ৰায় ৬০০০ হেক্টৰ এলেকাত বনাঞ্চল ধ্বংস কৰি পেলায়। আন এটা বাতৰিত প্ৰকাশ পোৱা মতে "বন ধ্বংস, কতৃপক্ষ্য নীৰব"। বাতৰিত উল্লেখ কৰামতে নগাওঁ জিলাৰ কঠিয়াতলি বনাঞ্চলতো আজি দুবছৰমানৰ পৰা চোৰাং ব্যৱসায়ীয়ে নিজা আধিপত্য বজাই ৰাখিছে। এই ব্যৱসায়ী চক্ৰটোৰ তৎ্পৰতাত ৰহস্য জনক ভাবে নিৰ্বিকাৰ কঠিয়াতলী বনাঞ্চলৰ বন বিষয়া· জনো। ৭১ হাজাৰ ঘনমিটাৰ কাঠ জব্দ কৰা হয়েছে। এটা আশ্চৰ্য্যৰ কিছু নয়। কাৰন লোক দেখাবাৰ জন্য কিছু কিছু কাঁঠ এৰা জব্দ কৰে। না কৰলে ডিভিগনেৰ দূৰ্নাম নয়। অথচ হাজাৰ হাজাৰ, লক্ষ লক্ষ কিউবিক মিটাৰ কাঠ এৰা বে-আইনী ভাবে বাইৰে পাচাৰ কৰে। এসবেৰ ফলেই আজ আসাম ৰাজ্যে প্ৰাকৃতিক ভাৰসাম্য নষ্ট হয়েছে। তাছাড়া বনাঞ্চলৰ বন্য পশুপক্ষীও নিঃশেষ হয়ে যাচ্ছে। এসবেৰ দিকে আসাম সৰকাৰেৰ নজৰ নেই। সদনে পবিত্ৰা বনাঞ্চলৰ কথা উল্লেখ কৰা হয়েছে। কাজিৰাঙ্গা, মানস এবং ওৰাং অভয়াৰন্যেৰ কথা। এসব অঞ্চল থেকে বন্য পশুপক্ষী বিলোপ হবাৰ উপক্ৰম। যদিও সৰকাৰ মাঝে মধ্যে বিধান সভায় বলেছেন যে পশুৰ সংখ্যা বৃদ্ধি পেয়েছে, আসলে তাৰা

আমাদের চোখে ধুলা দিয়ে চলেছেন। পত্রিকায় যে তথ্য প্রকাশ পাচ্ছে তার তুলনায় সরকারী জবাব এর বাস্তবের সঙ্গে কোনও মিল নাই।

মহোদয়, পি, ডাব্লু-ডি বিভাগ সম্পর্কে বলতে চাই যে এই বিধান সভায় আমি প্রশ্ন করেছিলাম যে ১৯৯৫ সালের ২৮ ফেব্রুয়ারী পর্য্যন্ত আসামের কোন কোন রাস্তা যানবাহন চলাচলের জন্য বন্ধ করা হয়েছিল? কি কারনে হয়েছিল এবং কবে এগুলো আবার যান বাহন চলাচলের জন্য খোলা হবে? এব্যাপারে সরকার কি ব্যবস্থা নিয়েছেন? মন্ত্রী মহোদয় উত্তর দিয়েছিল সব মিলে ৮৫২ টি রাস্তা গত ২৮ ফেব্রুয়ারী পর্য্যন্ত যানবাহন চলাচলের জন্য বন্ধ রাখা হয়েছে। টাকা সেংশন করা ছাড়াও বিভিন্ন ব্যবস্থা নেওয়া হচ্ছে রাস্তা চালু করার জন্য। তবে কাজ নাকি এই জুলাই মাসেই শেষ হবে। এটা হলেতো খুবই ভাল কথা। কিন্তু বাস্তব অভিজ্ঞতা হলো যে সেংশন স্কীমের টেণ্ডারেও কণ্ট্রাক্টর কাজ করছে না। তার কারন হলো তাদের বকেয়া টাকা দিতে হবে। আমার দাবী সরকার সম্পূর্ণ টাকা দিতে না পারলেও অন্ততঃ শতকরা ৫০ ভাগ টাকা দেওয়ার যেন ব্যবস্থা করেন। নতুবা কোনও কণ্ট্রাক্টর কাজ করতে রাজী হবে না। এরা ষ্ট্রাইক করে বসে আছে। অথচ এই ব্যাপারে পি, ডাব্লু, ডি বিভাগ কোনো ব্যবস্থা নিচ্ছে না। আশাকরি মন্ত্রী মহোদয় তার জবাবে এসব কথা উল্লেখ করবেন।

মহোদয়, প্লেইন ট্রাইবস্ এবং অন্যান্য বেকওয়ার্ড জনসাধারনের উন্নয়নের জন্য ডাব্লু পি টি বিভাগ খোলা হয়েছে। এই বিভাগ খোলা হয়েছে, তার কর্পরেশনও আছে। যে বাজেটে এই বিভাগের জন্য এলোকেশন করা হয়। দেখাযায় প্লেন কাট্ করে এই বিভাগের টাকা উঠিয়ে নেওয়া হয়। ফলে এই বিভাগ পঙ্গু হয়ে আছে। আমরা বিধান সভায় প্রশ্ন করেছিলাম যে ১৯৯২-৯৩ ইংতে এই বিভাগে কোনও কাজই হয় নি। তার জবাব হলো যে কর্পরেশনে যা টাকা দেওয়া হয়েছে তা উঠিয়ে নেওয়া হয়েছে আর ফিরিয়ে দেওয়া হয় নি। আর জেলা ভিত্তিক যে ও বি সি বোর্ড রয়েছে সেটাতো সার্টিফিকেট বিক্রী করার অফিস। তাছাড়া আর কিছু কাজ নেই এদের। কেন্দ্রীয় সরকার

যে নির্দ্দেশ দিয়েছে যে শতকরা ২৭ ভাগ চাকরী ও বি সি, এম ও বি সি প্রার্থীদেরে দিতে হবে রাজ্য সরকার তা মানছে না। এ ব্যাপারে সুপ্রীম কোর্টের নির্দেশও অমান্য করা হচ্ছে। ১৯৯৩ সালে যে সংশোধনী পাশ করা হয়েছিল আসাম সরকার এই আইন এখনো রূপায়িত করছে না। তাই আমরা আজ এই ভৎর্সনা প্রস্তাব আনতে বাধ্য হয়েছি। আমি বিশ্বাস করি সরকারে এই তিনিটা বিভাগের মন্ত্রী ফরেষ্ট, পি ডাব্লু, ডি, এবং ডাব্লু পি টি বিভাগের মন্ত্রী ভৎর্সনার যোগ্য। এরা জনগনের স্বার্থ দেখতে ব্যর্থ হয়েছে। এই বলে আমি আমার বক্তব্য শেষ করলাম।

Mr. Deputy Speaker :— Now, Hon'ble Member Shri Dewan Joinal Abedin.

★ শ্রীদেৱান জয়নাল আবেদিন : মাননীয় উপাধ্যক্ষ মহোদয়, এই ভৎর্সনা প্রস্তাবৰ ওপৰত ভালেখিনি কথা আলোচনা হৈছে। মই আলোচিত কথা বিলাক পুণৰ আবৃতি কৰিব বিছৰা নাই। মই মাত্র দুটামান কথা ৰাখিব বিচাৰিছো। প্রথমতে গড়কাপ্তানী বিভাগৰ সম্পর্কে দুটামান কথা কব বিচাৰিছো। ইতিমধ্যে আমাৰ মাননীয় সদস্য দুই এজনে এই কথা কেইটা কৈছে। উপাধ্যক্ষ মহোদয়, আমাৰ এই চৰকাৰে, এই কথা কৈছে যে তেওঁলোকে হিচাপ পত্র দিছে, গোটেই ৰাজ্যত কিমান দলং ৰাস্তা বেয়া হৈ আছে। আৰু এই জুন মাহৰ ভিতৰত ভাল কৰিবলৈ নির্দ্দেশ দিছে। আৰু ইয়াৰ কাৰণে যি টকা পইচাৰ প্রয়োজন হয় তেওঁলোকে যোগান ধৰিব। এই তথ্য সদনত কোৱা হৈছে। এই বিলাক তেওঁলোকে কোৱা কথা নে আচলতে কৰিব সেইটো আমি নাজানো যদি তেওঁলোকে কোৱা মতে কৰে তেন্তে ভাল কথা কিন্তু আমাৰ অভিজ্ঞতা অনুসৰি আজি তিনি বছৰে দেখিছো বিশেষকৈ মোৰ সমষ্টিত আৰু চাবডিভিজনত কোনো কাম হোৱা নাই। অইন কাম নালাগে এচ, পি, ডি, চি, এম, এন, পি আৰু চিডিউলকাষ্ট ডেভেলাপমেণ্ট অথোৰিটিৰ টকা পইচা পালে, বোর্ডাৰ বোড ডেভেলাপমেণ্টৰ টকা পইচা পালে আমাক আচনি দিবলৈ কয়, তেওঁলোকে সময় ধৰি দিয়ে ইমান সোনকালে দিব লাগে। আৰু সেইমতে আমি আচনি বিলাক দিও কিন্তু যোৱা তিনি বছৰৰ ভিতৰত কিমান

★ Speech not corrected

ৰাস্তা হ'ল? কোনো কামেই হোৱা নাই। এইটো ব্যৱস্থাই যদি চলি থাকে তেন্তে অসমৰ অৱস্থা কি হব নাজানো। অৱশ্যে এইটো মোৰ সমষ্টিৰ কথাহে কৈছো। বাকী অসমত কি হৈছে নাজানো। চৰকাৰে যে এই বাৰ এই খিনি কথা কৈছে যদি আগৰ তিনি বছৰৰ নিচিনাই কৰে তেন্তে কি হব কব নোৱাৰো। আগত যিহেতু নিৰ্ব্বাচনটো আছে গতিকে ৰাইজে ভোট দিয়ক নিদিয়ক পিছৰ কথা, সদনৰ মজিয়াত কোৱা কথা ৰাখিবলৈ যত্ন কৰিব বুলি আশা ৰাখিছো। কাম আৰম্ভ কৰিবলৈ নিৰ্দ্দেশ দিলে কিন্তু ঠিকাদাৰে কাম কৰে কেনেকৈ? কিছু দিন আগতে এনেকৈ কাম কৰিবলৈ নিৰ্দ্দেশ দিলে কিন্তু ঠিকাদাৰ সকলৰ কোটি কোটি টকা পাবলগীয়া হৈ চৰকাৰৰ ঘৰত পৰি আছে। গতিকে তেওঁলোকে কোনেও এখনো নিবিদা নিদিলে। তেওঁলোকৰ টকা চৰকাৰৰ ঘৰত পৰি আছে। কিন্তু চৰকাৰ দেউলীয়া। একোজন প্ৰথম শ্ৰেনীৰ ঠিকাদাৰৰ এনেকুৱা অৱস্থা হৈছে যে ঘৰত লৰা ছোৱালীৰ খাবলৈ ভাত নাই। দোকানত বাকী নিদিয়ে। আনৰ পৰা চাউল খুজি ভাত খাবলগীয়া হৈছে। এনেকুৱা ঠিকদাৰ সকলক চৰকাৰৰ ঘৰত পৰি থকা লাখ লাখ টকাৰ পৰা যদি টকা নিদিয়ে তেওঁলোকে কাম কৰ পৰা কৰিব? যদি সকলোকে সময় মত টকাটো উলিয়াই নিদিয়ে তেন্তে এই কাম নহব। উপাধ্যক্ষ মহোদয়, এই টকা উলিয়াই দিয়া ক্ষেত্ৰত দুটা কথা আছে প্ৰথমটো হ'ল ৰেভিনিউ ডিপোজিট। প্ৰত্যেক বছৰে ৩১ মাৰ্চৰ আগতে বিভাগে সময়মতে খৰছ কৰিব নোৱাৰা কাৰণে নেকি বাতা বাতি এই টকা ৰেভিনিউ ডিপোজিটত সোমাই থোৱাৰ ব্যৱস্থা কৰিছে এইটো হৈছে মাছ মাৰোতে ব্যৱহাৰ কৰা চেপাৰ নিচিনা। ইয়াত সকলো বিভাগৰ টকা ৩১ মাৰ্চৰ আগতে সুমাই কিন্তু নোলায়। বিভাগ বিলাকে যদি ঠিক ঠিক ব্যৱস্থা বিলাক পূৰণ কৰে তেন্তে তেওঁলোক টকা বিলাক পাব। কিন্তু এই বিলাক জবাব ঠিক ঠিক দিও তেওঁলোকে হায়ৰান হৈ যায় কিন্তু টকাটো নোলায়। শেষত দেখা যায় ইয়াৰ ফলত কাম নহয়। এইটো কিয় হব লাগে? ৩১ মাৰ্চৰ শেষত টকা বিলাক বিভাগক দিয়াৰ ব্যৱস্থা কৰিব লাগে। তাকে নকৰাৰ ফলত এনেকুৱা

অৱস্থাৰ সৃষ্টি কৰা হৈছে। কেৱল গড়কাপ্তানী বিভাগতেই যে এনে অসুবিধা হৈছে এনে নহয় সকলো বিলাক বিভাগতেই এনে অসুবিধা হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে অনুৰোধ কৰো যাতে এই অসুবিধা দূৰ কৰিব লাগে। আৰু তৎকালীন তাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইয়াৰ পাচত এল, ও, চি টকাটো বিলিজ কৰি দিওতে বিভাগ বিলাকত টকা বিলিজ নহয়। টকা বিলিজ দিওতে সেই টকা বিভাগৰ যিবিলাক ঠিকাদাৰ বা ফার্মে পাব লাগে তেওঁলোকে ইয়ালৈ আহিব লাগে দিচপুৱত আহি ধৰণা আৰু তংবীৰ কৰিব লাগে আৰু মাননী দিব লাগে। তাৰ পাচত তেওঁলোকৰ নামত এল, ও, চি যায়। এই ব্যৱস্থাটো অতি ত্ৰুটিপূৰ্ণ ব্যৱস্থা হৈছে। নহলে দেখা গৈছে এল, ও, চি যাওতে লগতে এখন লিষ্টো যায়। আৰু ইঞ্জিনিয়াৰে সেই লিষ্টৰ পৰা টকা দিয়ে।

(Mr. Speaker occupied the Chair.)

অধ্যক্ষ মহোদয়, লিষ্টত নাম থকা মানুহেহে টকা পায়। কিন্তু এই ব্যৱস্থাটো বন্ধ কৰা বুলি কৈছে। আমি এইবিলাক দেখিছো আৰু মোৰ তিক্ত অভিজ্ঞতা আছে। আজি দেখা গৈছে এল, অ, চি যায় বিশেষ বিশেষ ঠিকাদাৰৰ নামত যি সকলে ইয়াত সন্তুষ্ট কৰিব পাৰে। আৰু তাৰ ভিতৰত অঙহী বঙহী মন্ত্ৰী সকলৰো থাকে। যিসকল মন্ত্ৰীৰ প্ৰিয়পাত্ৰ সেইসকল ঠিকাদাৰৰ নাম যায়। গতিকে এই বিভাগটো যি অৱশিষ্ট সম্মান আছে সেইটোও যায়। গতিকে এই ব্যৱস্থাটোৰ অন্ত পেলাব লাগে। আৰু এটা কথা যে, আগতে আমি শুনিছিলো পি, ডব্লিও, ডি বিভাগটোয়েই ভাল হৈ আছে। বাকী বান নিয়ন্ত্রন, ইৰিগেচন আদি বিভাগবোৰত ভাল কাম হোৱা নাই। তেওঁলোকে ভুৱা বিল দিয়ে আৰু ৬০/৪০ আদি নানা ধৰণৰ কাম হয়। পি, ডব্লিও, ডি বিভাগৰ যিটো সম্মান আছে সেই সম্মান নোহোৱা হৈছে। এই বিভাগে এতিয়া সকলোকে চেৰ পেলাইছে। এই বিভাগটো এনে হব নালাগে কাৰণ এইটো এটা পুৰণা বিভাগ। এই বিভাগৰ সুনাম বক্ষা কৰিব লাগে। এতিয়া আমি দেখিবলৈ পাইছো সেইটো হোৱা নাই। গতিকে উপাধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাইছো যে, এতিয়াও যিখিনি

অৱশিষ্ট মন্মান আছে সেইখিনি ৰক্ষা কৰক । গড়কাপ্তানী বিভাগৰ সম্পৰ্কত এটা প্ৰশ্ন দিছিলো পৰিবহন মন্ত্ৰীৰ নামত কিন্তু প্ৰশ্নটো ঘুৰি আহিল । আমাৰ নৰনাৰায়ণ সেতু নিৰ্ম্মান হৈ আছে তাৰ লগতে ব্ৰডগজ ৰেল লাইনো নিৰ্ম্মান হৈ আছে ৰেল লাইনৰ কাম লেহেম গতিত চলিছে । কাৰণ তাৰ পৰা অফিচাৰ আৰু মানুহখিনি লৈ অহাৰ বাবে কাম বন্ধ হৈ গৈছে । এইটো হলে নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত ৰেল লাইনৰ চালু কৰিব পৰা নহব । ডাঙৰ কথা হৈছে যে, মইও চৰকাৰক জনাইছো আৰু দেপুটেচনো আহিছে ৰেল লাইনৰ পৰা পঞ্চৰত্নত নামিব পৰাকৈ এটা লেণ্ডিংৰ ব্যৱস্থা কৰিব লাগে । সেইটো পৰিবহন মন্ত্ৰীয়ে নকৰে । এই ব্যৱস্থাটো পি, ডব্লিও ডি বিভাগে কৰিব লাগিব নহলে পঞ্চৰত্নৰ মানুহখিনি আগিয়া হৈ ৯ কিলোমিটাৰ ঘুৰি আহিব লাগিব । গতিকে মই অনুৰোধ কৰিছো যে নৰনাৰায়ন সেতুৰ লগতে এটা লেণ্ডিংৰ ব্যৱস্থা কৰিব লাগে । অধ্যক্ষ মহোদয়, বন বিভাগ সম্পৰ্কত বহুতো সদস্যই বহুতো কথা কৈছে । সময়ো নাই গতিকে বন বিভাগত হাত নিদিলো । এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰিলো ।

Mr. Speaker : Now Hon'ble Member Shri Holi Ram Terang.

★ শ্ৰীহলিৰাম টেৰাং : মাননীয় অধ্যক্ষ মহোদয়, মই পি, ডব্লিও, ডি বিভাগৰ এটা ঘটনাৰ কথাহে কম । যাতে এই বিভাগত কাম বিলাক ভাল হয় । অৱশ্যে এইটো হিল ‘এৰিয়াৰ কথা । মন্ত্ৰী মহোদয় এতিয়া সদনত নাই যদিও যি গৰাকী মন্ত্ৰী আছে তেখেতে খবৰ ললেই ভাল হব । এজন ইঞ্জিনিয়াৰ আছিল এচ, ডেকা । তেওঁ দকমকা ডিভিজনৰ একজিকিউটিভ ইঞ্জিনিয়াৰ আছিল । তেওঁৰ কাম কাজ বিলাক বেয়া হোৱাৰ বাবে কাৰ্বি আংলং জিলা পৰিষদে তেওঁক বৰ্খাস্ত কৰিলে । কিন্তু কোনোবাই ইনটেনচনেলি বৰ্খাস্ত কৰা লোকজনক বেকডেট দি বদলি কৰি আনিলে । তেওঁ চাচপেনচন বিভাৰ্ট কৰাৰ কাৰণে বহুতো চেষ্টা কৰিছিল । কিন্তু তেওঁক বেকডেট দি বদলি কৰি অনা হ'ল । কাগজত দেখুৱালে তেখেতক হাফলং চাৰ্কোললে এচ, ই কৰি অনা হ'ল । যিজন মানুহক কাৰ্বি

★ Speech not corrected.

আংলং জিলা পৰিষদে চাচপেণ্ড কৰিলে, তেওঁক হাফলঙলৈ এচ, ই কৰি অনা হ'ল। অডিট কৰা হ'ল তাৰ পিচত তেওঁক চাচপেণ্ড কৰাটো যে সঠিক আছিল সেইটো অডিট ৰিপোৰ্টৰ যোগেদি কনফাৰ্ম কৰা হ'ল। আগতে তেওঁ ধেমাজীত আছিল তেতিয়া তাৰ বাইজে তেওঁক অপদস্তও কৰিছিল। হাফলং চাৰ্কোলত কোটি কোটি টকাৰ কথা আছে তাৰোপৰি চাচপেণ্ড কৰা এজন মানুহক এনে এটা চাৰ্কোলত যদি দিয়া হয় তেনেহলে কি নহব পাৰে ? যোৱা জানুৱাৰী মাহত এটা ঘটনা ঘটিছিল মাইবং পি, ডব্লিও, ডি ডিভিজনত। তাৰ একজিকিউটিভ ইঞ্জিনিয়াৰক বদলি কৰিলে আৰু ডেকাই চাৰ্জ ললে। বাইজে আপত্তি কৰিলে তেওঁৰ দিনত যিবিলাক কাম হৈছিল তাৰ টকা ঠিকাদাৰ সকলে পোৱা নাছিল। কিন্তু ঠিকাদাৰ সকলে গম পালে যে, ১৫ লাখ টকা আহিছে তেতিয়া তেওঁলোক মাইবঙলৈ গৈ ডেকাক লগ ধৰিলে। কিন্তু ডেকাই কিছুমান অফিচাৰৰ লগ হৈ মাইবঙৰ পৰা পলাই আহি দিউমুখ পালেহি আৰু তাৰ চেকচনেল অফিচাৰৰ লগ লাগি ২৫ জানুৱাৰী তাৰিখে চেক ইচু কৰিলে। কিছুমান ঠিকাদাৰক চেক দিলে কিছুমানক দিয়া নহল। দিউ-মুখত থকা বুলি কৈ তেওঁ পলাই আহি গুৱাহাটী পালেহি। ২৮ জানুৱাৰী তাৰিখে চেক ইচু কৰিলে গতিকে যিসকল ঠিকাদাৰে পইচা পোৱা নাই তেওঁলোকৰ বিল বিলাক পেমেণ্ট কৰিব লাগে। দ্বিতীয়তে কথা হৈছে যে, যদিহে টকা কম থাকে তেনেহলেও তেখেতে নিজৰ অফিচতে বহি কামখিনি কৰিব পাৰে। এইটো ঠিক হোৱা নাই। মন্ত্ৰী মহোদয়ে এইটোৰ এটা তদন্ত কৰিব লাগে। এইটো হ'ল হিল পি, ডব্লিও ডিৰ নমুনা। এতিয়া মই এটা প্লেইনচ পি, ডব্লিও, ডিৰ কথা কব বিচাৰিছো। অধ্যক্ষ মহোদয় আপোনাৰ নিজৰ সমষ্টিলৈ যাঁওতেও ডবকা পাৰ হৈ যাব লাগে। কিন্তু কেনেকৈ পাৰ হৈ যায় ? আজি ১৫/১৬ বছৰে বাস্তা বিলাক বেয়া হৈ আছে। নগাওঁৰ পৰা লামদিঙলৈ আহিবলৈ হলে এই ডবকাৰ অংশটো পাৰ হৈ আহিব লাগে। ডবকাৰ অংশটো কিয় ভাল কৰা নাই কিবা টেকনিকেল গণ্ডগোল আছেনেকি ? এইটো মন্ত্ৰী মহোদয়ে জনালে ভাল হয়।

অধ্যক্ষ মহোদয়, ডবকাৰ পৰা ডিমাপুৰলৈ যিটো ৩৬ নং ৰাষ্ট্ৰীয়

ঘাই পথ আছে এইটো কিয় ঠিক কৰা হোৱা নাই? তাত যি কেইজন ঠিকাদাৰ আছে এই কামৰ কাৰণে, তেওঁলোকক মাতি আনি আমি কিছু কাম কৰিবলৈ কোৱাৰ কাৰণে তাত কিছু কাম হৈছে কিন্তু এইটো আমাৰ জিলা পৰিষদৰ এষ্টিয়াৰৰ ভিতৰত নপৰে। কেতিয়াবা এনে হৈ যায় যে হাইওৱে ৩৭ নং যদি কিবা কাৰণত ব্লক হৈ যায় তেতিয়া নগাও ডবকা হৈ ডিমাপুৰ হৈ মনিপুৰলৈ যাবলগীয়া হয়। ডবকাৰ নেচনেল হাইওৱে পৰচন অতি সোনকালে ভাল কৰিব লাগে। ফৰেষ্টৰ পৰচনটো কাম আৰম্ভ কৰা নাই সেইখিনিও কৰিব লাগে। মাননীয় সদস্য সকলে বিভিন্ন অঞ্চলৰ ৰাস্তা ঘাটৰ দুৰবস্থাৰ বিষয়ে কৈছেই গতিকে চৰকাৰে এই সকলোবোৰ ৰাস্তা ঘাট, দলং অতি সোনকালে মেৰামতি কৰি যাতায়তৰ কাৰণে সুচল কৰি তুলিবলৈ মই বিভাগীয় মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো। মই যি কেইটা কথা উল্লেখ কৰিছো সেই কেইটাৰ প্রতিও মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ কৰিব খুজিছো তেখেতে যেন সোনকালে কৰাৰ ব্যৱস্থা কৰে।

মাননীয় অধ্যক্ষ : এতিয়া মাননীয় সদস্য শ্রীচন্দন কুমাৰ চৰকাৰ।

★ শ্রীচন্দন কুমাৰ চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ বিৰোধী দলৰ বিধায়ক বন্ধু কেইজনে আমাৰ তিনিটা বিভাগৰ ওপৰত যি ভৎর্সনা প্রস্তাৱ আনিছে, তাৰ বিৰোধিতা কৰি মই কেইটামান কথা আপোনাৰ দৃষ্টিগোচৰ কৰিব খুজিছো। মই প্রথমেই বন বিভাগৰ ওপৰত কবলৈ ওলাইছো। এই বিভাগটোৰ সম্পর্কত ভালে-কেইজন সদস্যই অভিযোগ উত্থাপন কৰিছে। এই ক্ষেত্রত মই আপোনাৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো আৰু কব বিচাৰিছো যে এই বন সম্পদ ৰক্ষণা-বেক্ষণ দিয়াৰ ক্ষেত্রত অভিযোগ আহিছে যে ৰক্ষণা-বেক্ষণ চৰকাৰে দিব পৰা নাই এই কথা মুঠেও সচা নহয়। অধ্যক্ষ মহোদয়, ১৯৭৯ চনৰ পৰা আমাৰ ইয়াত অসম আন্দোলন আৰম্ভ হৈছিল আৰু ১৯৮৫ চনত অসমত এখন চৰকাৰ গঠন হৈছিল। আন্দোলনৰ সময় ছোৱাত গোটেই অসমত এক অৰাজকতাৰ সৃষ্টি হৈছিল। তাৰ পিচত বড়ো সকলৰ আন্দোলন আৰম্ভ হৈছিল। এই আন্দোলনো গোটেই অসমতে

★ Speech not corrected

হৈছিল বুলিব পাৰি। এই আন্দোলনৰ কাল ছোৱাত ৰাজ্য খনত এনে এক বিশৃংখল পৰিস্থিতিৰ সৃষ্টি হৈছিল, আইন শৃংখলা পৰিস্থিতিৰ সৃষ্টি হৈছিল যে চৰকাৰে জনসাধাৰণক নিৰাপত্তা দিবনে বন সম্পদক নিৰাপত্তা দিব? আমাৰ চৰকাৰে কার্য্যভাৰ লোৱা আজি ৪ বছৰ হৈছে আৰু এই সময় ছোৱাত ৰাজ্যৰ বন সম্পদ ৰক্ষণা-বেক্ষণ দিয়াৰ কাৰণে চৰকাৰে যথেষ্ট কাম কৰিছে। বনজ সম্পদ ৰক্ষাৰ কাৰণে ফৰেষ্ট ফোর্চ গঠন কৰা হৈছে। কিন্তু চৰকাৰৰ বন ৰক্ষনাবেক্ষণৰ প্ৰচেষ্টা স্বত্তেও যোৱা ভালেমান বছৰত বিশেষকৈ ১৯৭৯ চনৰ পৰাই অসমৰ বিভিন্ন বনাঞ্চল এচাম কুচক্রী লোকৰ দ্বাৰা ধ্বংস কৰা আৰম্ভ কৰিছে আৰু ইয়াৰ দ্বাৰা অসমৰ অর্থ-নৈতিক কাঠামো ক্ষতিগ্রস্ত হ'ব। বিৰোধী দলৰ সদস্য সকলে অস্বীকাৰ কৰিব নোৱাৰে যে ১৯৮৫ চনৰ পৰা ১৯৯০ চনৰ ভিতৰত অসমৰ কোকো-ৰাঝাৰ অঞ্চলত বিভিন্ন বনাঞ্চলত ধ্বংস কার্য্য যথেষ্ট পৰিমাণে সংঘটিত হৈছিল। অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিব খুজিছো যে ১৯৭৯ চনৰ পৰা বর্ত্তমানলৈকে কোন কোন বছৰত কিমান কাঠ চোৰাং ব্যৱসায়ীৰ দ্বাৰা ধ্বংস কৰা হৈছে, চৰকাৰে কিমান কাঠ বিক্রী কৰিছে, তাৰ এক বিস্তৃত ৰিপোর্ট তৈয়াৰ কৰিব লাগে, তেতিয়াই সকলো কথা ওলাই পৰিব। বিৰোধী পক্ষই এনেয়ে চৰকাৰক দোষ দিলেই নহব। অধ্যক্ষ মহোদয়, অসমৰ বনাঞ্চল আজি কোনে ধ্বংস কৰিছে? বাংলাদেশী বা বিদেশীয়ে নহয় ৰৰঞ্চ অসমৰ স্থায়ী বাসিন্দা থলুৱা নিগাজীকৈ বসবাস কৰা লোকেহে এই কাম কৰিছে। আজি ৰাইজৰ মাজত যদি বনজ সম্পদ ৰক্ষা কৰাৰ কাৰণে আগ্রহ নজন্মে তেন্তে এই সম্পদ কেৱল চৰকাৰে ৰক্ষণাবেক্ষণ দিব নোৱাৰে। আমাক গছ-গছনি লাগে, আমি জীয়াই থাকিবলৈ, পশু পক্ষী জীয়াই থাকিবলৈ এই ভাব ৰাইজৰ মাজত জাগ্রত হব লাগিব। পৰিবেশ সংৰক্ষণৰ জ্ঞান ৰাইজৰ হব লাগিব। ইয়াৰ মাজতো সীমিত ফোর্চেৰে আমাৰ চৰকাৰে বন সম্পদ ৰক্ষণাবেক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে। সামাজিক বনানীকৰণ বিভাগত আজি ৰাজ্যখনত যথেষ্ট ভাল কাম কৰা হৈছে। গোলাঘাটৰ পৰা কাজিৰঙালৈ আহোতে বাটত এখন অতি সুন্দৰ পার্ক দেখা পোৱা যায়। এইখন সামাজিক বনানীকৰণ বিভাগে কৰিছে।

মই ভাবো আমাৰ চৰকাৰে এই বিভাগক আৰু অধিক টকা বাজেটত দিব লাগে একে কামৰ কাৰণে। সামাজিক বনানীকৰণ বিভাগে অভয়াপুৰি, নগাও আদি ঠাইটো অতি সুন্দৰ কাম কৰিছে ৰাজ্যৰ অন্যান্য ঠাইতো ভাল কাম কৰিছে। বন বিভাগে অসমত কাম কৰিছে, সেইটো স্বীকাৰ কৰিব লাগিব। বন বিভাগত যি সকলে দুৰ্নীতি কৰিছে সেই সকলক চৰকাৰে চাকৰিৰ পৰা নিলম্বিত কৰিছে, আৰু বিভাগীয় গোচৰ চলাইছে তেওঁলোকৰ বিৰুদ্ধে। এই দুৰ্নীতি পৰায়ণ বিষয়া সকলক আমাৰ চৰকাৰৰ ফালৰ পৰা ৰক্ষণা-বেক্ষণ দিয়াৰ চেষ্টা কৰা নাই। চৰকাৰে তেওঁলোকক চেফগার্ড দিয়া নাই। যি সকলে বেয়া কাম কৰিছে সেই সকলৰ ওপৰত চৰকাৰে তথা মুখ্যমন্ত্রীয়ে ব্যৱস্থা গ্রহণ কৰিছে। বাতৰিত প্রকাশ পোৱাৰ দৰে আমাৰ কাৰো চোৰাং চিকাৰীৰ লগত সম্পর্ক নাই। এজন জেষ্ঠ সদস্যই বাতৰি কাকতৰ উদ্ধৃতি দি যি অভিযোগৰ কথা কৈছে সি সত্য নহয়। বাতৰি কাকতত প্রকাশ পোৱা সকলো খবৰ তথ্যৰ ওপৰত প্রতিষ্ঠিত নহয়। বনজ সম্পদ ৰক্ষণাবেক্ষণ দিয়াৰ ক্ষেত্রত চৰকাৰে কোনো ত্রুটি কৰা নাই। আমাৰ বন সম্পদ ৰক্ষা কৰাৰ কাৰণে ফৰেষ্ট বেটেলিয়ন আছে। কিন্তু এই বেটেলিয়নৰ সংখ্যা কম হৈছে আৰু চৰকাৰে বৃদ্ধি কৰাৰ ব্যৱস্থা কৰিব লাগে। মই চৰকাৰক এই খিনিতে এটা কথা কব খুজিছো যে বনজ সম্পদ ৰক্ষা কৰাৰ ক্ষেত্রত পাব্লিক চেন্টিমেণ্ট দ্র কৰিব লাগিব। আমাৰ ১২৬ টা সমষ্টি আছে আমি যদি প্রত্যেক সমষ্টিটে একোখনকৈ কমিটি গঠন কৰো বুদ্ধিজীৱি, শিক্ষাবিদ, আৰু সমাজৰ নেতৃস্থানীয় লোকক লৈ এই আমাৰ অতি প্রয়োজনীয় গছ-গছনি ৰক্ষা কৰাৰ দিশত তেতিয়া বহুত কাম হব বুলি মই ভাবো। ৰাইজক যদি এই ক্ষেত্রত সজাগ কবি তুলিৰ পৰা যায় তেহে আমাৰ এই বনজ সম্পজ বক্ষা পবিব। ৰাইজৰ মাজত থকা গছ কটা অভ্যাস নোহোৱা কৰিব লাগিব। অধ্যক্ষ মহোদয়, এতিয়া মই গড়কাপ্তানী বিভাগৰ বিষয়ে কবলৈ ওলাইছো। মাননীয় বিৰোধী দলৰ সদস্য সকলে এই বিভাগত কাম-কাজ হোৱা নাই বুলি অভিযোগ কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৫ চনৰ পৰা ১৯৯১ চনলৈ যিমান বিলাক ৰাস্তা ঘাটৰ কাম কৰা হৈছিল সেই টকাবিলাকৰ বিল দিয়া হৈছে। যি দেখা যায় আগৰ চৰকাৰৰ আমোলৰ সময়ৰ বেছিভাগ ৰাস্তা-ঘাটৰ টকা আমাৰ চৰকাৰে দিব লগা হৈছে। অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিৰোধী দলৰ বিধায়ক বন্ধুসকলে ঠিকাদাৰ সকলক বিলৰ টকা সোনকালে মোকলাই দিব লাগে বুলি কৈ আহিছে। এতিয়া কথা হৈছে টকা দিবলৈ গলে সমালোচনা কৰে আৰু নিদিলেও সমালোচনা কৰে। আপুনি নিজে এইটো বিবেচনা কৰি চাওঁক। পি, ডব্লিউ, ডি বিভাগৰ যথেষ্ট কাম হৈছে। ২ হাজাৰৰো অধিক দলং ভাল কৰা হৈছে। ৰাস্তা-ঘাট ভাল কৰা হৈছে। আজি কেইদিনমানৰ আগতে মাননীয় সদস্য শ্রীভূপেন ৰায় ডাঙৰীয়াৰ সমষ্টিৰ ৪ খন দলং বেয়া হৈ আছিল। মই নিজে তেখেতৰ লগত গৈছো এছ, ডি, অ' আৰু ইঞ্জিনিয়াৰ লগত লৈ। এতিয়া তেখেতৰ সমষ্টিৰ সেই দলং কেইখন সম্পূর্ণ হৈছে। আপুনি তেখেতক সোধক হৈছে নে নাই ? আমাৰ বাজেটত পি, ডব্লিউ, ডি বিভাগৰ ৰাস্তা-ঘাট, দলং আদিৰ নির্ম্মাণৰ কাৰণে কিমান টকা মঞ্জুৰী দিছে। যিখিনি টকা দিয়া হৈছে সেই টকাৰে যিমান কাম হব লাগে সেইখিনি হৈছে। য'ত এক হাজাৰ কোটি টকাৰ দৰকাৰ তাত যদি দিয়া হয় ৫০০ কোটি টকা কেনেকৈ সম্ভৱ হব সকলোবিলাক কাম সম্পূর্ণ কৰাটো। গতিকে আধা কাম হব। তাতে আকৌ যোৱা চৰকাৰৰ দিনৰ কামৰ কিছু টকা আমাৰ চৰকাৰে প্রথম অৱস্থাতে ১৯৯১-৯২ চনত পি, ডব্লিউ, ডি বিভাগে বিল মুকলি কৰি দিছে। সেই টকাবিলাক বেছিভাগ ঋণৰ ক্ষেত্রত খৰচ কৰা হৈছে। ১৯৯২-৯৩ চনতো আগৰ ধন বহুতখিনি দিয়া হৈছে ; সেই কাৰণে মুখ্য মন্ত্রীয়ে ১৯৯৩-৯৪ চনত বিশেষ নির্দেশ দিছে আমাৰ চৰকাৰে মুকলি কৰি দিয়া টকা ৭৫ শতাংশ গাওঁৰ ৰাস্তা-ঘাটৰ কামত খৰচ কৰিব লাগিব। গতিকে কাম হোৱা নাই বুলি কব নোৱাৰি। যথেষ্টখিনি কাম কৰা হৈছে। আৰু আমি আশা ৰাখিছো আমি যেনেকৈ বঙ্গাইগাওঁ জিলাত ৰাস্তা ঘাট নির্মাণৰ বাবে ৬৪ লাখ টকা পাইছো আৰু ৬৪ লাখ টকাৰ কামো হৈছে ঠিক তেনেদৰে সকলো সমষ্টিতে টকা পাইছে। অধ্যক্ষ মহোদয়, যোৱা

১ তাৰিখে বিভাগীয় মন্ত্রীয়ে নিৰ্দেশ দিছে যিবিলাক ৰাস্তা আৰু দলং বেয়া হৈ আছে সেই বিলাক ভাল কৰিবলৈ। বৰ্তমান কাম আৰম্ভ হৈছে। কিন্তু একোখন দলংৰ কাম দুই এদিনতে কৰা সম্ভৱ নহয়। একোখন ডাঙৰ দলং নিৰ্মাণ কৰোতে ৩/৪ মাহ সময় লাগে। আনকি কেতিয়াবা ৬ মাহ পৰ্য্যন্ত সময় লাগে। আমাৰ বিশ্বাস কাম যিহেতু আৰম্ভ হৈছে, গতিকে চৰকাৰে নিশ্চয় অতি সোনকালে টকা মোকলাই দি ৰাস্তা-ঘাটৰ কাম সম্পূৰ্ণ কৰিব।

অধ্যক্ষ মহোদয়, মই এতিয়া কবলৈ বিচাৰিছো ডব্লিউ, পি, টি আৰু বি. চি. বিভাগৰ বিষয়ে। ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ বিভাগৰ ওপৰত যি ভৎৰ্সনা প্ৰস্তাৱ আনিছে সেইটো বৰ দুখ লগা কথা। আমি বিভাগৰ ৰেকৰ্ড চাই দেখিছো ১৯৭৯-৮০ চনৰ পৰা গোটেই অসমতে অনুসুচীত জাতি / অনুসুচীত জনজাতিৰ কি কি কাম হৈছে। সেই গোটেই বিলাক খতিয়ান আমাৰ মাননীয় সদস্যসকলেও নিশ্চয় দেখিছে। সেই তেতিয়াৰে পৰা তুলনামূলক ভাৱে ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈ এই বিভাগৰ যথেষ্ট কাম হৈছে। ১৯৯০-৯১ চনত ৩ কোটি ৬৭ লাখ টকা ৰেভিনিউ ডিপোজিত হৈছে। আমাৰ বিভাগীয় মন্ত্রীয়ে ৰেভিনিউ ডিপোজিটৰ টকা ফাইনেন্স কমিছনাৰৰ লগত আলোচনা কৰি মোকলাই আনিছে আৰু গোটেই অসমতে এই টকাখিনি প্ৰতিখন জিলাতে ৬০ হাজাৰ টকাকৈ দিয়া হৈছে। এছ চি ডেভেলপমেণ্ট কৰ্পো'ৰেছনৰ সভাপতিয়ে কোনো কাম নকৰাকৈ ১৫ লাখ টকা আত্মসাৎ কৰাৰ অভিযোগ তুলিছে। আপোনালোক সকলোৱে জানে যে ১৯৫৬ চনৰ কোম্পানী এক্ট মতে কৰ্পো'ৰেছনৰ টকা পইচা খৰচ কৰাৰ ক্ষেত্ৰত চৰকাৰৰ কোনো অধিকাৰ নাই। বোৰ্ড অৱ ডাই�ৰেক্টৰচৰ অনুমোদন সাপেক্ষেহে টকা পইচা খৰচ কৰিব পাৰে। বোৰ্ড আৱ ডাইৰেক্টৰচৰ আমাৰ এছ, চি,। এছ টিৰ বিধান সভাৰ সদস্যও সদস্য হিচাপে আছে। গতিকে বোৰ্ড অৱ ডাইৰেক্টৰচৰ সিদ্ধান্ত লোৱাৰ সময়তে এইবিলাক ধৰিব পাৰে। এছ চি কৰ্পো'ৰেচনৰ কাম কাজ সম্পৰ্কে আমাৰ সদন কমিটিয়েও পৰীক্ষা কৰি চাইছে। কৰ্পো' ৰেচনৰ কাম-কাজ সম্পৰ্কে কিছুমান কথা ৰাজনৈতিক ভাৱে কোৱা হৈছে। আমি ভাবো কৰ্পো'ৰেচনৰ যথেষ্ট কাম হৈছে। কৰ্পো'ৰেচনে যথেষ্ট লোন দিছে। এতিয়ালৈকে কৰ্পো'ৰেচনে ৩ কোটি ৮৪ লাখ টকাৰ লোন দিছে। লোন

দিয়াৰ ক্ষেত্ৰত এন, ডিক সম্পূৰ্ণ দায়িত্ব দিয়া হৈছে। জনজাতিৰ উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট কাম কৰা হৈছে। টি, এছ, পি আৰু এছ, টি. পিৰ যথেষ্ট কাম কৰা হৈছে। গতিকে মই ভাৰো যিসকল বন্ধুৱে যি ভৰ্ৎসনা প্ৰস্তাৱ আনিছে সেইটো উঠাই লোৱা ভাল হয়। বিভাগৰ যথেষ্ট কাম হৈছে আৰু সেই কাৰণে বিভাগীয় মন্ত্ৰীক ধন্যবাদহে জনাব লাগে। যাতে আগন্তুক দিনবিলাকত এই বিভাগে আৰু ভাল কাম কৰিব পাৰে। ইয়াকে কৈ মোৰ বক্তব্য সামবিছো।

Mr. Speaker : Now Hon'ble Member Shri Nizamuddin Khan.

★ শ্ৰী নিজামুদ্দিন খান : মাননীয় অধ্যক্ষ মহোদয়, আমি আজি যি ভৰ্ৎসনা প্ৰস্তাৱ আনিছো তাৰ সমৰ্থনত কেইটামান কথা উল্লেখ কৰিব বিচাৰিছো। যোৱা ২৯ তাৰিখে বন বিভাগৰ মন্ত্ৰী মহোদয়ে এটা প্ৰশ্ন উত্তৰত কৈছিল যে ১৯৯১ চনৰ জুলাই মাহৰ পৰা ১৯৯৪ চনৰ ২৮ ফেব্ৰুৱাৰীলৈ কিমান টকাৰ চোৰাং কাঠ জব্দ কৰা হৈছে। তেখেতে কৈছে ১ কোটি ৮৬ লাখ ৮৭ হাজাৰ ৫০৪ টকাৰ চোৰাং কাঠ জব্দ কৰা হৈছে। ইয়াৰ পৰা এটা কথা প্ৰমাণ হয় যে আমাৰ অসমত যে বনাঞ্চলৰ ওপৰত যি অত্যাচাৰ আৰম্ভ হৈছে, যিদৰে ধ্বংস যজ্ঞ আৰম্ভ হৈছে তাৰ দ্বাৰাই নিশ্চয় আৰু কেইদিন মানৰ ভিতৰতে বনাঞ্চল বিলোপ হৈ যাব। ইয়াৰ আগতে ভালেমান সদস্যই বনাঞ্চল ধ্বংসৰ বিষয়ে বহুত কথা কৈছে গতিকে মই সেই বিষয়ে কবলৈ নাযাওঁ। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰিছো। আজি চোৰাং কাঠ জব্দ কৰাৰ লগতে আৰু ব্যাপক পৰিমাণৰ কাঠ আত্মসাৎ কৰা হৈছে। সেই বিলাক বোধ কৰাত চৰকাৰ ব্যৰ্থ হৈছে। এতিয়ালৈ যিখিনি কাঠ জব্দ কৰা হৈছে সেইটোৱে এইটো নুসুচায় যে বিভাগে চোৰাং কাঠ সম্পূৰ্ণ ৰূপে জব্দ কৰিব পাৰিছে। অৰ্থাৎ ব্যাপক পৰিমাণৰ বনাঞ্চল ধ্বংস যজ্ঞৰ কৰলৎ পৰিছে। আমি বিভিন্ন বন সংমণ্ডলৰ বিষয়ে কবলৈ নাযাওঁ। বন বিভাগৰ এল, অ', চিৰ বিষয়ে মাননীয় সদস্যসকলে কৈছে ১৯৯২-৯৩ চনত

★ Speech not corrected.

পূব কামৰূপ আৰু পশ্চিম কামৰূপ বন সংমণ্ডলৰ কাৰণে ২ কোটি ৫০ লাখ টকা এল, অ', চি দিয়া হয়। ৫ কোটি টকা দিয়া হৈছিল তাৰে পথ নির্মাণ, ঘৰ নির্মাণ আৰু গাড়ী মেৰামতি কৰা ইত্যাদি কামৰ বাবে। অধ্যক্ষ মহোদয়, অভিযোগ উঠিছে তাত কোনো কাম কাজ নকৰাকৈ এই গোটেই টকাখিনি আত্মসাৎ কৰা হৈছে। ইতিমধ্যে শাসক দলৰ মাননীয় সদস্য শ্রীচন্দন সৰকাৰ ডাঙৰীয়াই বন বিভাগৰ বিষয়াৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লোৱাৰ কথা কৈছে। Suspension is not punishment. চাচপেণ্ডছন কৰাটোৱে শাস্তি দিয়া নুবুজায়। দোষী বিষয়াক প্রমোচন দিয়াবো অভিযোগ উঠিছে। অধ্যক্ষ মহোদয়, এল, অ, চিৰ ক্ষেত্রত যথেষ্ট অভিযোগ আছে। গতিকে এই ক্ষেত্রত অভিযোগ কৰা মতে প্রকৃতপক্ষে ১৫ লাখ আৰু ২১ লাখ টকা মোকলাই দিয়া হৈছে। কিন্তু তাত কামখিনি কৰা হোৱা নাই। টকাখিনি আত্মসাৎ কৰা হৈছে। ইয়াৰ আৰু এটা কথা পূব কামৰূপ জিলাৰ সংমণ্ডলত ৬৫০ জন কর্মচাৰী দেখুওৱা হৈছে কিন্তু চৰকাৰৰ অভিযোগ উৎথাপিত্ত মতে ৩৯ জনহে আছে। পশ্চিম কামৰূপত ৫৫০ জন দেখুওৱা হৈছে কিন্তু চৰৱকাৰৰ অভিযোগ মতে ৬০ জনহে। গতিকে ইয়াৰ ভিতৰত কি ৰহস্য লুকাই আছে। এই সম্পর্কত বিভাগীয় তদন্ত কৰা হৈছেনে নাই? মই জনামতে বিভাগীয় একো তদন্ত হোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যত বনাঞ্চল ধ্বংস হোৱাৰ লগে লগে উন্নয়নৰ কাম বিলাকবো বাধা পৰিছে। কাঠ চোৰাং ভাবে বিক্রী কৰিছে ইয়াৰ ৰয়েলিটি কোনে পাইছে। কিমান টকাৰ ইনকম হৈছে। আমাৰ মাননীয় সদস্য গগৈ দেৱে কৈছে যে গোৱালপাৰা সংমণ্ডলত ৬ হেজাৰ ১ হেক্টৰ মাটি বনাঞ্চল ধ্বংস কৰা হৈছে। কেন্দ্রীয় আঁচনি মতে ৫০ লাখ টকাৰ গছ পুলি ৰাজ্যখনত ৰুব লাগে। আজি বনাঞ্চলৰ ৰয়েলিটি পাইছে নে নাই? সেই ৰয়েলিটি কলৈ গ'ল? এই সম্পর্কে মই ভাৰো বিভাগীয় মন্ত্রী মহোদয়ে নিশ্চয় ব্যৱস্থা গ্রহণ কৰিব। আৰু এটা কথা আমি লক্ষ্য কৰিছো যে বনাঞ্চলৰ কর্মচাৰী সকলে সক্রীয় ভাৱে তেওঁলোকৰ কাম-কাজ নকৰে। সক্রীয়ভাবে তেওঁলোকে কাম কাজ কৰিবলৈ বাজি নহয়। এই সংক্রান্তত পর্য্যায়ক্রমে তদন্ত কৰি ব্যৱস্থা গ্রহণ কৰিবলৈ অনুৰোধ কৰিলো।

মাননীয়, অধ্যক্ষ মহোদয়, অনুজ্ঞাপত্র দিয়াৰ সম্পৰ্কত এটা প্ৰশ্নৰ উত্তৰত কৈছিল যে ১৯৯১ চনৰ ৫৫৬ জনক অনুজ্ঞা পত্ৰ দিয়া হৈছিল। তেওঁলোকক কি কি ভিত্তিত দিয়া হৈছিল? কোনোবাজন এম, তালুকদাৰ, এম হুচেইনক দিয়া হৈছে বুলি আছে। এই বিলাক খেলি মেলিকৈ দিয়া আছে। নিযুক্তিৰ ক্ষেত্ৰটো বহুতো খেলি-মেলি হৈছে। সেই কাৰণে এই বিভাগৰ কাম-কাজ বিলাক সক্ৰীয়ভাৱে হোৱা নাই। এই বিভাগে যদি অসমৰ বনজ সম্পদ ৰক্ষা কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ নকৰে তেতিয়াহলে আমাৰ ৰাজ্যখনত বহুতো ক্ষতি হব।

(সময়ৰ সংকেট)

মাননীয় অধ্যক্ষ মহোদয়, মই পি, ডব্লিউ, ডি বিভাগৰ কেইটামান কথা উল্লেখ কৰিম। এই সম্পৰ্কত ইয়াত যথেষ্ট আলোচনা বিলোচনা হৈছে। হিউম-পাইপ ২ শ কিনিম বুলি কোৱা হৈছিল কিন্তু সেইমতে নিকিনে। তাত কিন্তু বেচি ধৰণে কিনা দেখুৱাইছে। আৰু তাৰ বেট কি এই সম্পৰ্কত মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিলো। নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ ওচৰত যিখন আৰ, চি, চি দলং কৰিবলৈ লোৱা হৈছে সেইখন গুৱাহাটীৰ চিটি ডিভিজনে কিবা কাৰণত কৰিবলৈ লৈছে? নলবাৰী ডিভিজনেহে সেইখন কৰিব লাগিছিল। ইয়াৰ ৰহস্য কি? এই সম্পৰ্কত মাননীয় মন্ত্ৰী মহোদয়ে নিশ্চয় উত্তৰ দিব। লগে লগে আৰু এটা কথা কও যে আজি পি, ডব্লিউ, ডি বিভাগত যিবিলাকে মাষ্টাৰৰোলত কাম কৰি আছে তেওঁলোকক দৰমহা দিব পৰা নাই।

(সময়ৰ সংকেট)

আৰু এই বিভাগৰ যিবিলাক নাৰৰীয়া আছে তেওঁলোকক দৰমহা দিব পৰা নাই। তেওঁলোকৰ সকলোকৰ অভাৱবোৰ দূৰ কৰা হব বুলি কৈছিল যদিও আজি পৰ্য্যন্ত কৰা হোৱা নাই। এই সম্পৰ্কত বিভাগৰ ফালৰ পৰা ব্যৱস্থা গ্ৰহণ কৰিবনে?

Mr. Speaker : Now Hon'ble Member Shri Sahidul Alam Chowdhury.

★ শ্ৰীশহীদুল আলম চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, আজ আমাদের দলের পক্ষ থেকে যে তিনিজন মন্ত্রীর বিরুদ্ধে ভৎর্সনা প্রস্তাব উৎথাপন করা হয়েছে আমি তা সমর্থন করে কয়েকটা কথা বলব।

★ Speech not corrected.

মহোদয়, বন বিভাগ সম্পর্কে অনেক কিছু বলা হয়েছে। প্রকৃতপক্ষে সারারাজ্যের বনাঞ্চল আজ ধ্বংস করা হচ্ছে। ফলে আজ সারা রাজ্যে ভয়াবহ সমস্যা দেখা দিয়েছে। জল সংকট দেখা দিয়েছে। ভাগ্য ভাল এখন অল্প বৃষ্টি হচ্ছে। নতুবা আর তিন মাস বৃষ্টি না হলে মহামারী হয়ে লোক মারা যেত। আজ মেঘালয়েও বনাঞ্চল ধ্বংস করার জন্য সারা পৃথিবীর মধ্যে সবচেয়ে যেখানে বেশী বৃষ্টিপাত হতো অর্থাৎ চেরাপুঞ্জিতে সেখানেও প্রায় মরুভূমির অবস্থা। সত্যিকথা বলতে কি আসামে বিগত সরকার বনাঞ্চল রক্ষনাবেক্ষনের জন্য একটা গুরুত্বপূর্ণ দায়িত্ব পালন করেছিল। আর বর্তমান সরকার আসামের সমস্ত বনাঞ্চল ধবংস করার এক অভিলেখ সৃষ্টি করেছে। তার প্রমান বিভিন্ন সদস্য তাদের বক্তৃতায় প্রকাশ করেছেন। এই ব্যাপারে আমি কেবল একটি ফরেষ্ট ডিভিশনের কথা উল্লেখ করব। সেটা হলো করিমগঞ্জ ফরেষ্ট ডিভিশন। সেখানে প্রায় ৩০ কোটি টাকার কাঠ আত্মসাৎ করা হয়েছে। এবং এই ব্যাপারে সরকারের কাছে বিভিন্ন অভিযোগ দেওয়া হয়েছিল। তাছাড়া বিভিন্ন সংবাদপত্রেও এই সব অভিযোগের খতিয়ান পরিশেন করা হয়েছে। বিশেষ করে আসামের প্রথম শ্রেণীর পত্রিকা আসাম ট্রিবিউনে হেডলাইন বেরিয়েছে গত ৩ এপ্রিল। "Karimganj D,F,O indicated. এই ৩০ কোটী টাকার কাঠ আত্মসাৎ করেছে ডি এফ ও শ্রীচন্দ্র মোহন শর্মা এবং তার সহযোগী এক কণ্ট্রাক্টর পেটেল। তাকে হাতে নাতে ধরে একবার জেল হাজতে পাঠানো হয়েছিল। কিন্তু এতো সব অভিযোগ স্বত্বেও এমন কি এই ব্যাপারে পি সি সি এফ তদন্ত করে বিস্তৃত রিপোর্ট পাঠানো সত্বেও কোনও একশন হয়নি। এই রিপোর্টের কপি আমার কাছে আছে। রিপোর্টে এই ৩০ কোটী টাকার কাঠের জন্য করিমগঞ্জের ডি এফ ও'কে দায়ী করা হয়েছে। এই কাঠ লামডিং থেকে করিমগঞ্জ এ ফেরৎ পাঠানো হয়েছে রেলওয়ে পার্মিট না থাকার জন্য। এসব জানা সত্বেও সরকার নীরব রয়েছেন। এই রিপোর্টের শেষের দিকটা পড়ে দিচ্ছি "Under the circumstances as stated above, I have no option but to consider that the Complaint

lodged against the DFO Karimganj Division and published in 'Sonar Cashar' involving him in the Commission of illegal operation of teak trees by Shri Kiran Patel are based on facts.

Yours faithfully
Sd / P. Roy
DFO. attached to Conservator of Division.

এই রিপোর্ট গত ২-২-৯৫ ইং তারিখ দেওয়া হয়েছে। এ ছড়াও বরাক ভেলীতে বিভিন্ন পত্র পত্রিকায় এই কাঠের চোরাংকারবার সম্পর্কে বিভিন্ন সংবাদ পরিবেশিত হয়েছে অথচ অত্যন্ত দুঃখের বিষয় যে আজ পর্যন্ত সরকার এই ব্যাপারে নীরব রয়েছেন।

মহোদয়, এই ডি এফ ও তার উর্দ্ধতন কর্তৃপক্ষকে বৃদ্ধাঙ্গুষ্ঠ দেখিয়ে বলেন "আপনারা আমার কিছু করতে পারবেন না, স্বয়ং মুখ্যমন্ত্রীর নিজস্ব লোক আমি।" আর এই সুবাদেই তিনি করিমগঞ্জ ডিভিশনের বনাঞ্চল ধ্বংস করছেন। আমি আশাকরি এই সমস্ত প্রমান দেবার পর সরকার এই ডি এফ ওর বিরুদ্ধে ব্যবস্থা গ্রহণ করবেন। এছাড়া, শুধু বনাঞ্চল ধ্বংসই নয়, ১৯৭১ ইংর সিলিং এক্ট মতে সরকার বিভিন্ন চা বাগানের জমি অধিগ্রহন করেছিলেন এবং ঐ জমি গুলো বিতরনও করা হয়েছিল এম এন পি স্কীম অনুযায়ী। কিন্তু এখনা ঐ জমিগুলির অনেকটা ফরেষ্টের অধীনে রয়েছে। আর আমরা বর্তমানে দেখতে পাই যে এসব জমির সন্নিকটে যে বনাঞ্চল রয়েছে তার কাঠ চা বাগানের মালিক আত্মস্বাৎ করছে আর সেখানে চা গাছরোপন করছে। উদাহরন স্বরূপে আমি বলতে চাই যে আমার সমষ্টিতে দুটা চা বাগানে আছে ১। রোজকান্দি চা বাগান ও ২। বেছিপুর ফাড়ি বাগান। সেখানে বাগানের মালিকরা বনাঞ্চল ধ্বংস করে চা গাছ রোপন করছে। এই ব্যাপারে অনেক অভিযোগ দেওয়া স্বত্বেও সরকার কোনও ব্যবস্থা নিচ্ছেনা। এইভাবে রতনপুর চা বাগানেও চা গাছ রোপন হচ্ছে বনাঞ্চল ধ্বংস করে। এইভাবে বিভিন্ন চা বাগানের সন্নিকটে যে বনাঞ্চল আছে তার গাছ

বিক্রী করে আর টাকা মালিক পক্ষ আত্মস্বাৎ করছে। সরকারের এদিকে দৃষ্টি দেওয়া উচিৎ। কারন ফরেষ্ট এরিয়া ও তৎসংলগ্ন ২০ কিঃ মিঃ এরিয়ার বনাঞ্চলের সম্পূর্ণ রক্ষনাবেক্ষনের দায়িত্ব রয়েছে সরকারের হাতে। মহোদয়, এ ছাড়াও লালা ও বিলাইপুর এরিয়ায় ৩০ লক্ষ টাকা খরচ করে ফরেষ্টর ভিতর দিয়ে ডি আর ডি এর রাস্তা করা হচ্ছে। অথচ ফরেষ্টর কোনও পার্মিশন নাই। আর এই সুযোগে লক্ষ লক্ষ টাকার গাছ কেটে টাকা আত্মস্বাৎকরা হচ্ছে। এই ব্যাপারে আমি সবকারের দৃষ্টি আকর্ষন করছি যাতে সরকার একটা দৃঢ় পদক্ষেপ নেন।

Mr. Speaker : Please Complete.

★ শ্রীশ্বহীদুল আলম চৌধুরী : শার দ্বিতীয়তঃ মহোদয়, আজ আমরা এই সদনে বিভিন্ন কাঠ মিলের কথা আলোচনা করেছি। হাইলাকান্দিতে ৫/৬ টা মিল আছে। কেবল একটার বাইরে সব বন্ধ। এই মিলের মালিক কেতা তদন্ত করে দেখা উচিৎ। আমি প্রমান দিয়ে বলতে পারি যে কেবল হাইলাকান্দিতে নয় নগাওঁ সাউথ ডিভিশনে এরকম মিল রয়েছে। যেমন ১। শ্রীনিবাস সো মিল, ২। রামকৃষ্ণ সো মিল, ৩। বরা সো মিল এই মিলগুলি রেলওয়ে ষ্টেশন কর্তৃপক্ষের মদতে লামডিং ও হোজাই থেকে লক্ষ লক্ষ টাকার কাঠ পাচার করছে। কিন্তু সরকার নীরব। সরকারের যে স্কীম 'নন্দকূট টিক্ প্ল্যান্ট' এরাই ধ্বংস করেছে। এদের মধ্যে কালপ্রিট হলো ১। সমীর মোদী, ২। সুনীল মোদী, ৩। উমা-শংকর, ৪। প্রতুল কোয়েল ইত্যাদি, । মহোদয়, যমুনামুখ অঞ্চলে আমি দেখতে পেয়েছি যে নগাও হোজাই'র এস ডি ও ম্যাজিষ্ট্রেট কেবল যমুনামুখ নিয়ে ব্যস্ত। কিন্তু লামডিং হোজাইতে কোনও রেড্ হয়না। টিক্ প্লেন্টেশন সেখানে ধ্বংস হয়ে গেছে। সরকার যেন এগুলোর ব্যবস্থা করেন।

Mr. Speaker : Now, Hon'ble Member Shri Karenda Basumatary.

★ Speech not corrected

★ শ্রীকবেন্দ্র বসুমতাবী : মাননীয় অধ্যক্ষ মহোদয়, আজি ভৎস'না প্রস্তাবৰ ওপৰত দুৱাষাৰ মান কবলৈ ওলাইছো এতিয়া সময়ো বৰ কম। মই মাননীয় অধ্যক্ষ মহোদয়ক কবলৈ দিয়াৰ বাবে ধন্যবাদ জনাইছো আজি মই এই ভৎস'না প্রস্তাবটো সমর্থন জনাইছো। আমাৰ ডব্লিউ, পি, টি মন্ত্রীৰ বহু কথাই আছিল। মই সময় নেপাম বুলি বহু কথা লিখি আনিছো, এই বিষয়ে ডব্লিউ, পি, টি মিনিষ্টাৰে বিহিত ব্যৱস্থা লব বুলি আশা কবি মই এই খিনি 'চাবমিট' কবিছো। আজি কিছু দিনৰ আগতে মই ৩১ তাবিখে প্রশ্ন কবিছিলো কেলেণ্ডাৰ আৰু বুকলেট চপা কৰাৰ কাৰণে কেইবা কোটি টকা 'বিলিজ' কবিছে। সেই টকাখিনি 'বিলিজ' কৰাৰ সময়ত 'ডিৰেক্টৰ অৱ বর্ডৰ' 'এপ্রভেল' লৈছিল নে নাই, মন্ত্রী মহোদয়ে কৈছিল 'এপ্রভেল' দিছে সেইটো 'হাউচ'ক মন্ত্রীয়ে 'মিচলিড' কবিছিল। 'আসাম প্লেইনচ ট্রাইব ডেভেলপমেণ্ট'ৰ পৰা এটা নোট' দিছিল—

Protest Note from Member AP. T.D.C. Board to the Chairman, Assam Plains Tribes Development Corporation against manipulation of recording of Boards meeting,

Dear Mr. Lahiri,

It pains me to remind you again and again of my strong opposition and fight against the misuse (Misappropriation) of the Corporations fund to the retirement of the Tribal people in each Board's meeting for the last 3½ years. It is also observed that as soon as you took up the Chairmanship of the Corporation, your actions so far, have shown that you are out to loot the Corporation fund by this way or that in collusion with the M. D. Mr, P. K. Das.

(Protest Note sudmitted to Mr. Speaker)

এইটো শ্রীদুর্গেশ্বৰ পাৰ্টিৰ ডাঙৰীয়া, তেখেত 'ৰুলিং' পাৰ্টিৰ মানুহ তেখেতে

★ Speech not corrected.

কৈছে বৰ্ডৰ এপ্রভেল লোৱা নাছিল। মাননীয় মন্ত্রীয়ে মোৰ প্রশ্নন উত্তৰত 'এপ্রভেল' হৈছে বুলি কৈছিল। আমাৰ বৰ্ডৰ থাৰ্ডগ্রেড, ফৰ্থগ্রেড চাকৰী দিয়া হয়। চিঠিখন মই পঢ়ি শুনাইছো।

"To,
Mr. P. K. Das, ACS.
Md, APTDC Ltd.
Dear Das,

I am ill since 14th day of Jan/95. At present, I am not in a position to move any where. So I can not attend the meeting of the selection Board to be held to-day (18.1.95). Any way, you, hold the meeting and finalised the list of candidates and put up it before me for approval. Kindly convey my inability to our colleague members.

Further, you are requested to include in the list the names given by me earlier, specially the star marked.

Sincerely yours,
Sd/A. Lahiri,
18.1.95"

আমাৰ যি সকলক চাকৰি দিব লাগে সেই সকলৰ নাম কেইটা 'এপ্রভেলৰ কাৰণে ষ্টাৰ মাৰ্ক দিয়া আছে, চেয়াৰমেনে ষ্টাৰ মাৰ্ক দিছে' বৰ্ডে কি কৰিব। কিলমটন ইণ্ডিয়াৰ ক্ষেত্রত দেখা গৈছে 'চেক'ট ৰেভিনিউ টিকেটত চহী দিয়া নাই। এইটো ১ লাখ টকাৰ। এইটো এটা 'কৰাপশ্যন'।

Mr. Speaker : The House stands adjourned till 4.00 p. m. today.

(The House reassembled at 4 P. M. with Hon'ble Speaker in the Chair)

★ Mr. Speaker : Now Ministers to give their reply.

★ শ্রীচামছুল হুদা (বাজ্যিক মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, আজি এই ভৎর্সনা

★ Speech not corrected.

প্রস্তাৱৰ ওপৰত কেইবাজনো মাননীয় সদস্যই অংশ গ্ৰহণ কৰি তেখেত সকলৰ যি গুৰুত্বপূৰ্ণ ভাষণ আগবঢ়াইছে আৰু এই ভৎর্সনা প্রস্তাৱৰ আধাৰত তেখেত সকলে চৰকাৰক ভৎর্সনা নকৰি তেখেত সকলে যি বহুমূলীয়া দিহা পৰামর্শ আগবঢ়াইছে তাৰ বাবে মই তেখেত সকলক ধন্যবাদ জ্ঞাপন কৰিছো। তেখেত সকলে আগবঢ়োৱা এই পৰামর্শ সমূহে আমাক বহুতো সহায় কৰিছে। অধ্যক্ষ মহোদয়, আমি আমাৰ বন্যপ্রাণী ও বনজ সম্পদৰাজী সংৰক্ষণ কৰা ক্ষেত্রত আমাৰ এখন বুৰঞ্জী হৈ গৈছে। বিগত দিনত ৰূপনাথ ব্রহ্ম, বামনাথ দাস, পৰমানন্দ গগৈ, বিষ্ণুৰাম মেধি, গিৰিণ চৌধুৰীকে আদি কৰি এ, জি, পি, ৰ সময়লৈকে যি সকল মাননীয় ব্যক্তিয়ে বন বিভাগৰ দায়িত্বত মন্ত্রী হৈ আছিল সেই সকলোৰে ক্ষেত্রতে আমি এটা কথা দেখি আহিছো যে বন বিভাগৰ ওপৰত বহু কথাই উল্লেখ হৈ আছে আৰু বহুতো কটু সমালোচনাও হৈ আহিছে। মই বেচি দিনলৈ আগুৱাই যাব খোজা নাই, আমাৰ বন্য সম্পদৰ ওপৰত যাতে কোনো ধৰণৰ আঘাট নপৰে তাৰ কাৰণে বহুতো আইন কানুন কৰি দিয়া হ'ল আৰু এই ক্ষেত্রত বন্য প্রাণী সমূহ যাতে কোনেও আনন্দৰ সজুলি হিচাবে ব্যহাৰ কৰিব নোৱাৰে সেইটো বন্ধ কৰাৰ কাৰণেও কিছুমান বাধা নিশেধ আৰোপ কৰা হৈছে। বিগত দিন বিলাকত আমাৰ বন বিভাগৰ দায়িত্বত যি সকল মন্ত্রী আছিল তেখেত সকলৰ ধাৰাবাহিক চিন্তা ধাৰাৰ ওপৰত ভিত্তি কৰি আজি অসমৰ বন সম্পদৰ যিবিলাক কথা চলি আহিছে সেইবোৰ নিৰীক্ষণ কৰি আজি আমি ইক-লজিকেল বেলেঞ্চৰ ক্ষেত্রত গৱেষণা কৰিবলৈ লৈছো। আমাৰ মাননীয় সদস্য সকলে তেখেত সকলৰ ভাষণত অতি দৃঢ়তাৰে কৈছে যে আজি আমাৰ ইকলজিকেল বেলেঞ্চ, প্রাকৃতিক দুর্য্যোগৰ মূল কাৰণ গছ-গছনি ধ্বংস প্রাপ্তি হোৱাৰ কাৰণেই হৈছে বুলি কৈছে আৰু তাৰ লগে লগে বন্য প্রাণী সমূহো সংৰক্ষন কৰাটো টান হৈ পৰিছে বুলি উল্লেখ কৰিছে। এই কথাটো আমি কেতিয়াও নুই কৰিব নোৱাৰো। এই সদন আৰম্ভ হোৱাৰ পৰা আজিলৈকে বহুতো মৌখিক আৰু লিখিত প্রশ্নৰ উত্তৰত আমি ইতিমধ্যে বন বিভাগৰ বহুতো কথাই আলোচনা কৰিছো। আজিও

এই বিভাগৰ ক্ষেত্ৰত আলোচনা প্ৰসঙ্গত মাননীয় সদস্য সকলে তেখেত সকলৰ উদ্বেগ প্ৰকাশ কৰিছে আৰু বন আৰু বন্য প্ৰাণী সংৰক্ষণৰ ওচৰত গুৰুত্ব আৰোপ কৰিছে। এই ক্ষেত্ৰত মাননীয় সদস্য শ্ৰীনগেন শৰ্ম্মা ডাঙৰীয়াই ফেনী কমিচনৰ কথা উল্লেখ কৰিছে। সেই সময়ত ফেনী কমিচনৰ বিভিন্ন কথা বতৰা আৰু পৰামৰ্শ সমূহ মই নিজে চাবলৈ সুবিধা পাইছিলো কিয়নো মই এজন উকিল আছিলো। আৰু এতিয়াও বন বিভাগৰ দায়িত্বত থকা কাৰণে সেই কথাবোৰ বিশেষ ভাবে নজৰ দিয়াৰ সুবিধা পাইছো। মই আপোনালোকৰ জ্ঞাতাৰ্থে এই কথাখিনি কব খুজিছো যে ফেনী কমিচনে ১৯৮১ আৰু ১৯৮৪ চনৰ সময়ত যি ৫১ জন বিষয়াৰ নিলম্বিত কৰা কথা আছিল তেতিয়া তেখেত সকলৰ যি আপত্তি দৰ্শাব লগীয়া আছিল সেইবোৰ পুনৰবাৰ উৎথাপন কৰাৰ কাৰণে তেওঁলোকক সুবিধা দিয়া হৈছিল আৰু আমাৰ আগৰ চৰকাৰৰ ওচৰত তেখেত সকলৰ কৰলগীয়া খিনি কোৱাত তেওঁলোকৰ কথাখিনি বিবেচনা কৰা হ'ল আৰু যি জন চি, চি, এফ, ক চাচপেণ্ড কৰা হৈছিল তেওঁক পুনৰ চাকৰিলৈ আমি প্ৰমোচন দি পি, চি, চি, এফ কৰা হ'ল। এই ক্ষেত্ৰত আগৰ চৰকাৰৰ দোষ হৈছিল বুলি আমি কোৱা নাই। কোনো এজন নিষ্পাপ মানুহে যাতে চাফাৰ নকৰে সেইটো চাব লাগে। সেই সময়তো বন আৰু বন্য প্ৰাণী ধ্বংস কৰা চলি আছিল। কিন্তু আজি কিছুমান বাতৰি কাকতে বিভিন্ন বাতৰি পৰিবেশন কৰি এনে এটা ৰূপ দিছে যেন এই চৰকাৰৰ দিনতে এই গোটেই বিলাক কথা ঘটিছে। এই কাম বিলাক আজি বহুদিনৰে পৰাই চলি আহিছে। ফেনী কমি-চনে যিবিলাক মানুহৰ ওপৰত শাস্তিমুলক ব্যৱস্থা লোৱাৰ কথা কৈছিল সেই ক্ষেত্ৰত সেই সময়ৰ চৰকাৰে নিশ্চয় ব্যৱস্থা লৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয় সদস্য সকলৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ইয়াত বহু কথাই আলোচনা কৰা হৈছে আৰু বহুটো কথা উল্লেখ কৰা হৈছে, আইনৰ কথা, কাৰ্য্যপালিকাৰ কথা। মাননীয় সদনৰ অভিজ্ঞ সদস্য সকলে এই সকলোবোৰ জানে। আমাৰ আসাম ফৰেষ্ট ৰেগুলচন (এমেণ্ডমেনট) অৰ্ডিনেন্স, ১৮৯১ চনৰ কথা

মাননীয় সদস্য শ্রীগগৈ ডাঙৰীয়াই কৈছে। সেই আইনখন পুৰণি। তাত এনেধৰণৰ কথা আছিল যে জৰিমনা ৫০ টকা দিবলগীয়া হয়। আজিৰ যুগত ৫০ টকা শাস্তিমূলক কথা হব নোৱাৰে। সেই অর্ডিনেন্স ১৯৯৪ চনৰ নবেম্বৰ মাহত অনা হৈছে আৰু অলপতে অসম বিধান সভাত পাচ কৰা হৈছে। আইনগত ব্যৱস্থাৰ মাজেদি জইণ্ট ফৰেষ্ট মেনেজমেণ্ট কৰাৰ কথা কৈছে সকলো জনগনক লৈ। কার্নডাই অক্সাইদ আদি এই সকলোবিলাকৰ প্রতি লক্ষ ৰখাৰ কাৰণে মানৱক সজাগ কৰাৰ ক্ষেত্রত অন্যান্য দিশত জনগনক আগবঢ়াই আনিছে। আৰু কৈছো এনে ধৰণৰ অন্যায়ৰ কাম যাতে কোনেও নকৰে। প্রড্কচনৰ ক্ষেত্রত যিবিলাক কথা আহিছে এই গোটেই কথাবিলাকৰ আসোৱাহ আছে। মহল দিয়াৰ ক্ষেত্রত ফৰেষ্ট ৰক্ষাৰ ক্ষেত্রত যিবিলাক আইন আছে সেইবোৰ আমাৰ হাতত আছে। এই কথা বিলাক ৭৭ চনৰ আইনত আছে। এই কথা বিলাক পুনৰ পর্য্যালোচনা কৰাৰ বাবে বিহিত ব্যৱস্থা হৈ আছে। ফৰেষ্ট এক্ট ১৯৭২ চনৰ ক্ষেত্রত যিটো ফায়াৰষ্টেজ আছে সকলোৰে কল্যাণৰ কাৰণে আগুৱাই অনা যাব। অধ্যক্ষ মহোদয়, আপুনি জানে একজিকিউটিভ চাইডত ৰাউণ্ড টিম্বাৰ আছিল সেইটো বাহিৰলৈ যোৱাৰ কাৰণে চৰকাৰে বন্ধ কৰি দিছে যি বিলাক গছ ঠিয় হৈ আছে সেইবিলাক পৰিব নোৱাৰা ব্যৱস্থা কৰিছে। যদি ধুমুহাত গছ পৰি নষ্ট হৈছে সেইবিলাক যাতে বাহিৰত যাব নোৱাৰে তাৰ ব্যৱস্থা কৰা হৈছে। মনত দুখ লগা কথা অডিনেন্স নোহোৱাকৈ চাকুলাৰ দিয়া হৈছে। হাইকোর্টলৈ গৈ আমাৰ প্রাক্তন মন্ত্রী শ্রীসুৰেন মেধী ডাঙৰীয়াই ষ্টে কৰিছে। আমি তেখেতক জগৰীয়া নকৰো। কাৰণ তেখেত এজন উকিল। সেই হিচাবে তেখেতে কামটো গ্রহণ কৰিছে। গছ-গছনি বাহিৰলৈ যাতে যাব নোৱাৰে তাৰ কাৰণে বাধা আৰোপ কৰা হৈছে। আমি বেলৰেক জনাইছো সেই বিলাক যাতে বাহিৰলৈ যাব নোৱাৰে। পি, চি, চি, এফৰ নির্দেশত এটা কেন্দ্রীয় প্রটেকচন স্কোৱাৰ্ড গঠন কৰা হৈছে। ফৰেষ্ট বেটেলিয়ন কৰা হৈছে। আৰু ২ টা কোম্পানী কৰাৰ কথা আছে। ১৬ জন বন বিষয়াক কামৰ পৰা নিলম্বিত কৰিছে। কামৰ পৰা বাদ পৰিলে শাস্তিমূলক

ব্যৱস্থা নহয় বুলি কৈছে। বহুটো বিষয়াৰ প্ৰচিডিং দ্ৰ কৰা হৈছে। ফৰেষ্ট গাৰ্ড আৰু পুলিচৰ মানুহবিলাকক উঠাই অনাৰ কাৰণে সেই-বিলাক ঠাইত বেয়া কাম কৰা হৈছে। অস্ত্ৰ সস্ত্ৰ নথকাৰ কাৰণে তাত দুস্কৃতিকাৰীয়ে ধ্বংশলীলা কৰিছে। ১৯৯৪ চনত চক্ৰচিলা ৰিজাৰ্ভ ফৰেষ্টক ওৱাইল্ড লাইফ চেনচুৰী হিচাবে সংৰক্ষিত অঞ্চল কৰা হৈছে। ইল্লিগেল টিম্বা-চ'ৰ কথা কওতে মেগনিচুড প্ৰেমৰ কথা কোৱা হৈছে। খবৰ কাগজত কিমান কাঠ চুইচ কৰা হ'ল তাৰ সমীক্ষা দিয়া আছে। তেনেবিলাক কথা সচা। চোৰ ধৰা হৈছে আৰু শাস্তিও দিয়া হৈছে। হিৰোইনো ধৰা হৈছে। এই ক্ষেত্ৰত পুলিচক প্ৰসংশা কৰা হৈছে। যিবিলাক দিনত নিৰপত্তাৰ আছিল সেই বিলাক দিনটো বিষয়া সকলে যেনেকৈ কাম কৰিছিল তাৰ বাবে তেওঁলোক প্ৰসংশাৰ পাত্ৰ। ইল্লিগেল যিমান বিলাক কাম হয় সেই সকলো বিলাক এনেয়ে নহয়। বৰ্ত্তমান জনবসতি বাঢ়িছে। সতি সন্ততি বাঢ়িছে। জন্ম নিয়ন্ত্ৰনৰ ক্ষেত্ৰত এইটো বেলেগ কথা। স্কুল কলেজ সকলো ফালে হৈছে, স্বাধীনতাৰ পিচতো হৈছে। কিন্তু লৰা-ছোৱালী বেকাৰ অৱস্থাত আছে বুলি কব পাৰি। ইন্দাষ্ট্ৰিৰ ক্ষেত্ৰত কোৱা হৈছে। লৰা-ছোৱালী তেনে শিক্ষা-দিক্ষাৰ ক্ষেত্ৰত ক্ষুন্ন হৈছে। শিক্ষা লৈও লৰা-ছোৱালী বিলাকৰ জীবিকাৰ ক্ষেত্ৰত কিছুমান অসুবিধা হয়। কাৰণ সদায় টকা পইচাৰ কাৰণে তেওঁলোক লালায়িত হয়। কোনোবাই পঢ়া শুনা কৰিছে কোনোবাই কৰা নাই। যোগ্য জনৰ ক্ষেত্ৰত ব্যৱস্থা লোৱা হৈছে। যি যোগ্য বুলি বিবেচিত হব তেনে ক্ষেত্ৰত সেই সকলৰ ব্যৱস্থা লোৱা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আমি ৰেলৱে প্ৰসাশনক কৈছো তেনে ধৰণৰ কাঠ যাতে বাহিৰলৈ নাযায় আৰু যাতে তেওঁলোকে আমাৰ লগত সহযোগ কৰে। অধ্যক্ষ মহোদয়, এতিয়া এনকচ'মেন্টৰ কথা কৈছো। এইটো বহুদিনৰ পৰা চলি অহা কথা। হাৱাটে হোৱা কথা নহয়। অসম-নাগালেণ্ড, অসম মিজোৰামৰ কথাটো বহুদিনীয়া কথা। বিৰোধী দলৰ মাননীয় সদস্য শ্ৰীমহন্ত ডাঙৰীয়াইও এই কথাটো জানে। বহুদিন ধৰি চলি আহিছে। সদনত এনেকুৱা বিষয় আলোচনা কৰা হৈছে। অসম নাগালেণ্ড : ৫৪'৩০২ হেক্টৰ, অসম-অৰুনাচল : ৪৫,২১৩ হেক্টৰ, অসম মিজোৰাম ৬০৫ হেক্টৰ মাটি

আৰু অন্যান্য অধিগ্রহণ কৰা ১,১৯,০৮৯ হেক্টৰ মাটি ৰাজ্যৰ অন্যান্য ঠাইত আছে। বিৰোধী দলপতি শ্রীমহন্ত ডাঙৰীয়াই পবিতৰা, লাও-যোৱা বিজাভ'ৰ কথা উল্লেখ কৰিছে। ব্যক্তিগত ভাৱেও মোক কৈছে। মই সকলো কথাই অধ্যয়ন কৰিবলৈ চেষ্টা কৰিছো। মানবীয় মূল্যবোধৰ প্রতি লক্ষ ৰাখি মই তালৈ গৈছিলো। লগত চি, চি, এফক লৈ গৈছিলো। তাত কিছুমান মাটি অধিগ্রহণ কৰাৰ ক্ষেত্রত আজি ২০ বছৰ আগতে চুপ্রিম কোর্ট'ৰ হুকুম লৈ ষ্টেটাচ মেণ্টেইন কৰা আছে। কিছুমান মানুহ তাত গৈ আছে। সেইবিলাকৰ আইন বিধি থকাৰ কাৰণে তেওঁ-লোকৰ ওপৰত এনেধৰণৰ কথা হাতত লব পৰা নাই। বহুত কথাই আছে। সেইবিলাকত আমি হাত দিব পৰা নাই। অলপতে ডিব্রুগড়ত তেনে-ধৰণে বাধা দিছে। এইটো কেতিয়াও দিয়া নহব। এনেধৰণে চলি আছে। ননৈ এৰিয়াৰ কথা উল্লেখ কৰা আছে। মঙ্গলদৈত ইলিগেল হৈছিল। সেই সময়ৰ কথা বিলাকত বাধা দিবৰ কাৰণে পুলিচ আৰু ডি, চি, লৈ মেচেজ দিয়া হৈছিল। সেই মেচেজ মই সদনত দেখুৱাব পাৰিম। আমাৰ চিঠিয়ে সহায় কৰিছে। তাৰ পিছত কিছু নিয়ন্ত্রিত হৈছে। তেনে-ধৰণে ৰৰনদী এৰিয়াত প্রটেকচন দিয়া হৈছিল। হুগ্রাজুলিৰ কথা আছে। কৰিমগঞ্জ ডিভিজনৰ কথাও কোৱা হৈছে। আৰু তাত বিহিত ব্যৱস্থা লোৱাৰ কাৰণে কোৱা হৈছে। মাননীয় সদস্য শ্রীচহিদুল আলম চৌধুৰী ডাঙৰীয়াই যিটো কথা কৈছে সেইটো যদি হয় আমি বিহিত ব্যৱস্থা লম। কৰিমগঞ্জ বন বিভাগত বন বিষয়াই বেয়া কাম কৰা বুলি কৈছে। লামডিঙৰ ক্ষেত্রত যিটো কৈছে সেইটো নহয়। বিভিন্ন বিষয়াই বেয়া কাম কৰা বুলি কৈছে। যিজন বিষয়া ডেপুটেচনত গৈছে তেওঁৰ বিৰুদ্ধে যে শাস্তিমূলক ব্যৱস্থা লব নোৱাৰি এনে নহয়। লামডিঙৰ ক্ষেত্রত হঠাতে আমি অনুসন্ধান কৰিব দিছো। তাৰ পিচত সকলো দিহা লম। কামৰূপ ওৱেষ্ট ডিভিজনৰ ক্ষেত্রত কিছুমান বিষয়াই বহু ধৰণৰ অন্যায় কৰা বুলি বাতৰি কাকতত ওলাইছে। তেওঁলোকৰ ওপৰত ন্যস্ত কৰা কাম কৰিব পৰা নাই। এই ক্ষেত্রত ডিপার্ট'মেণ্টেল প্রচিডিং হৈ আছে। আৰু কিছুমান (১৬) বিষয়াক চাচপেণ্ড কৰা হৈছে তেনেধৰণে ডিব্রুগড়তো চাচপেণ্ড কৰা হৈছে। চেলেকি ফৰেষ্টতো চাচপেণ্ড কৰা হৈছে। ডৈগুৰুং

ৰিজাৰ্ভতো এভেকচনৰ বহুত হৈছে। কুমাৰিকটা অঞ্চলতো বন বিভাগৰ বিষয়াক কিড্‌নেপ কৰিছে। তেওঁ আছিল ৰেঞ্জ অফিচাৰ। তাত এন-কোৰ্চমেণ্ট পুনৰ কৰিব পাৰে। ফোৰ্চ নথকাৰ কাৰণে তাত আমি কাম কৰিব পৰা নাই। তেওঁলোকক উদ্ধাৰ কৰিব পৰা নাই। এই ক্ষেত্ৰত সহায় বিচৰা হৈছে। তেতিয়া উদ্ধাৰ কৰিব পৰা যাব। আমি বহুটো অফিচাৰক চাচপেণ্ড কৰিছো। ইয়াৰ পৰা এইটো সুচাইছে যে আমাৰ আগতে যিবিলাক চৰকাৰ আহিছিল সেই বিলাকে ফৰেষ্ট ৰিচোৰ্চৰ কাৰণে এনেকুৱা পদক্ষেপ লোৱা নাই। ১৯৯৩-৯৪ চনত ২ লাখ ২ হাজাৰ ২৬ হেক্টৰ মাটিত প্লেনটেচন কৰা হৈছে। এই বছৰ ২০ হাজাৰ গছ পুলি বিতৰণ কৰিছে। চৰকাৰে আজি সেই বিলাক কথা কমিত কৰিছে পিপল পার্টিচিপেতৰ ওপৰত। আমি জইন্ত ফৰেষ্ট মেনেজমেণ্টৰ ওপৰত আহ্বান কৰিছো সকলোৱে সহযোগ কৰিব লাগে। বড়োলেণ্ড অঞ্চলত, মানসৰ ক্ষেত্ৰত বহুটো কথা উল্লেখ কৰা হৈছে। তাত উত্তপ্ত পৰিস্থিতিত ১৩ জন বন বিষয়াক হত্যা কৰা হৈছে। সেই কাৰণে সংশ্লিষ্ট বিভাগৰ কৰ্মচাৰী সকল তাত নাথাকে। ওলাই আহিছে। সেই কাৰণে তাত বন ধ্বংস কাৰ্য্য চলিছিল। আমাৰ বন্য প্ৰাণী সিংহ, গড় আদি কিমান আছে তাৰ সমীক্ষা হোৱা নাই। বণ্য প্ৰাণী হত্যা হয় বুলি যিটো ওলাইছে সেই টো সত্য নহয়, বৰং বংশ বৃদ্ধিহে হৈছে। সেইটো আমাৰ হিচাব আছে। আমাৰ ওৱাইল্ড লাইফ কনজাৰভেচনৰ ক্ষেত্ৰত কাজিৰঙা নেচনেল পার্কত ৰাইনো প্ৰজেক্ট আছিল। ১৯৮৪ চনত ১০৮০ টা ১৯৯১ চনত ১১২৯ আৰু ১৯৯৩ চনত ১১৬৪ টা এনে ধৰণে বৃদ্ধি হৈ আছে। ৰাজিৰ গান্ধী ওৱাইল্ড লাইফ চেনচুৰীত ১৯৮৫ চনত ৬৫ টা ১৯৯১ চনত ৯৭ টা ১৯৯৫ চনত ৭৮ টা গড় বৃদ্ধি হয়। এনেধৰণে বাঘৰ সংখ্যাও ১৯৮৪ ত ৩৭৬ টাৰ পৰা ১৯৯৩ ত ৪৩০ টালৈ বৃদ্ধি হয়। ১৯৯৩ চনত হাতীৰ সংখ্যা আছিল ৫,৫২৪ আমাৰ হিচাবত ওলাইছে। এই ক্ষেত্ৰত যি সফলতা সেইটো আমি যদি ৰেইজ কৰিব পাৰো। আমি স্মাগলাৰ আৰু হত্যা-কাৰীক ধৰিব পাৰিলে বন্য প্ৰানী হত্যা ৰোধ কৰিব পাৰিম। আমাৰ সফলতা হ'ল এনেধৰণৰ - ১৯৯১ চনত পোচাৰ ১ জনক মৰা হৈছে আৰু

২৫ জনক এৰেষ্ট কৰা হৈছে। ১৯৯২ চনত ১ জনক মৰা হৈছে আৰু ৫২ জনক এৰেষ্ট কৰা হৈছে। ১৯৯৩ চনত ১০ জনক মৰা হৈছে আৰু ৬০ জনক এৰেষ্ট কৰা হৈছে আৰু ১৯৯৪ চনত ১৯ জনক মৰা হৈছে আৰু ৭৬ জনক এৰেষ্ট কৰা হৈছে। ১৯৯৩ চনত ২২ টা আৰ্মচ পোৱা হৈছে আৰু ২০০ ৰাউণ্ড গুলী উদ্ধাৰ কৰা হৈছে। ১৯৯৪ চনত ৪২ টা এমুনেচন তেওঁলোকৰ পৰা জব্দ কৰা হৈছে। অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে এই ক্ষেত্ৰত আগতে বোধহয় পঢ়া নাই। তেখেত-সকলে বোধহয় নজনাকৈ প্ৰশ্ন বিলাক কৰিছে। সেইকাৰণেহে মই কৈছো।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য এগৰাকীয়ে ৰাতৰি কাকতৰ জৰিয়তে প্ৰকাশ পোৱা পৰীতৰা অভয়াৰণ্যৰ কথা কৈছে আৰু এই সম্পৰ্কত এটা ভাৰাক্ৰান্ত হোৱাৰ কথা কৈছে, কিন্তু মই কওঁ এখন ৰাতৰি কাকত-তেই নহয়, বিভিন্ন ৰাতৰি কাকতত এই বিষয়ে, প্ৰকাশ পাইছে। কিন্তু এই অভয়াৰণ্যৰ গছ কটা আদি কাম ডি, চিৰ পৰা অনুজ্ঞা পত্ৰ আগতে লৈহে নিশ্চয় কাটিছে। ইনটেনচন বেলেগ নহয়। বন্ধ থকা স্বত্তেও হাইকৰ্টৰ অদাৰ আনি কেতিয়াও ব্যক্তিগত ব্যৱসায়ীক কাটিবলৈ নিৰ্দ্দেশ দিয়া নাছিল ৰা ইয়াত সেই এলেকাৰ মানুহক ভাৰাক্ৰান্ত কৰাৰ উদ্দেশ্যে গছ-গছনি, হাবি-জংঘল কাটিবলৈ দিয়া হোৱা নাছিল। আমি সকলোৰে সহযোগতহে কাম কৰিবলৈ চেষ্টা কৰিছো : মাননীয় অধ্যক্ষ মহোদয়, ৰাজীৱ গান্ধী অভয়াৰণ্যৰ বণ্য প্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত আজি যিবিলাক লোক-চান হোৱাৰ কথা উঠিছে, সেইবিলাক যাতে ৰক্ষা কৰিব পাৰি, তাৰ কাৰণে চাৰ্ভে কৰিবলৈ দিয়া হৈছে। তাৰোপৰি আমাৰ কাজিৰঙা অভয়াৰণ্যত যি এনক্ৰচমেণ্ট হোৱাৰ কথা উঠিছে, আচলতে সেইটো হোৱা নাই। কাজিৰঙা নেচনেল পাৰ্কৰ এনক্ৰচমেণ্টৰ সম্পৰ্কত চিকস্ এডিচনত ইয়াৰ এটা সামগ্ৰিক ধাৰণা হোৱাৰ কথা আছিল। এই সকলো বিলাক আন্দাৰ প্ৰচেচিঙত আছে। সেই এডিচনৰ মতে মাটি কালি প্ৰায় ৪০১ স্কুৱাৰ কিলো-মিটাৰলৈকে বঢ়াই দিয়া হৈছে। আৰু সেইটো কাজিৰঙা নেচনেল পাৰ্ক-তকৈ দুগুণ ডাঙৰ বুলি ধৰা হৈছে। যদিও কমিচনাৰ, নদাৰ্ণ অসমৰ দ্বাৰা ইনকুৱাৰী ৰিপৰ্ট সম্পূৰ্ণ হৈছে, ফাইনেল ন'টিফিকেচন এতিয়া পেন্দিং হৈ আছে। কাৰণ কিছুমান মানুহে কমিচনাৰৰ দ্বাৰা তেওঁলোকৰ

দাবী অগ্রাহ্য কৰাৰ কাৰণে গুৱাহাটী হাইকৰ্টত দুটা গোচৰ পঞ্জিয়ণ কৰি থৈছে। লাওখোৱা অভয়াৰণ্যৰ ক্ষেত্রতো দৃষ্টি আকর্ষণ কৰা হৈছে। ৰূপহী ক'অপাৰেটিভ চচাইটিয়েও ২৫০ বিঘা মাটি বন্য প্রাণী সংৰক্ষনৰ কাৰণে দাবী কৰি আহিছে আৰু এই দাবী প্রায় ২০ বছৰৰ আগতেই চৰকাৰে দিছিল আনকি এই সম্পর্কে সন্মানীয় চুপ্রিম কৰ্ট পর্য্যন্ত পাইছেগৈ। শেষত চুপ্রিম কৰ্টে এই সম্পর্কে তদন্ত কৰিবলৈ কমিচনাৰলৈ আদেশ দিছিল। অলপতে এই অভয়াৰণ্যৰ কিছুমান গছ-গছনি অবৈধ ভাবে কটাৰ কথা ধৰা পৰিছিল। ফৰেষ্ট বিভাগৰ দিষ্ট্রিক অফিচাৰজনে ডেপুটি কমিচনাৰজনৰ লগত আৰু পুলিচ অধিক্ষাকৰ সহায়ত এইটো বাধা দিয়াত সক্ষম হ'ল। ফলস্বৰূপে ২৬৫ টা কাঠৰ নমুনা চীজদ্ কৰা হ'ল, ৯ জন স্মাগলাৰক এৰেষ্ট কৰা হ'ল আৰু চীজদ্ কৰা দুখন ট্রাক এতিয়াও তদন্তাধীন হৈ আছে। এই বিলাক কথা বিভিন্ন সময়ত, বিভিন্ন প্রশ্নৰ উত্তৰত কোৱা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, বহুতো মাননীয় সদস্যই এলিফেণ্ট প্রজেক্টৰ কথা কৈছে আৰু এই সম্পর্কত যিবিলাক টকা পইচা মিচইউজৰ কথা কোৱা হৈছে, আচলতে তেনে কথা অহা নাই। টকা পইচা যেনেকৈ খৰছ কৰা হৈছে, ষ্টেট্ ফৰেষ্ট্রিৰ ক্ষেত্রত কামতো তেনেকৈ আগবাঢ়ি গৈছে। সেইদৰে বনাঞ্চল ৰক্ষণাবেক্ষন বা বন্য প্রাণী ৰক্ষণাবেক্ষনৰ কাৰণেও নিয়ন্ত্রণ ৰক্ষা কৰা হৈছে। আমি গৌৰৱেৰে কব পাৰোঁ যে ফৰেষ্ট হিষ্ট্রীত এনেকুৱা কেতিয়াও হোৱা নাছিল। আমাৰ মাননীয় সদস্য প্রমোদ গগৈ দেৱৰ উত্তৰত কওঁ During the period 1992–93 to 2027-2028 for the purpose of afforestation of degraded forest land for restoration of echology, সেইটো বঢ়াই ২ হেজাৰ ৭ শ ২৮ কৰা হৈছে। ১৯৯১ চনৰ পৰা ৯২ চনলৈ ৬৫ লাখ ৪৩ হেজাৰ During 1991-92 financial year the scheme was implemented for Rs. 65 lakh 43 thousand under the Head of Accounts 2046-01-105 RPF, মাননীয় সদস্য এজনে কৈছে যে এজন বিখ্যাত বেপাৰীয়ে শালগছ অসমৰ পৰা কাটি নিয়া

বুলি কৈছে। কিন্তু বর্ত্তমান অসমৰ হাবিত শালগছ ডাঙৰেই হোৱা নাই। গতিকে এই কথাটো ইয়াত নাহে। আৰু এজন মাননীয় সদস্যই কৈছে যে অসমৰ হাবিৰ পৰা এজন গন্য মান্য ব্যৱসায়ীয়ে অগৰু গছ কাটি নি বাহিৰত ব্যৱসায় কৰিছে। কিন্তু অসমত গছ একেবাৰেই চালুকীয়া অৱস্থাত আছে। এই কাঠ কটাৰ প্ৰশ্নই নাহে। তাৰোপৰি যিজন ব্যক্তিৰ কথা কোৱা হৈছে, তেখেত অতি মহানলোক, যি এইটো ব্যৱসায় কেতিয়াও নকৰে।

মাননীয় অধ্যক্ষ মহোদয়, অপ্ৰিতিকৰ কথা-বতৰা নিশ্চয় কব নালাগে। শালীনতাবে কথা কলে বেছি ভাল হয়। আমাৰ প্ৰদেশৰ প্ৰাকৃতিক গছ-গছনিৰ কথা আমি উপলব্ধি কৰিছো। মেঘালয়, অৰুণাচল আদি আমাৰ দেশৰ সীমামুৰীয়া দেশ। অসমৰ গছ-গছনি কাটিলে হাবিত থকা জীৱ-জন্তুবিলাক মেঘালয়, অৰুণাচল আদি অন্যান্য ৰাজ্যলৈ গুছি যায়। মেঘালয়, আৰু অৰুণাচলৰ গছ-গছনি কাটি তহিলং কৰিলে সেই ঠাইৰ বনৰীয়া জীৱ-জন্তুবিলাক আমাৰ অসমলৈ গুছি আহে। আমাৰ মাননীয় সদস্য চহিদুল আলম চৌধুৰী চাহাবে মেঘালয়ৰ চেৰাপুঞ্জিৰ কথা উল্লেখ কৰিছে। এইবোৰ কথা সকলোৱে জানে আগতে যি পৰিবেশ আছিলে আজি আৰু সেইবোৰ নাই। দেশৰ পৰিস্থিতিৰ ওপৰত বহুত কথা আহি পৰে। আমি বহুত বাধা কৰিছিলো কিন্তু পৰবৰ্ত্তী সময়ত নিয়ন্ত্ৰণলৈ অনা হৈছিল। এইবিলাক সন্দেহ থকাৰ কাৰণে জিলা উপাযুক্ত বা কতৃপক্ষক সময়ে সময়ে কতৃত্ব দিয়া হৈছিল। আমাৰ ল'ৰাবিলাক আলফাকতো নহয়েই ছালফাকো গছ-গছনি কাটিবলৈ দিব নালাগে তেওঁলোকক সত্ পথলৈ ঘুৰাই আনিবলৈ আমি চেষ্টা কৰিব লাগিব। এইটো কথা স্পষ্টকৈ কওঁ যে গছ গছনি কাটিবলৈ আমি কাকো উৎসাহ দিয়া নাই। মৰা গছ কাটিবলৈকো লাইচেন্স বা পাৰ্মিট দিয়া নাই। কিন্তু ব্যৱসায়ী সকলে পাৰ্মিটতকৈ যদি অতিৰিক্ত গছ কটাৰ কিবা পৰামৰ্শ থাকে সেইবিলাক নিশ্চয় গ্ৰহণ কৰিব পাৰো। আজি আলফা বা ছালফাক লৈ আমি সমস্যা বঢ়াই লব নালাগে। তেওঁলোকক ভাল বাট দেখুওৱাই কাম কৰাৰ কাৰণে পৰিবেশ সৃষ্টি কৰাৰ চিন্তা চৰ্চা কৰাটো

আমাৰ সকলোৰে দৰকাৰ। তেতিয়া মই সমর্থন জনাম। আমাৰ ইয়াত যিবিলাক কথা আলোচনা কৰা হৈছে; যিবিলাক ব্যৱসায়ী সেই সকলক সুযোগ দিয়া হৈছিল। আজি বিগত দিনত ফৰেষ্টৰ মন্ত্রী সকলে যিবিলাক কাম কৰি গৈছিল সেই দিন ধৰি অর্থনৈতিক অৱস্থা অন্তঃত আজিও ভোগ কৰি আছে। সকলোৱে একেলগে মিলি সহযোগিতাৰ মাজেদি দেশৰ উন্নতিৰ কাৰণে আগবাঢ়ি আহিব লাগে। আজি অলপদিনৰ আগতে যমুনামুখ, লামডিং, হোজাইত কি চলিছিল সেই কথা সকলোৱে ভালদৰে জানে। আমাৰ এখন 'গছ' কমিটি আছে সেই কথা হয়তু আপোনলোকে জানে। হিচাব-নিকাচ বা অবিশ্বাস কৰিলে কোনো কাম নহব। বিশ্বাসভাৱ জগাই থাকিলে কেতিয়াবা ঘৰতো বিশ্বাস নোহোৱা হব। সেই কাৰণে কেতিয়াও কাকো অবিশ্বাস কৰিব নালাগে। দেশৰ প্রগতিৰ কাৰণে চিন্তা কৰিব লাগিব আৰু (ফৰেষ্ট বিচোৰ্) বদনামী কথাবিলাক উঠাই লৈ আপোলোকে সদনত সততাৰে প্রকাশ কৰিব বুলি মই বিশ্বাস ৰাখিম। এইখিনিকে কৈ মোৰ বক্তব্য সামৰণী মাবিলো।

★ শ্রীপ্রফুল্ল কুমাৰ মহন্ত : মাননীয়, মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে মানুহ ভাল ও আছে আৰু বেয়া ও আছে। ভাল অফিচাৰ সকলক প্রটেকচন দিবৰ কাৰণে কি ব্যৱস্থা লৈছে। কিছুদিনৰ আগতে দ্বগানলা ঠাইত এখন ট্রাক ফৰেষ্ট অফিচাৰ এজনে ধৰোতে তেওঁক কেইজনমান যুৱকে আঠু কঢ়াইছিল। তাৰ পিছত বেটেলিয়ানক কৈ ব্লেংক ফাইয়াৰ কৰোৱা হৈছিল। চোৰাং চিকাৰীক গ্রেপ্তাৰ কৰাৰ কাৰণে আপোনালোকে চৰকাৰৰ ফালৰ পৰা কি ব্যৱস্থা লৈছে জনাবনে ?

মাননীয় অধ্যক্ষ : আপোনালোকে একেলগে ৩ জনমানে প্রশ্ন কৰিলে মন্ত্রীৰ উত্তৰ দিয়াত অসুবিধা হয়। এজন এজনকৈ কলে মন্ত্রীৰ উত্তৰ দিয়াত সুবিধা হয়।

★ শ্রীপ্রফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে প্রটেকচন দিবনে নাই জনাব লাগে ?

★ Speech not corrected

★ শ্রীচামচুল হুদা (বন মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে তদন্ত কবি লিখিতভাবে মই তেখেতক জনাম।

মাননীয় অধ্যক্ষ : ৩ টা বিভাগ একেলগে আলোচনা কবাব কাবণে আজিলৈকে একো হোৱা নাই ।

★ শ্রীগোমেশ্বব পেগু (ভৈয়াম জনজাতি ও অন্যান্য পিচপবা শ্রেণী সমূহব কল্যান বিভাগব মন্ত্রী) মাননীয় অধ্যক্ষ মহোদয়, আমাব মাননীয় সদস্য শ্রীনগেন শর্ম্মা ডাঙবীয়াই যিখিনি কথা উৎথাপন কবিছে সেইখনি শুনি মই ভাল পাইছো। কোনে কি কবা নাই এইবিলাক কোৱা কাবণে মই বেয়া পোৱা নাই। মই তেখেতক ধন্যবাদ হে জনাইছো কাবণ ট্রাইবেলবিলাকব কথা মই পেপাবতো দেখিছো। এবাব দিল্লীলৈ যাওঁতে তাত মোক এজন সদস্যই কৈছিল "হিয়ে ক্যা হোৱা, ক্যাসে হোৱা ? তাব পবা মই উবহী গছব ওব বিচাবিবলগীয়া হ'ল। কি হ'ল, কিয় হবলৈ পালে ? তাত এখন ট্রাইবেল বোর্ড আছে। বোর্ডব ডাইবেক্টব আছে। ডাইবেক্টবে গোটেই ট্রাইবেলব কামবিলাক কবিব লাগে। দ্বিতীয়তে মাননীয় সদস্য শর্ম্মাদেৱে কৈছে যে কেলেণ্ডাব ছপা কবিবব কাবণে কোনো প্রস্তাব তেওঁলোকে লোৱা নাই। কিন্তু মাননীয় অধ্যক্ষই অনুমতি দিলে মই লোৱা প্রস্তাবটো পঢ়ি দিব পাবো।

অধ্যক্ষ মহোদয়, ৰব দীঘলীয়া হব তথাপিতো মই পঢ়ি দিব বিচাবিছো।

The Board express satisfaction over the timely publication of the Office Calender for 1995 and the booklet on Corporation's objectives and programme as there was no authentic programme, Guide or literature till now about the activities of the Corporation. The Board also took note that the proofs of both the items were approved by the project impletention sub-committee of the Corporation in its meeting on 5-12-94 and that the views of the Director of Printing and Stationery, Assam were also duly obtained regarding the job before placing the orders by the Managing Director. The

★ Speech not corrected.

Members felt that the cost of publication of both the item was on the higher side but at the same time appreciated the quality of paper and works. The Board, therefore, approved the expenditure of Rs. 5.50 lakhs and Rs. 9.50 lakhs for printing of 50000 copies of calender and 10,000 copies of booklet respectively. Shri Durgeswar Patir, member gave note of dissent on the expenditure. ৫ লাখ ৫০ হাজাৰ আৰু ৯·৫০ লাখ দিয়া হৈছে, তাত মাত্ৰ এজন সদস্যই আপত্তি কৰিছিল বাকী সকলোৱে একচেপ্ট কৰিছে । চাওঁক মোৰ হাতত চিগনেচাৰ আছে, তাত মন্ত্ৰী আছিল, মাননীয় বিধায়ক আছিল আৰু প্ৰাক্তন বিধায়ক আৰু চেক্ৰেটাৰী সকলো আছিল। তথাপিতো কিয় চেনচোৰ মোশ্যন আনিব লগা হ'ল, সেইকাৰণে মই কৈছো যোৱা দুবছৰে সুবিচাৰ বিচাৰি এতিয়াহে পালো। তথাপিতো কৈ থাকে কোনো কাম হোৱা নাই । এই সম্পৰ্কত মই এটা এনকুৱাৰী কৰিবলৈ দিছো অকল সেইটোয়েই নহয় তাত বহুতো অসুবিধাৰ কথাও আছে, সেই গোটেই বিলাক জইণ্ট চেক্ৰেটাৰীক অনুসন্ধান কৰিবলৈ দিয়া হৈছে, সেইটো পালেই মই সদনত দাখিল কৰিম ।

★ ডঃ জয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয় যিহেতু তাত পলিটিচিয়ান ইনভলভ আছে সেইটো জইণ্ট চেক্ৰেটাৰীক এনকুৱাৰী কৰিবলৈ দিলে ভাল নহব আৰু তেওঁ নিয়মমতে সেইটো কৰিব নোৱাৰে। গতিকে আপুনি হাউচ কমিটি পাতি দিয়ক।

★ শ্ৰীগোমেশ্বৰ পেগু (জনজাতীয় উন্নয়ন মন্ত্ৰী) হাউচ কমিটিয়েও এইটো চাইছে, ৰিপোৰ্ট আছে, ট্ৰাইবেল মন্ত্ৰী হিচাবে কাম কৰিবলৈ চেষ্টা কৰিছো আৰু কৰি থাকিম। যদি মই দুৰ্নীতি কৰিছো তেতিয়াহলে মই বিধায়কৰ বা মন্ত্ৰীৰ পদ এৰি দিম। অ'বিচিৰ সম্পৰ্কে কৈছে, আমি কাম নকৰা নহয়, মিশ্যন ৰঞ্জন দাসৰ কথা কম কিন্তু এতিয়া গৰৈ দেৱক জোকাই

★ Speech not corrected.

নলওঁ। ২৭ শতাংশ আমি কৰিবলৈ চেষ্টা কৰিছো, মণ্ডল কমিশ্যনে কৈছে কিন্তু আমি কাম কৰিছো। মিশ্যন বঞ্জন দাস ডাঙৰীয়া সদনত নাই অথচ তেখেতেই ৰেইজ কৰিছে। ১৯৯১-৯২ ত আমি ১০০০০ দিছো ১৯৯২-৯৩-৬৫ দিছো। সেইদৰে জনজাতীয়ৰ কাৰণে কিমানদিছো সেইটো কৈ দিছো ১৯৯১-৯২ ত ৫ কোটি ৪ লাখ ২১৬ টকা, সেইদৰে ১৯৯২-৯৩ ত ৯ কোটি ৪৫ লাখ এইদৰে নিয়মীয়াকৈ দি থকা হৈছে।

★ ডাঃ কমলা কলিতা : পইচাটো দিছে থিকেই কিন্তু সেইটো থিকমতে খৰচ হোৱা নাই পকেটত গৈছে।

★ শ্রীগোমেশ্বৰ পেগু (মন্ত্রী, জনজাতি উন্নয়ণ) : মাননীয় সদস্য কৰেন্দ্র বসুমতাৰী আৰু মাননীয় সদস্য নগেন শৰ্মা ডাঙৰীয়াৰ উত্তৰটো দিলো। স্কলাৰচিপ বিলাক দিয়াৰ কথা কৈছে সেইটোও আমি নিয়মীয়াকৈ দি আছো। তাৰোপৰি প্রত্যেক এম, এল, এক ৩০ লাখ কৈ টকা দিয়া হৈছে জনজাতীয় বিধায়ক সকলৰ ক্ষেত্রত, বাকী বিলাকৰ ক্ষেত্রত মুখ্য মন্ত্রীয়ে চাব। তাৰোপৰি ট্রাইবেল বিধায়ক সকলৰ কাৰণে ডেবলাখকৈ দিচক্রিচনাৰী দিয়া হৈছে। তথাপিতো ট্রাইবেল এম, এল, এ সকলে কাম হোৱা নাই বুলি কোৱা কথাটো আচৰিত কথা। সেইকাৰণে মই কৈছো "মৰিতে চাহি না আমি সুন্দৰ ভুবনে, মানবৰ মাঝে বাচিবাৰে চাই"। সেইদৰে ৪৩১০ জন ফেমিলিক বেনিফিট দিয়া হৈছে আৰু প্রতি বছৰেই বেনিফিচিয়াৰিক সৰহ সংখ্য ককেই বেনিফিট দিয়া হৈছে। এইবাৰ ১৪,৪৩১ জন বেনিফিচিয়াৰিক বেনিফিট দিয়া হৈছে। মই শুই থকা নাই, কাম নকৰিলে মন্ত্রীক সকলোয়ে গালি পাৰে আৰু বিধায়ককো গালি পাৰে, গতিকে যিটো চেনচোৰ মোশ্যন দিছে, সেই পৰিপ্রেক্ষিতত মই মাননীয় সদস্য সকলক দৃষ্টি আকর্ষন কৰিব বিচাৰিছো যিহেতুকে মই একো অন্যায় কৰা নাই গতিকে এই চেনচোৰ মোশ্যনটো উঠাই লব লাগে।

★ শ্রীশৰৎ চন্দ্র ৰৰকটকী (ৰাজ্যিক মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলৰ মাননীয় সদস্য সকলে যিটো ভৎস'না প্রস্তাৱ আনিছে আৰু তাৰ যোগেদি যিখিনি পৰামর্শ দাঙি ধৰিছে তাৰ বাবে তেওঁলোকক মই ধন্যবাদ জ্ঞাপন কৰিছো। ইতিমধ্যে মাননীয় মুখ্যমন্ত্রী মহোদয়ে ১২৬ টা বিধান সভাৰ

★ Speech not corrected

সমষ্টিত বাষ্টা দলং নির্ম্মানৰ বাবে নিৰ্দ্দেশ দিছে। মই কাম আৰম্ভ কৰিবলৈ ওলাইছো। মাননীয় সদস্য সকলে যিটো কথা কবলৈ বিচাৰিছে যে বিষয়া সকল দুৰ্নীতি পৰায়ণ, সেইটো সচাঁ নহয়। সকলো বিষয়াই বেয়া নহয়। বিষয়া সকলৰ ওপৰত বিশ্বাস ৰাখিব লাগিব। কাম কৰাৰ আগতে অবিশ্বাস কৰিলে কাম নহব। যি সকল দুৰ্নীতি পৰায়ণ বিষয়া আছে তেওঁলোকৰ বিৰুদ্ধে মই ব্যৱস্থা গ্ৰহণ কৰিছো। আমি যাতে ভাল ধৰণে কাম কৰিব পাৰো তাৰ কাৰণে সকলোৰে সহায় সহানুভূতি বিচাৰিছো। যিবিলাক দলং ৰাষ্টা বেয়া হৈ আছে সেই সকলো বিলাক ভাল কৰিবলৈ লৈছো। আশা ৰাখিছো অহা জুন মাহৰ ভিতৰত দলং, ৰাষ্টা আদি সমূলি ভাল কৰিব পৰা হব। ইয়াৰ কাৰণে ছয় লাখ আঠাৰন্ন হাজাৰ টকা মুকলি কৰি দিছে। মাননীয় সদস্য নগেন শৰ্ম্মা ডাঙৰীয়াই যিটো কথা কৈছে যে ইতিমধ্যে ১৯৯১/৯২/৯৩/৯৪ চনত কিছুমানক বেচি টকা মুকলি কৰি দিয়া হৈছে। সেই কথাটো সত্য নহয়। কামৰ গুৰুত্ব বিবেচনা কৰি অলপ টকা কিছুমানক বেচি দিয়া হয়। দ্বিতীয়তে তেখেতে কৈছে যে ১৯৯৩/৯৪ ত ৯ কোটি টকা অবৈধ ভাৱে চিটি ডিভিজনৰ পৰা দিয়াৰ চেষ্টা কৰিছিল। এই ক্ষেত্ৰত মই কওঁ যে ১৯৯৩/৯৪ চনত ৭,২০১৫ কোটি টকা সংমণ্ডলত বিভিন্ন শিতানত দিব লগীয়া বিলৰ কাৰণে দিয়া হৈছিল যদিও কাৰ্য্যবাহী অভিযন্তাই সময়মতে বিলবোৰ পৰীক্ষা নিৰিক্ষা কৰি পাচ কৰা সময় নথকা কাৰণে চৰকাৰে ৰাজহ শিতানত জমা ৰাখিছিল। এই কাম চৰকাৰৰ হস্তক্ষেপতহে হৈছিল। কাৰ্য্যবাহী অভিযন্তাৰ হস্তক্ষেপত নহয়। গুৱাহাটী পথ সংমণ্ডলত যি ১৫ কোটি টকা বিনা কামত আদায় দিয়া কথা যি কৈছে সেই কথা সত্য নহয়। পি এণ্ড টি বিভাগৰ ৩ কোটি টকাহে কোনো কাম নকৰাকৈ আত্মসাৎ কৰা কথাটোৰ পৰিপ্ৰেক্ষিতত মই কওঁ যে পি এণ্ড, টিৰ পৰা তিনি কোটি নহয় ৯১, ৬০, ৫৪০ টকাহে পোৱা হৈছে আৰু তাৰে ঠিকাদাৰ সকলক মেৰামতিৰ বাবে ৬১,৫৮,২৫৯ টকা আদায় দিয়া হৈছে। বাকীখিনি টকা মোৰ হাতত আছে।

আজিৰ বাতৰিত প্ৰকাশিত ৪০ কোটি ভূৱা বিলৰ নামত আদায় দিয়া সম্বন্ধে যিটো উল্লেখ কৰিছে, সেই কথাটো সত্য নহয়। কাৰণ বিভিন্ন দলং আৰু পথ মেৰামতিৰ কাৰণে এই বিভাগে এতিয়ালৈ মাত্ৰ ২২'৮৭৫৮ টকা প্ৰথম কিষ্টিত মুকলি কৰি দিছে। ইয়াৰ কিমান টকা মাৰ্চৰ ভিতৰত খৰছ হ'ল বিভিন্ন সংমণ্ডলৰ পৰা বিছৰা হৈছে। আৰু সৰহ সংখ্যক ডিভিজনৰ পৰা পোৱা হৈছে। সময় মতে কাঠ নোপোৱা কাৰণে কেই-বাটাও সংমণ্ডলৰ কিছু টকা বাজহ শিতানত ৰখা হৈছে। কামৰূপ ৰূফিংৰ পৰা নিম্ন মানদণ্ডৰ টিন পাত কিনা, লোহা আৰু চিমেণ্ট লগাতকৈ বেচি কিনা পৰিপ্ৰেক্ষিতত কওঁ যে টিনপাত বিলাক নিম্ন মানদণ্ডৰ নহয়। কাৰণ কামৰূপ ৰূফিং অসম উদ্যোগ বিভাগৰ অনুমোদিত প্ৰতিস্থান। চিমেণ্ট আৰু লোহা লগাতকৈ বেচি কিনা নাই। কাৰণ এতিয়া লোহা আৰু চিমেণ্টৰ অভাৱত প্ৰায় সকলো কাম বন্ধ হৈ আছে। টিনপাতৰ থিকনেচ চাই আৰু লোকেল ইণ্ডাষ্ট্ৰী হিচাবে এই ইণ্ডাষ্ট্ৰীৰ পৰা কিনা হৈছিল। প্ৰমোদ গগৈ ডাঙৰীয়াই যিটো ৰাষ্টাৰ কথা উল্লেখ কৰিছে যে ৮৫২ বন্ধ হৈ থকা ৰাষ্টাৰ মেৰামতি সম্বন্ধে কওঁ যে সকলো ৰাষ্টা আৰু দলং অহা জুন মাহৰ ভিতৰত মেৰামতি কৰি চলাচলৰ উপযোগী কৰিবলৈ চেষ্টা কৰা হৈছে। আৰু তাৰ কাৰণে টকা সময় মতে মুকলাই দিয়া হব। গগৈ ডাঙৰীয়াই যিটো ৬০/৪০ কথা কৈছে সেইটো অ, এন, জি চিত হে হয়। তেখেতে উল্লেখ কৰা ড্ৰেইনটো যাতে সোনকালে হয় তাৰ বাবেও ব্যৱস্থা লোৱা হৈছে। আগতে যিজন ইঞ্জিনিয়াৰ আছিল তেখেত যোৱাৰ পাচত কিছু কামৰ গতি কমিছিল কিন্তু এতিয়া নতুন ইঞ্জিনিয়াৰ আহিছে। গতিকে কামখিনি সোনকালে সম্পন্ন কৰাৰ ব্যৱস্থা লোৱা হৈছে। গগৈ দেৱে জয়সাগৰ চিভিল হস্পিতালৰ সম্বন্ধে যিটো কথা উল্লেখ কৰিছে, কামটো যাতে সোনকালে হয় তাৰ কাৰণে চেষ্টা কৰা হব। আৰু বাকী থকা চিমেণ্টৰ প্ৰতিবেগতে ২৫ টকাকৈ ঠিকাদাৰৰ পৰা আদায় কৰিব লগীয়া টকা ফাইনেল বিলৰ পৰা বিকোভাৰী কৰা হব। এই বিষয়ে সম্পূৰ্ণ তথ্য পাতি পাবলিক একাউঞ্চ কমিটিত যথা সময়ত দিয়া হব। ডিচাংমুখৰ ৰাষ্টাৰ সম্বন্ধে মই কব খুজিছো যে

এক কিলোমিটাৰ ৰাষ্টা মেৰামতিৰ কাৰণে চৰকাৰে ইতিমধ্যে অনুমোদন জনাইছে আৰু অতি সোনকালে কাম আৰম্ভ কৰা হব। টকা সময় মতে মোকলাই দিয়া হব। আইলামুখ আৰু দ্বাৰিকা দলং সোনকালে মেৰামতি কৰি মোকলাই দিয়া হব। গগৈ ডাঙৰীয়াই যিটো ৩০।৪০ কথাটো কৈছে সেইটো সত্য নহয়। এইটো অ, এন, জি, চিতহে হয়। যদি তেখেতে প্ৰমান কৰিব পাৰে তেন্তে মই ব্যৱস্থা গ্ৰহন কৰিম। মাননীয় সদস্য মিচন ৰঞ্জন দাস ডাঙৰীয়াই ৰাষ্টা আৰু দলং মেৰামতি কৰা সম্বন্ধে আৰু বকেয়া ধন মোকলাই দিয়া সম্বন্ধে যিটো কথা কৈছে সেই পৰিপ্ৰেক্ষিতত মই কব বিচাৰিছো যে ৰাষ্টা আৰু দলং জুন মাহৰ ভিতৰত মেৰামতি কৰিবলৈ লোৱা সিদ্ধান্ত ইতিমধ্যে জনোৱা হৈছে আৰু ইতিমধ্যে মোকলাই দিয়া ২২'৮৭৫৮ কোটি টকাৰ পৰা ৩ কোটি টকা বকেয়া বিলৰ টকা আদায় দিবলৈ অনুমোদন দিয়া হৈছে। আচলতে ৯ কোটি টকা নহয়। তাৰোপৰি মাননীয় সদস্য জয়নাল আবেদিনে কৈছে যে যোৱা ৩ বছৰত কাম বিলাক হোৱা নাই আৰু টকা মুকলি কৰি দিয়া নাই। মই কব খোজো যে কাম একেবাৰে নোহোৱা কথাটো মানি লোৱা টান হব। আৰু টকা সোনকালে মোকলাই দিয়াৰ বাবে চেষ্টা কৰা হব। তাৰোপৰি ৰেভিনিউ ডিপোজিটৰ বিষয় লৈ মই কব খুজিছো যে মাহৰ একেবাৰে শেষত বিত্ত বিভাগৰ পৰা টকা পালে হুৰামুৰাকৈ যাতে পেমেণ্ট নহয় তাৰ কাৰণে কেতিয়াবা ৰেভিনিউ ডিপোজিটত টকা থোৱা হয় অৱশ্যে মাননীয় সদস্য গৰাকীৰ পৰামৰ্শ মতে ডিপোজিটৰ টকা যাতে সোনকালে ৰিলিজ কৰিব পৰা যায় তাৰ কাৰণে চেষ্টা কৰা হব। ঠিকাদাৰ সকলে যাতে সময়মতে টকাটো পায় আৰু টকাটো যাতে মিচইউজ নহয় তাৰ কাৰণে মাত্ৰ এই ব্যৱস্থা কৰা হব। এল, ও, চিৰ লগত দিয়া লিষ্টৰ সম্বন্ধে মই কওঁ যে আবেদন এল, ও, চিৰ লগত কাৰ্য্যবাহী অভিযন্তাৰ বিবেচনাৰ কাৰণেহে দিয়া হয়। তাৰোপৰি নৰনাৰায়ন সেতুৰ ভায়াডাক্টৰ পৰা পঞ্চৰত্নৰ এটা লেণ্ডিঙৰ ব্যৱস্থা সম্পৰ্কে যিটো কথা উৎথাপন কৰিছে, এই সম্বন্ধে মিনিষ্ট্ৰি অৱ ট্ৰেন্সপোৰ্টৰ লগত আলোচনা কৰা হব। মাননীয় সদস্য হলিৰাম টেৰাং ডবকা লংকা

লামডিং ৰোডৰ কথা যিটো উল্লেখ কৰিছে, ডবকা লংকা পথ অংশ মোতা-য়োতি ভালে আছে । লংকা লামডিং অংশ ওখ কৰিবলৈ প্ৰকল্প লোৱা হৈছে ।

অধ্যক্ষ মহোদয়, বহুতো ৰাষ্টা ইমপ্ৰভমেণ্ট কৰা হৈছে । ডবকা ডিভিজনত ডাইভাৰচন কৰাৰ বাবে মাটিৰ বাবে ফৰেষ্ট বিভাগৰ লগত যোগাযোগ কৰি আছো । মাননীয় সদস্য নিজামুদ্দিন খান দেৱে হিউম পাইপ আৰু লোহাৰ কথা কৈছে । মই দায়িত্ব গ্ৰহন কৰাৰ পিচত বহুতো দায়িত্ব লৈছো আৰু বহুতো সৰু সৰু কাঠৰ দলং মেৰামতি কৰিছো । মাষ্টাৰ ৰোলৰ ফেব্ৰুৱাৰী মাহলৈকে পেমেণ্ট কৰা হৈছে । ১-৪-৯৩ চনত যিবিলাক মাষ্টাৰ ৰোলত লোৱা হৈছে সেই সকলক দৰমহা দিয়া হোৱা নাই । মাননীয় সদস্যই যি ভৎৰ্সনা প্ৰস্তাৱ উৎথাপন কৰিছে তাৰ মই আটাইকেইটা প্ৰশ্নৰে উত্তৰ দিছো । কি কি কাম কৰা হৈছে সেই সম্পৰ্কত মই পঢ়ি দিছো ।

(ষ্টেটমেণ্ট পঢ়ি দিয়ে)

(See the Annexure)

অধ্যক্ষ মহোদয়, আমি ২০ টা দিভিজনৰ পৰা ৰিপোৰ্ট পাইছো এইখিনি কাম সম্পূৰ্ণ হৈছে বাকী কামো জুন মাহৰ ভিতৰতে সম্পূৰ্ণ কৰিব পাৰিম বুলি আশা ৰাখিছো। গতিকে মই আশা কৰিছো যে, মাননীয় সদস্য নগেন শৰ্ম্মা দেৱে যি ভৎৰ্সনা প্ৰস্তাৱ উৎথাপন কৰিছে সেই প্ৰস্তাৱ উঠাই লোৱাৰ বাবে মই অনুৰোধ জনালো ।

★ Shri Holiram Terang:– What about Superintending Engineer, Haflong ?

★ Shri Sarat Barkatoky (Minister of State) :- Mr. Speaker, Sir, I have heard the allegations brought about by the Hon'ble Member Shri Terang against Shri S. Deka, S. E. PWD Hills, Haflong with regard to the allegation about his release from Dokmoka Division. It is understand that Shri Deka was released from the said Division for not submitting the Accounts

★ Speech not corrected,

in time K. A. District Council released him due to this reason and he was not suspended by the K. A. D. C. Thereafter he went on leave and on getting promotion he joined as S. E. Silchar, Building Circle. Then, he transferred as S. E. Haflong and joined on 26. 9. 94 when S. E. P. W. D. Maibong Division was transferred. Shri Deka was put there on dual charge as E.E. Maibong Division purely on temporary basis from 28.11.94 to 29.3.95 Since 29.3.95 Shri Deka is released from Maibong Road Division.

With regard to the allegations of issuing cheques of Rs. 15 lakhs sitting a Dyangmukh and Guwahati, the allegation shall be enquired into the Hon'ble Member shall be informed. Appropriate action shall be taken if necessary.

★ শ্রীহলিৰাম টেৰাং : অধ্যক্ষ মহোদয়, শ্রীডেকাৰ কার্য্যকালত তেখেতৰ কাম -কাজ সম্পর্কত চার্টার্ড একাউনটেণ্টৰ এটা ৰিপোর্ট আছে, এই ৰিপোর্টটো ডিষ্ট্রিক কাউঞ্চিলে মুখ্যমন্ত্রীৰ উপদেষ্টা শ্রীযতীন হাজৰীকা দেৱলৈ পঠাইছিল, বিহিত ব্যৱস্থাৰ কাৰণে। এই ক্ষেত্রত মন্ত্রী মহোদয়ে কি ব্যৱস্থা লৈছে জনাবনে ?

★ শ্রীশৰৎ বৰকটকী (ৰাজ্যিক মন্ত্রী) অধ্যক্ষ মহোদয়, ৰিপোর্টটো আহিছে, অনুসন্ধান কৰি ব্যৱস্থা লোৱা হব।

★ শ্রীহলিৰাম টেৰাং : এন, এইচ ৩৬ ডবকা ডিমাপুৰ অংশটো ভাল কৰাৰ কি ব্যৱস্থা লব ?

★ শ্রীশৰৎ বৰকটকী (ৰাজ্যিক মন্ত্রী) এইটো কাম ফৰেষ্ট ৰিভাগৰ লগত আলোচনা কৰা হব। এইটো ডিচমেণ্টোল কৰিব লাগিব।

★ মৌলানা আব্দুল জলিল ৰাগিবী : অধ্যক্ষ মহোদয়, ডবকা অঞ্চলৰ ৰাইজৰ পৰা

★ Speech not corrected

অনুৰোধ আহিছে যে এন, এইচ ৩৬ ডিচমেণ্টোল হলে ডবকা বজাৰ অঞ্চল সামৰি ৰাষ্টাটো কৰিব লাগে, এনে কৰিলে ডবকা বজাৰখনো বাছিব লগতে গোটেই অঞ্চলটো বানপানীৰ কবলৰ পৰা ৰক্ষা পৰিব আৰু বহু ৰাইজ ইয়াৰ ফলত উপকৃত হব। এই কথাটো মন্ত্রী মহোদয়ে বিবেচনা কৰিবনে ?

★ শ্রীনগেন শর্ম্মা :- অধ্যক্ষ মহোদয়, কুছিয়াৰী আৰু লোহাৰঘাটৰ বিষয়ে কৈছো। ৩৮ হেজাৰ ৭১ কিউবিক কাঠ ১৯৯৩-৯৪ চনত চৰকাৰে দিছিলনে নাই এইটো মন্ত্রীয়ে কব লাগে।

★ শ্রীচামচুল হুদা (ৰাজ্যিক মন্ত্রী) অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রীনগেন শর্ম্মা ডাঙৰীয়াই যিটো প্রশ্ন উথাপন কৰিছে, এইটো কাম যদি কেবিনেট ডিচিচনৰ পিচত হৈছে তেনেহলে খবৰ কৰিহে কব পাৰিম।

★ শ্রীযতীন মালী : অধ্যক্ষ মহোদয়, মই মাননীয় বন বিভাগৰ মন্ত্রীৰ পৰা আৰু গড়কাপ্তানি বিভাগৰ মন্ত্রীৰ পৰা দুটা কথা জানিব খুজিছো। মোৰ হাতত এইটো চি, এ, জিৰ ইয়াত উল্লেখ কৰিছে যে ১৯৯২-৯৩ চনত বন বিভাগে ৪২ কোটি ৭ লাখ টকাৰ ৰাজহ লোকচান কৰিছে। এই ক্ষেত্রত চৰকাৰ তথা মন্ত্রীৰ বক্তব্য কি ? দ্বিতীয় কথাটো হৈছে পলাশবাৰী সমষ্টিৰ মিৰ্জা অঞ্চলত চৰকাৰে গছ কটাৰ বাবে নিৰ্দ্দেশ দিছে নেকি ? যদি দিয়া নাই তেন্তে পুলিচৰ সহায়ত এচাম লোকে দিন দুপৰতে তাত গছ কটাৰ কাৰণ কি ? ইয়াক বন্ধ কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে।

★ শ্রীচামচুল হুদা (ৰাজ্যিক মন্ত্রী) অধ্যক্ষ মহোদয়, শ্রীমালী ডাঙৰীয়াই যিটো কথা কৈছে সেই সম্পর্কত মই কও যে এই কামটো ফৰেষ্ট বিভাগৰ চকুত ধূলি দি এচাম লোকে কৰিছিল। এতিয়া তাৰ ভাৰপ্রাপ্ত বিষয়াজনক চৰকাৰে চাচপেণ্ড কৰিছে। অন্যান্য অঞ্চলতো যি সকল বিষয়াই কামত হেমাহি কৰিছে তেওঁলোককো চাচপেণ্ড কৰা হৈছে আৰু বিভাগীয় তদন্ত চলাই থকা হৈছে। মই ভাবো শ্রীমালী ডাঙৰীয়া এতিয়া সন্তুষ্ট হব।

★ Speech not corrected.

★ শ্রীযতীন মালী : অধ্যক্ষ মহোদয়, এই ঘটনাটো বিভাগে বিশেষ ভাবে অনুসন্ধান কবিবনে ?

★ শ্রীচামচুল হুদা (বাজ্যিক মন্ত্রী) : অধ্যক্ষ মহোদয়, এইটো চলি আছে। মই ভাবো এইটোৰেই যথেষ্ট হব।

★ শ্রীহিতেশ্বৰ ডেকা : অধ্যক্ষ মহোদয়, মই বন বিভাগৰ মন্ত্রীৰ পৰা এটা কথা জানিব খুজিছো যে গুৱাহাটীৰ পৰা ৩৪ কিঃ মিঃ আতৰত বাইহাটা চাৰিআলিৰ কাষত থকা মদন কামদেৱ দেৱালয়ৰ সংলগ্ন হৈ থকা এটা বিৰাট অঞ্চলত এখন চেগুন গছৰ বাগান আছিল। এতিয়া তাত এডালো চেগুন গছৰ পুলি নাই, কলৈ গ'ল পুলিবোৰ মন্ত্রীয়ে জনাবনে ?

★ শ্রীচামচুল হুদা (বাজ্যিক মন্ত্রী) : অধ্যক্ষ মহোদয়, বিভাগে সাধাৰণতে গছ পুলিবোৰ ৪-৫ বছৰ হোৱালৈকে চোৱা—মেলা কৰে। এই ক্ষেত্রত মই কব খুজিছো যে কেতিয়াবা বৰষুণ কম হলে গছ পুলিবোৰ মৰি যায় আৰু অন্যান্য কাৰণেও মৰে। এই ক্ষেত্রত যিটো ক্ষতি হৈছে সেইটো এইবাৰ পূৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

★ শ্রীহিতেশ্বৰ ডেকা : অধ্যক্ষ মহোদয়, এই গছবোৰৰ কথা মই জানো, মই তাৰ বিধায়ক। কেইজনমান চালফা আৰু পুলিচ লগ হৈ ট্রাকত সেই গছবোৰ উঠাই লৈ গৈছে এইটো মন্ত্রী মহোদয় বা বিভাগে জানেনে, নে বিভাগেই এইটো কৰিছে ?

★ শ্রীচামচুল হুদা (বাজ্যিক মন্ত্রী) : অধ্যক্ষ মহোদয়, এই বিষয়টো মই কাগজ পত্র চাইহে কালিলৈ কব পাৰিম।

★ শ্রীআলাউদ্দিন সৰকাৰ : অধ্যক্ষ মহোদয়, গোলোকগঞ্জত গৌৰাঙ্গ নদীৰ সিপাৰে পশ্চিমবঙ্গ আৰু অসমৰ সীমান্তত এটা ফৰেষ্ট চেক গেট স্থাপন কৰাৰ কাৰণে বাইজে দাবী জনাই আহিছে। বক্সিৰহাট আৰু ছাগলীয়া চেক গেটেদি অসমৰ চোৰাং কাঠ অবাধে পশ্চিমবঙ্গলৈ নি আছে। পশ্চিমবঙ্গৰ সীমান্তত ৬ টা কাঠ ফলা মিল আছে, প্লাইউড ফেক্টৰী আছে। এইবোৰ মিলে আমাৰ ইয়াৰ পৰা যোৱা কাঠবোৰ ফালে। ত,ত এটা বেটেলিয়ন কেম্প দিব লাগে বুলিও দাবী জনাই অহা হৈছে। সেই অঞ্চলৰ ফৰেষ্ট অফিচত মন্ত্রীৰ

★ Speech not corrected.

আত্মীয় লোকক ৰখা হৈছে। কথা হৈছে ৰাইজে আৰু বিধায়কে দাবী কৰা মতে তাত বেটেলিয়ন ৰখাৰ ব্যৱস্থা কৰিবনে ?

★ শ্রীচামচুল হুদা (ৰাজ্যিক মন্ত্রী) : অধ্যক্ষ মহোদয়, সকলো কথা বিভাগৰ চকুত কেতিয়াবা নপৰে। আনহাতে সময়ত কেতিয়াবা যি ক্ষীপ্রতাৰে বিভাগে কাম কৰিব লাগে কিছুমান অসুবিধাৰ কাৰণে কৰিব নোৱাৰে এতিয়া এই কথাটো চোৱা হব। কেতিয়াবা বিষয়াৰ বদলি তথা পদস্থাপনৰ কাৰণে কাৰোবাৰ পৰা অনুৰোধ আহে। মুখৰ কথা এবাৰ নোৱাৰি কাৰোবাক তেওঁলোকৰ অসুবিধাৰ প্রতি লক্ষ ৰাখি কোনো ঠাইত পদস্থ কৰা হয়। ইয়াত স্বজন প্রীতিৰ কথা নাহে। মই এটা কথা আগতেও কৈছো আৰু এতিয়াও কওঁ যে কিছুমান বিষয়াই কামত অবহেলা বা দুর্নীতিত লিপ্ত থকাৰ কাৰণে বিভাগে নিলম্বিত কৰিছে। অলপতে ১৬ জন বিষয়াক চৰকাৰে নিলম্বিত কৰিছে। মাননীয় সদস্য শ্রীআলাউদ্দিন সৰকাৰৰ কথাটো মই মনত ৰাখিছো।

★ শ্রীআলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, আমি কাৰো প্রতি অভিযোগ অনা নাই। সীমান্ত অঞ্চলত চোৰাং কাৰবাৰ নিয়ন্ত্রণ কৰাৰ বাবে চেক পোষ্ট বিচৰা হৈছে। এতিয়া কথা হৈছে চৰকাৰে বন ৰক্ষা কৰাৰ কাৰণে চেক পোষ্ট দিব নে নাই ?

★ শ্রীচামচুল হুদা (ৰাজ্যিক মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, চেক পোষ্টত কি হৈছে সেইটো চাই থকাটো মন্ত্রীৰ দায়িত্ব নহয়। কোনো মন্ত্রীয়ে তাত থিয় হৈ চাই থকিব নোৱাৰে। সেইবিলাক চোৱা চিতাৰ দায়িত্ব সম্পূর্ণৰূপে বিষয়া কর্মচাৰীৰ ওপৰত থাকে। গতিকে বিষয়া সকলৰ ওপৰত বিশ্বাস ৰাখি কাম কৰা হয়। কেইদিন মান এনেকুৱা পৰিস্থিতিৰ সম্ভেদ পাই মই নিজেও তালৈ গৈছো যাতে এইবিলাক কার্য্য চলি থাকিব নোৱাৰে। বিষয়াবিলাকে যাতে আন অথ'ৰাইজলি একো কৰিব নোৱাৰে তাৰ বাবে তাত এখন কমিটি আছে।

★ শ্রীআলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, পশ্চিমবঙ্গৰ সীমান্তইদি যাতে কাঠ বাহিৰ হৈ যাব নোৱাৰে তাৰ কাৰণে চেক পোষ্ট বহুৱাব ব্যৱস্থা কৰিব নে নাই মন্ত্রীয়ে জনাব লাগে ?

★ Speech not corrected.

★ শ্রীচামচুল হুদা (বাজ্যিক মন্ত্রী) অধ্যক্ষ মহোদয়, এইটো কৰাৰ বাবে বিবেচনা কৰা হব।

★ শ্রীবুবুল দাস : মাননীয় অধ্যক্ষ মহোদয়, ওৱেষ্ট বেঙ্গৰ ধৰমতোল, নগাওঁ ডিভিজনত অবৈধভাৱে কাঠৰ কাৰবাৰ চলি আছে। মই ধৰমতোলত চলি থকা অবৈধ কাৰবাৰত জড়িত ট্রাকৰ নম্বৰ আৰু তাৰিখ দি দিছো। তাৰিখ বিলাক হৈছে ২৪-১১-৯৪, ২৯-১১-৯৪, ৩০-১২-৯৪, ৮-১২-৯৪, ৬-১-৯৫, ২৩-২-৯৫, ২৬-২-৯৫ আৰু জড়িত থকা ট্রাকবিলাকৰ নম্বৰ-বিলাক হৈছে এ এছ চি ৫৫৮৮, ট্রাক নং-এ এছ চি ৫৫৮৮, ট্রাক নং-এ এম কে ২৬৯৫, ট্রাক নং- এ এছ চি, ট্রাক নং এ এছ ইউ ৫৯৬৭, ট্রাক নং এ এছ এন- ৩৩৫৯, ট্রাক নং এন এল এ- ৪৭২৩। ধৰমতোলত যিবিলাক ফৰেষ্ট বিজার্ভ আছে সেইবিলাকৰ চেহুন গছ কাটি শেষ কৰি পেলাইছে। ওৱেষ্ট বেঙ্গৰ ধৰমতোলত যি সকল বিষয়া কৰ্মচাৰী আছে, তাত বাইফল ধাৰী বনৰক্ষীৰ লোক থকা সত্বেও কেনেকৈ এইবিলাক কাৰ্য্য চলিবলৈ পালে ? তাত এইবিলাক কাৰ্য্য চলি থকাৰ পিছত বিষয়া কৰ্মচাৰীৰ ওপৰত কি ব্যৱস্থা লোৱা হব ? মন্ত্রী মহোদয়ে জনাব লাগে।

★ শ্রীচামচুল হুদা (বাজ্যিক মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, ধৰমতোলা মোৰ নিকটবর্তী এলেকা। তাৰ পৰা মাননীয় সদস্য বিধান সভালৈ আহিছে। ধৰমতোলত শান্তি স্থাপন কৰা, বন ৰক্ষা কৰাতো মই বিচাৰো। তেখেতে যিবিলাক ট্রাক তাত সোমাই দুস্কৃতিকাৰীৰ লগত লগ হৈ এই অবৈধ কাৰবাৰ কৰি থকা বুলি কৈছে, সেইবিলাক বন্ধ কৰাৰ বাবে আমি ব্যৱস্থা লৈছো। এই কার্য্যতে জড়িত ট্রাকবিলাক যাতে ফৰেষ্ট বিভাগৰ কর্তৃত্বত থাকে তাৰ বাবে মুখ্যমন্ত্রীয়ে এখন অর্ডিনেন্স আনিছে। এই কার্য্যবিলাক যাতে চলাব নোৱাৰে তাৰ বাবে এই ব্যৱস্থা কৰিছে। ৰাইজৰ চকুৰ আগতে এইবিলাক কার্য্য চলাই থকা হৈছে। এনেকুৱা কার্য্য যাতে কৰিব নোৱাৰে তাৰ বাবে জাগীৰোডৰ ৰাইজৰ সহায় বিচৰা হৈছে। ধৰমতোলত থকা দোষী বিষয়া বদলি কৰা হৈছে। আৰু আৰু দুস্কৃতিকাৰীৰ লগত জড়িত লোক সকলক চাচপেণ্ড কৰা হৈছে।

★ Speech not corrected

তাত যাতে এনেকুৱা কার্য্য আৰু চলিব নোৱাৰে তাৰ তদাৰক কৰি থকা হৈছে ।

✱ ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এইবাৰ বিধান সভা আৰম্ভ হোৱাৰ লগে লগে ফৰেষ্ট বিভাগৰ কিছুমান বিষয়াৰ ওপৰত চৰকাৰে ব্যৱস্থা লৈছে । এইটো কৰা বাবে আমি ভাল পাইছো । এতিয়া কথা হৈছে কাইলৈ বিধান সভা শেষ হব । বিধান সভা শেষ হোৱাৰ পিছত বিষয়াৰ ওপৰত লোৱা ব্যৱস্থাবিলাক উঠাই লব নেকি ?

✱ শ্রীচামচুল হুদা : (ৰাজ্যিক মন্ত্রী) মাননীয় অধ্যক্ষ মহোদয়, এই ব্যৱস্থা উঠাই লোৱাৰ কথাই নাহে । যি কেইজন বিষয়াৰ বিৰুদ্ধে অভিযোগ আছে সেই বিষয়াবিলাকৰ বিৰুদ্ধে বিভাগীয় প্রচিডিং পেণ্ডিং আছে । তেওঁলোকৰ ইকোনোমিক দিছপাৰিটি অৰ প্রপৰছনেট ইনকাম কিমান সেইবিলাকৰ হিচাপ দিবলৈ কোৱাৰ বাবে কথা-বতৰা চলি আছে গতিকে তেওঁলোকৰ ওপৰত লোৱা ব্যৱস্থা উঠাই লোৱা নহয় ।

✱ শ্রীনগেন শর্মা : মাননীয় অধ্যক্ষ মহোদয়, মই ভৰ্ৎসনা প্রস্তাৱৰ ওপৰত এটা কথা উৎথাপন কৰিছিলো । মন্ত্রী মহোদয়ে এই প্রশ্নটো এৰাই গৈছে । মই তেখেতৰ পৰা জানিব বিচাৰিলো ডুপ্লিকেট টি পি মাৰি চেক গেটেৰে বহুত কাঠ লৈ গৈ থকা হৈছে । চৰকাৰে ডুপ্লিকেট টি পি লগাই কাঠ নিয়াটো বন্ধ কৰাৰ বাবে কেনে ধৰণৰ ব্যৱস্থা লৈছে ?

✱ শ্রীচামচুল হুদা (ৰাজ্যিক মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, ডুপ্লিকেট টি পি মাৰি জাল চিল, চিগনেচাৰ মাৰি কেনেকৈ এই বিলাক কার্য্য চলাই থকা হৈছে সেইটো পৰীক্ষা কৰাৰ বাবে ডি, চিক সম্পূর্ণ দায়িত্ব দিয়া হৈছে । ডুপ্লিকেট টি পি যাতে ব্যৱহাৰ কৰিব নোৱাৰে তাৰ বাবে ব্যৱস্থা কৰা হৈছে ।

মাননীয় অধ্যক্ষ : তিনিটা বিষয় আছে । এটাতে ইমান সময় ললে বাকী কেইটা কেতিয়া আলোচনা কৰা হব ?

✱ শ্রীৰমেন্দ্র নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাণী অঞ্চলত আগতে শাল আৰু চেগুন কাঠ যথেষ্ট পৰিমাণে পোৱা গৈছিল । এতিয়া

✱ Speech not corrected

তাত শাল আৰু চেগুন কাঠ দেখিবলৈ পোৱা নাযায়। ৰাণী অঞ্চলত গোটেই গছ-গছনি কাটি শেষ কৰা হৈছে। মন্ত্ৰী মহোদয়ে ধৰমতোলৰ বিষয়াজনক বদলি কৰা কথা কৈছে। বিষয়াজনক বদলি কৰি নি ৰাণীত দিয়া হৈছে। বিষয়াজনে ধৰমতোলত যেনে অনিয়ম কৰিছিল এতিয়া ৰাণীত সেই একে অনিয়ম কৰি আছে। এই বিষয়ে প্ৰিন্সিপাল কনজাৰভেটৰ অৱ ফৰেষ্টে চৰকাৰক ৰিপোৰ্ট দিছে। কিন্তু চৰকাৰে বিষয়াজনৰ ওপৰত একো ব্যৱস্থা নললে আমি নাজানো। এই ৰেঞ্জাৰ জনে অবাধে বনাঞ্চলত ধ্বংস কাৰ্য্য চলাই আছে। যোৱা ফেব্ৰুৱাৰী মাহত তাত পথ মেৰামতি কৰাৰ বাবে ৪ লাখ টকা দিছিল। সেই টকাখিনি একো কাম নকৰাকৈ আত্মসাৎ কৰিছে বুলি জানিব পৰা গৈছে। গতিকে মন্ত্ৰী মহোদয়ে এই বিষয়টো তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিব নে ? দ্বিতীয়তে, অসম-মেঘালয় বোৰ্ডাৰ অঞ্চলত বহুত পৰিমাণৰ গছ-গছনি কাটি মেঘালয়লৈ লৈ যায়। অসম-মেঘালয় সীমাত এটা সৰু নদী আছে। অসমৰ কাঠবিলাক কাটি সেই নদীটো পাৰ কৰি মেঘালয়লৈ লৈ যায় আৰু তাত টি পি মাৰি অসমলৈ পঠিয়াই দিয়ে। তাত পুলিচ বাহিনী আছে যদিও তেওঁলোকৰ হাতত চোফিষ্টিকেটেদ আৰ্মচ নাই। এটা ছুটামান বন্দুকহে আছে। সেয়ে তেওঁলোকে চোৰাং চিকাৰীৰ লগত মোকাবিলা কৰিব পৰা নাই। এতিয়া পুলিচ বাহিনীক চোফিষ্টিকেটেদ অস্ত্ৰ দি বোৰ্ডাৰৰ সিপাৰলৈ যাতে কাঠ লৈ যাব নোৱাৰে তাৰ ব্যৱস্থা কৰিব লাগে। চৰকাৰে এই বিষয়ে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নে ?

★ শ্ৰীচামচুল হুদা (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে ধৰমতোলৰ পৰা ৰেঞ্জাৰজনক ৰাণীলৈ বদলি কৰি অনাৰ কথা কৈছে। সেইটো আলাপ-আলোচনা কৰিয়ে ৰাণীলৈ বদলি কৰা হৈছে। তেওঁ তালৈ যাবলৈ আপত্তি কৰা নাছিল। বিষয়াজন সাহসী বিষয়া। সেই কাৰণে তালৈ বদলি কৰি নিয়া হৈছে যাতে তাত মোকাবিলা কৰিব পাৰে। যদি বিষয়াজনৰ বিৰুদ্ধে স্পেচিয়েল চাৰ্জ আছে, মাননীয় সদস্যই দিব পাৰে তেতিয়াহলে নিশ্চয় বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হব। সীমা-মূৰীয়া অঞ্চলৰ গছ-গছনি ৰক্ষা নিৰাপদে কৰাৰ ব্যৱস্থা চৰকাৰে বহু আগতে গ্ৰহণ কৰিছে। আমি এই সদনত যিবিলাক প্ৰতিশ্ৰুতি দিওঁ

★ Speech not corrected

সেইবিলাক প্রতিশ্রুতি মতে যাতে কামবিলাক সোনকালে কৰিব পাৰো, তাৰ বাবে আমি আশা ৰাখিছো। সীমান্ত অঞ্চলৰ গছ-গছনি কাটি মূঢ়াবিলাক উভালি চিন চাব নোহোৱা কৰি মেঘালয়লৈ নিয়া কার্য্য বন্ধ কৰিবলৈ কিছু প্রস্তুতিৰ প্রয়োজন। সেইটো কৰিবলৈ যথেষ্ট পুঁজিৰ প্রয়োজন। প্রয়োজনীয় পুঁজিৰ অভাৱত এই কামটো কৰা কিছু অসুবিধাত পৰিব লগা হৈছে। আশা ৰাখিছো আমি এই অভাৱ পূৰণ কৰিব পাৰিম। আৰু আমি বন ধ্বংস কৰা কার্য্য ৰোধ কৰিবলৈ সক্ষম হম।

★ শ্রীপ্রফুল্ল কুমাৰ মহন্ত : মই বন মন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। আপুনি জানে যে ৰৰপেটাত হাতী দাঁতৰ শিল্প আছে। সেই বিলাক মৃত প্রায় হৈছে। ভাৰতৰ বিভিন্ন ঠাইৰ পৰা হাতী দাত অনা হয়। আমাৰ বন বিভাগত সেই বিলাক জমা হৈ আছে আৰু পচি যাব ধৰিছে। সেই বিলাক ব্যৱহাৰ কৰিবলৈ দিব লাগে। কেন্দ্রীয় মন্ত্রী কমল নাথেও কৈছে বন্য প্রাণী সংৰক্ষণ প্লেনত নথকাত বিভিন্ন ব্যৱস্থা লব পৰা নাই। আমাৰ যেনে ধৰণে চেক কৰিব লাগে তেনে ধৰণে ৰাস্তৰত হোৱা নাই। ২৪-১-৯৩ তাৰিখৰ টি. পি. ক্রমিক নং ৪৬ আৰু দ্বিতীয় খনৰো ক্রমিক নং ৪৬। গতিকে এনে ধৰণে ৰাজহ লোকচান হৈ আছে। আমাৰ যিবিলাক ভাল বিষয়া আছে তেওঁলোকক ৰক্ষণা-বেক্ষণ দিব লাগে। আমাৰ বনাঞ্চল বিলাক শেষ হৈ গৈছে। এই বিলাক ক্ষেত্রত চৰকাৰৰ মনোভাৱ কি ?

★ শ্রীচামচুল হুদা (ৰাজ্যিক মন্ত্রী) : আমাৰ বিৰোধী দলপতি গৰাকীৰ যথেষ্ট অভিজ্ঞতা আছে। আমাৰ গড়ৰ খড়্গ বিলাক লৈ আন্তর্জাতিক ব্যৱসায় হৈ আছে। বিদেশী বজাৰত কেজি ১৪ লাখ টকাকৈ বিক্রী হৈ আছে। যদি লাইচেঞ্চ দিয়া যায় তেন্তে ভাল গড় বিলাক মাৰিব। ১৯৭২ চনত তেনে ধৰণৰ লাইচেন্স দিছিল, পিচত বন্ধ কৰি দিছে। যদি সকলোবে দৃঢ় মত হয় তেন্তে কেন্দ্রীয় চৰকাৰৰ লগত আলোচনা কৰিব পৰা যায়। কিন্তু অনুমতি দিলে সর্ব্বনাশ হব। হাতী দাতৰ কথাটো

★ Speech not corrected

ঠিক তেনে । টি, পি সম্পর্কৰ কথাটো পুনৰবাৰ কৈছো ডি, চি, য়ে এনদ'চ'ৰ্ কৰিব লাগে । দৃঢ়তাৰে তদাৰক কৰিম বুলি কৈছো ।

★ ডাঃ কমলা কলিতা : ডব্লিউ পি, টি মন্ত্রীয়ে খোলোচা কৈ উত্তৰ দিছে । কৰ্পৰেচনত খোলোচাইক টকা আত্মসাং কৰি আছে । মই উদাহৰণত কওঁ যে গুৱাহাটী আই, টি, ডি, পি বোৰ্ডৰ চেয়াৰমেন, সদস্য স্কুল বিলাকলৈ যায় আৰু কয় আগধন ২০ হাজাৰ টকা দিব লাগিব, তেহে একলাখ টকা দিয়া হব । বহু স্কুলে ২০ হাজাৰ টকা আগধন দিব পৰা নাই । বিপুল ৰাভাৰ পৰা লিখাই লৈছে Received Rs. 5 thousand from chaserapari school committee সম্পূৰ্ণ তথ্য মোৰ হাতত আছে । চেকঁ বিতৰণ কৰোতে ১০ হাজাৰ টকা বিচাৰে । বিপুল ৰাভাই লৈছে । ৰাইজৰ কামৰ কাৰণে দিয়া টকাৰ যদি এনে ব্যৱহাৰ হয় তেন্তে কি ব্যৱস্থা লব ?

★ শ্রীগোমেশ্বৰ পেগু (মন্ত্রী) : যদি লংকালৈ গৈ ৰাৱণ হৈ যায় তেন্তে মই ৰাম হৈ ঠিক কৰিম । এমাহৰ ভিতৰত এনকুৱাৰী পাব । কঠোৰ ব্যৱস্থা লম ।

Mr. Speker : Hon'ble Mahanta and other, will you withdraw your Censure Motion ?

(Voices : Noes, Noes)

Now, I put the Motion before the House. The Motion is that—

"The House do censure the Hon'ble Ministers in-charge of Forest, PWD and WPT & BC Departments for their total failure in taking effective actions for preserving forest wealth for providing minimum communication facilities and for neglecting the problem of plain tribes and backward communities respectively."

Those who are in favour Say "Ayes"
Those who are against Say "Noes"
Noes have it Noes have it, Noes have it,
The Censure Motion is lost.

★ Speech not corrected

As per wishes of the Hon'ble Members, tea and snacks have been arranged in honour of the Hon'ble Members in Room No. 1 of the Assembly Building.

I request the Hon'ble Ministers, Hon'ble Leader of the Opposition, Hon'ble Minister of States, Hon'ble Members, Gentlemen of the Press in the Press Gallary, Officers in the Officers Gallery, Official Reporters to join in the Tea Party as arranged after the House rises for the day.

Obituary References

I have received information that Former Prime Minister of India, Shri Morarji Desai expired at 1.40 P. M. to-day in the Jashlok Hospital, Bombay.

With a heavy heart and grief, I rise to condole the death of this octogenerian leader of India.

A doyan of political scene in India, Shri Desai occupied a unique place in the Indian freedom struggle.

He held many higher office, namely, Chief Minister of undivided Bombay, Gujrat State, Union Finance Minister of India and finally Prime Minister of India during Janata Party Rule in the country.

This elder politician, freedom fighter, social worker, true Gandhian and former Prime Minister passed away to-day at 1.40 P. M. in the Jashlok Hospital Bombay after completing 99 years of age and his Centenary Celebration was started.

In his death, the country has lost an elder prominent leader.

In order to pay last rite homage and to pay respect to the departed soul, I request the Hon'ble Member to rise in their seats to observe one minute silence.

The House stands adjourned till 9 A. M. of tomorrow the 11th April, 1995.

Adjournment

The House rose at 5-50 P. M. and stood adjourned till 9 A. M. tomorrow the 11th April, 1995.

Dispur
The 10th April, 1995

D. Talukdar
Secretary
Assam Lgislative Assembly